# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

প্ৰভাতী সংখ্যা
১৯৯৯ চন



সম্পাদক
মঃ কাজিমুদ্দিন আহমেদ

Dr. P. K. Datta
DR. PARIMAL KUMAR DATTA

# খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী



**প্ৰথম সংখ্যা**

**ইং ১৯৯৯ চন**

খাৰুপেটীয়া - ৭৮৪১১৫,
দৰং ,অসম

তত্ত্বাৱধায়ক
প্ৰৱক্তা মঃ নুৰুল ইছলাম (এম. এ. বি. এড.)

সম্পাদক
মঃ কাজিমুদ্দিন আহমেদ



মুখ্যমন্ত্ৰী
অসম

সত্যমেৱ জয়তে

## শুভেচ্ছা বাণী

খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক অলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি সুখী হৈছো। মহাবিদ্যালয় এখনত প্ৰকাশ কৰা আলোচনীয়ে ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চ্চাত সহায় কৰাৰ উপৰিও তেওঁলোকক নিজৰ প্ৰতিভা বিকশিত কৰাত সহায় কৰে। সেইবাবেই আলোচনী প্ৰকাশৰ এই উদ্যোগ প্ৰশংসনীয়। আশা কৰো মহাবিদ্যালয় কৰ্তৃপক্ষৰ আন্তৰিক প্ৰচেষ্টাত আলোচনীখন সবাংগসুন্দৰ হৈ প্ৰকাশ পাব আৰু আগ্ৰহী পাঠকসকল ইয়াৰ দ্বাৰা উপকৃত হ'ব।

শুভেচ্ছাৰে,

(প্ৰফুল্ল কুমাৰ মহন্ত)

দিশপুৰ
২৪জুন ১৯৯৯




আব্দুল জব্বাৰ
মন্ত্ৰী,
সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগ, অসম
দিছপুৰ, গুৱাহাটী-৬

☎:561406 (O)
562283 (R)


D. O. No..............................
Date...২৬/৬/৯৯......................

## শুভেচ্ছা বাণী

খাৰুপেটীয়া কলেজৰ পৰা পোন প্ৰথমবাৰৰ বাবে আলোচনী এখন প্ৰকাশ কৰিবলৈ ওলোৱা জানিবলৈ পাই বৰ সন্তোষ পাইছো।

মহাবিদ্যালয়ৰ জৰিয়তে আলোচনী প্ৰকাশ কৰি সাহিত্যসেৱাৰ বাবে চেষ্টা চলোৱাটো সঁচাকৈয়ে সন্তোষজনক কথা। আলোচনীখনত বিভিন্নজনৰ চিন্তা-ভাৱনা সাহিত্যৰ ৰূপত প্ৰকাশ হব বুলি জানি আৰু আনন্দিত হৈছো।

সাহিত্যিক জীৱন এনেকৈয়ে মহাবিদ্যালয় পৰ্য্যায়ত আৰম্ভ হলে ভবিষ্যতলৈ মাতৃভাষাৰ সেৱা কৰিবলৈ উপযুক্ত হৈ উঠিব।

বিষয়ববীয়া, কৰ্মকৰ্ত্তা সকলোলৈকে আন্তৰিক ওলগনী জনাইছো আৰু আলোচনীখন সুন্দৰ ৰূপত প্ৰকাশ হব বুলি আশা ৰাখিছো।

(আব্দুল জব্বাৰ)




SRI THANESWAR BORO
Minister, Education,
Assam, Dispur

560270 (R)
Phone : 557424 (R)
561393 (O)


Date....২৭/৬/৯৯

## শুভেচ্ছা বাণী

খাৰুপেটীয়া মহাবিদ্যালয়ে পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰিবলৈ লোৱা উদ্যোকতা সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছো।

আশা কৰো আলোচনীখনে আশানুৰূপ সফলতা লাভ কৰিব।

(থানেশ্বৰ বড়ো)



প্ৰতিষ্ঠাপক অধ্যক্ষ (প্ৰাক্তন)

**বি. এম. হামিদুৰ ৰহমান** (এম. এ., এল. এল. বি.)



কৰ্মৰত ব্যস্ততাৰ মাজেৰে আমাৰ মহাবিদ্যালয়ৰ

বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়

**মঃ আব্দুল কৰিম** (এম. এ., বি.এড.)

# অধ্যক্ষৰ এষাৰ



এই বৃহৎ খাৰুপেটীয়াবাসী ৰাইজৰ বহু দিনীয়া এটা সপোন, উচ্চশিক্ষাৰ একমাত্র প্রতিষ্ঠান "খাৰুপেটীয়া মহাবিদ্যালয়" এই জ্ঞানালয় খনিৰ স্থাপিৰ স্থাপিত হয় ১৯৮১ চনত। যি সকল ব্যক্তিৰ জীবন যোৰা সাধনা আৰু ত্যাগৰ বিনিময়ত এই অনুষ্ঠানে জন্ম লাভ কৰিলে, সেই সকল মহান ব্যক্তিলৈ মোৰ লিখনীৰ আৰম্ভনিতেই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১৯৮১ চনৰ পৰা ১৯৮৬ চনলৈ এই মহাবিদ্যালয়খনিৰ নিজা গৃহ নথকাত খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়তেই ইয়াৰ পাঠদান কাৰ্য্য নৈশ শাখাত সম্পন্ন কৰা হৈছিল। ইং ১৯৮৬ চনতহে মহাবিল্যালয় খন ইয়াৰ নিজা তথা স্থায়ী গৃহলৈ স্থানান্তৰ কৰা হয় আৰু তেতিয়াৰ পৰাই এইখন মহাবিদ্যালয়ত পাঠদানকে ধৰি এটা সুন্দৰ শৈক্ষিক পৰিবেশ ৰছনাৰ পথ প্রশস্থ হৈছে। সুদূৰ ঢেকীয়াজুলি, ওদালগুৰি আৰু মঙ্গলদৈৰ এই বৃহৎ এলেকাৰ ভিতৰত এই খনেই একমাত্র উচ্চ শিক্ষাৰ অনুষ্ঠান। সৰ্ব্ব শ্রী জোনাব মতলিব উদ্দিন আহমেদ (প্রাক্তন বিধায়ক), মঃ আলি হুছেইন, মঃ ছাদেক আলী, হাজী আঃ হেকিম, বি, এম, হামিদুৰ ৰহমান, (প্রাক্তন প্রতিষ্ঠাপক অধ্যাপক), মঃ ইমান আলী, ৰমিজুদ্দিন, আঃ আজিজ, আঃ ৰহমান, শ্রী ধিৰেন্দ্র কুমাৰ ৰয়, শ্রী তামলেন্দু বিকাশ দাস, হজৰত আলী, ° মুক্তাৰ হুছেইন, মঃ আব্দুল ওৱাহাব তালুকদাৰ, মঃ মইনুল হক চৌধুৰী (অধিবক্তা), শ্রী মন্ত সৰকাৰ, শ্রী ডুঙ্গৰ মল জৈন, শ্রী ফতেহ চাঁন্দ চেৰউগী, খলিলুৰ ৰহমান, (অধ্যক্ষ খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিঃ), ° আঃ হক, মঃমোছৰ আলী মাষ্টাৰ, হবিবুৰ ৰহমান, ইউনূচ আলী (অৱসৰ প্রাপ্ত শিক্ষক) মঃ আতোৱাৰ ৰহমান। ইয়াৰ উপৰিও আৰু বহুতো সদাশয় ব্যক্তিয়ে এই মহাবিদ্যালয় গঢ়াত যথেষ্ট বৰঁঙনি আগবঢ়ায়।

এই মহাবিদ্যালায়ৰ জন্ম অৱস্থাত যদিও ছাত্র-ছাত্রী সংখ্যা কম আছিল কিন্তু বৰ্তমান ছাত্র ছাত্রীৰ সংখ্যা ১২০০ মানলৈ বৃদ্ধি হৈছে। ইয়াত বিভিন্ন জন গোষ্ঠীৰ ছাত্র ছাত্রীয়ে অধ্যয়ন কৰি আছে।

এই মহাবিদ্যালয়ত ক'লা শাখাৰ সকলো বিষয়েই অধ্যয়নৰ বিষয় হিচাবে সন্নিবিষ্ট কৰা হৈছে। তাৰ ভিতৰত ৰাজনিতী বিজ্ঞান, শিক্ষা, অর্থনীতি, বুৰঞ্জী, অসমীয়া, আৰবী, আৰু ইংৰাজী বিষয় মুখ্য হিচাবে অনুমতি দিয়া হৈছে। ইয়াত উচ্চতৰ মাধ্যমিক আৰু স্নাতক পাঠ্যক্রমৰ ব্যৱস্থা আছে। জন্মৰ পৰা ইং ১৯৯৮ চনলৈ যদিও মহাবিদ্যালয়খন বেচৰকাৰী আছিল, কিন্তু শিক্ষাৰ ফলাফল তুলনা মুলক ভাবে অতি ভাল আৰু উন্নত আছিল। উচ্চতৰ মাধ্যমিক পাঠ্যক্রমত চাৰিজন ছাত্র ছাত্রীয়ে ১ম বিভাগত এইবছৰ উত্তীৰ্ণ হৈছে। এই মহাবিদ্যালয়ত শিক্ষাদান কৰি থকা প্রবক্তা সকলে প্রথমৰ পৰাই যথেষ্ট কষ্ট স্বীকাৰ কৰি বিণা পৰিশ্রমিকত বা নগন্য পাৰিশ্রমিকত শিক্ষা দান কৰি আহিছে। প্রবক্তা সকলৰ লগতে ইয়াত কাম কৰি থকা কৰ্ম্মচাৰী বৃন্দইয়ো দীঘলীয়া সময় আপ্রান কষ্ট কৰি মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কাম সুচাৰু ৰূপে পৰিচালনা কৰি আহিছে।

এই খন মহাবিদ্যালয়ত এটা অধ্যক্ষৰ কোঠা, এটা কাৰ্য্যালয় কোঠা, এটা প্রবক্তা সকলৰ জিৰনী কোঠা, এটা ছাত্র একতা সভাৰ কাৰ্য্যালয় কোঠা, এটা পুঁথি ভড়াল সংযুক্ত অধ্যয়ন কক্ষ, এটা ছাত্রী জিৰণী কোঠাৰ লগতে তিনিটা শ্রেণী কক্ষ কোঠা আৰু চাৰিটা শ্রেণী দীঘলীয়া কোঠাৰ ব্যৱস্থা আছে। তাৰে দুটা দিঘলীয়া কোঠা ভাগ ভাগ কৰি মুখ্য বিষয়ৰ কোঠাৰ ব্যবস্থা কৰা হৈছে। ইয়াত এটা ছাইকেল

আস্থান, এখন কেণ্টিন আছে।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ মাটি কালি ৩০ (ত্ৰিশ) বিঘা আছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ নামত দুটা ডাঙৰ আকাৰৰ পুখুৰীও আছে। ইমান খিনি থকাতো খাৰুপেটীয়া মহাবিদ্যালয়ত বৰ্তমান লৈ বহুতো অভাব অসুবিধা আছে। তাৰে ভিতৰত উল্লেখনীয় হল প্ৰয়োজন অনুপাতে শ্ৰেণী কোঠাৰ নাটনি, ছাত্ৰ জীৱনি কোটাৰ অভাব, যিটো মহাবিদ্যালয় গৃহ আছে সেইটোৰ দেৱাল আৰু মজিয়া প্লাষ্টাৰ হোৱা নাই, পুঁথি ভড়ালৰ কোঠা আছে যদিও কিতাপৰ সংখ্যা নিচেই তাকৰ, প্ৰবক্তা সকলৰ জিৰণী কোঠাৰ অভাৱ স্থায়ী অধ্যক্ষৰ কোঠা আৰু কাৰ্য্যালয় কোঠাৰ অভাৱ ইত্যাদি।

অনুন্নত এলেকাৰ এই শিক্ষা অনুষ্টানটি সুদীৰ্ঘ ১৮ বছৰৰ পিছত বহুতো অভাব আহুকালৰ ও বিভিন্ন বাধাৰ সমূখীন হৈয়ো, এই মহাবিদ্যালয় খন ১৯৯৮ চনৰ ২৫ মাৰ্চৰ পৰা কাৰ্য্যকৰি হোৱাকৈ চৰকাৰী মাটি মঞ্জুৰী প্ৰাপ্ত হৈছে। এই ক্ষেত্ৰত খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ উল্লেখযোগ্য আবদানৰ লগতে, প্ৰবক্তা, কৰ্ম্মচাৰী, ছাত্ৰ ছাত্ৰী আৰু এই অঞ্চলৰ ৰাইজৰ অৱিহনাও যথেষ্ট গুৰুত্ব পূৰ্ণ আৰু উল্লেখনীয়। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ মাননীয় সভাপতি তথা অসম চৰকাৰৰ সংখ্যালঘূ কল্যাণ ও উন্নয়ণ দপ্তৰৰ মন্ত্ৰী মাননীয় শ্ৰী আব্দুল জব্বাৰ চাহাবৰ নেৰা নেপেৰা চেষ্টা আৰু সৎ ভাবৰ বাবে তেখেতৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ পুঁথিভড়াল সংযুক্ত অধ্যয়ন কক্ষ, ছাত্ৰী জিৰণী কোঠা আৰু এটি ছাইকেল অস্থান নিৰ্মিত হৈছে। খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰতি অপৰিসীম চেষ্টা কৰি এই পৰ্য্যায়লৈ অনাৰ বাবে মই তেখেত সকললৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা যাচিলো।

অতি আনন্দৰ বিষয় যে এই বাৰৰ পৰা অৰ্থাৎ ১৯৯৯-২০০০ শিক্ষা বৰ্ষৰ পৰা খাৰুপেটীয়া মহাবিদ্যালয়ত বাণিজ্য শাখাও খোলা হৈছে।

অবশেষত মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনী খন প্ৰথম বাৰৰ বাবে প্ৰকাশ পোৱাত মই নথৈ সুখী হৈছো আৰু গৌৰন্বিত হৈছো। এই আলোচনী খন প্ৰকাশ কৰাত তত্বাৱধায়ক প্ৰবক্তা নুৰুল ইছলাম, প্ৰবক্তা আঃ কৰিম, প্ৰবক্তা জালালউদ্দিন আহমেদ, প্ৰবক্তা হবিবুৰ ৰহমান, গ্ৰন্থাগাৰিক শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্মা, প্ৰমূখ্যে অন্যান্য প্ৰবক্তা বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে ছাত্ৰ একতা সভাৰ উপ সভাপতি মঃ ৰহমত আলী, সাধাৰণ সম্পাদক আশ্ৰাফুল ইছলাম, আলোচনী সম্পাদক মঃ কাজিমুদ্দিন আহমেদৰ লগতে ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয় ববীয়ালৈ মোৰ মৰম ও শুভেচ্ছা যাছিলো।

মোৰ কাৰ্য্যকালৰ আগতেও আমাৰ মহাবিদ্যালয়ৰ পৰা এখনি আলোচনী প্ৰকাশ কৰিবলৈ যো-জা চলিছিল যদিও কাৰ্য্যক্ষেত্ৰত মোৰ কাৰ্য্যকালত এই বহুদিনীয়া আশাটিয়ে পূৰ্ণতা পোৱাত মই গৌৰব বোধ কৰিছো। লিখনীৰ শেষত আমাৰ এই প্ৰচেষ্টা যেন অব্যাহত থাকে লগতে আমাৰ মহাবিদ্যলয়ৰ এটা শৈক্ষিক সাংস্কৃতিক আৰু মহান ভাতৃত্ব বোধেৰে এক মহা মিলনৰ তীৰ্থ ৰূপে গঢ়লৈ উঠে তাৰ বাবে চেষ্টা ৰাখিবলৈ মই এই মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষক শিক্ষয়ত্ৰী ছাত্ৰ ছাত্ৰী কৰ্ম্মচাৰী আৰু এই অঞ্চলৰ ৰাইজলৈ আন্তৰিক আহব্বান জনালোঁ।

মঃ আব্দুল কৰিম এম, এ, বি, এড
ভাৰপ্ৰাপ্ত অধ্যক্ষ , খাৰুপেটীয়া মহাবিদ্যালয়।

# সম্পাদকীয়

এখন আলোচনী এটা অনুষ্ঠানৰ বৌদ্ধিক গভীৰতাক প্ৰকাশ কৰাৰ এক শক্তিশালী মাধ্যম। আনহাতে কেৱল ই এটা নিদিষ্ট অনুষ্ঠানৰ পৰিগণ্ডীত সীমা বদ্ধ নহৈ, ই এটা সমস্ত জাতীয়তাৰ ধ্বজাবাহী প্ৰতিনিধি ৰূপে নিজক প্ৰকাশ কৰে। শৈক্ষিক পৰিবেশ বোলা ধাৰণাটো এটা সময় ব্যাপক সাধনাৰ কথা আকৌ এটা অনুষ্ঠানত এখন আলোচনী প্ৰকাশ কৰিবলৈ লোৱাটো এটা দিঘলীয়া প্ৰচেষ্টাৰ কথা। এটা জাতিৰ ঐতিহ্য-সংস্কৃতি, উন্নতি, অবণতি, আৰ্থ সামাজিক বিকাশ আদি সকলো দিশেই সাহিত্যৰ মাজেদি প্ৰকাশ পায়।

মহাবিদ্যালয়ৰ আলোচনী এখন নিত্তান্তই অপৰিহাৰ্য্য অংগ স্বৰূপ, য'ত বাস্তৱ সাহিত্য-কলা-কৃষ্টি তথা ক্ৰীড়া উৎস সমূহক প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ ভিতৰ চ'ৰাৰ ৰূপ দাঙি ধৰে। এইখন আলোচনীৰ জৰিয়তে ভৱিষ্যতৰ কবি, সাহিত্যিক, চিন্তাবিদৰ বীজ অংকুৰিত হয়। তদুপৰি এইখন আলোচনীৰ জৰিয়তে মহাবিদ্যালয়ৰ নীতি, আদৰ্শ লক্ষ্য আদি প্ৰচাৰৰ লগত সমাজ আৰু ব্যক্তিৰ সম্বন্ধ স্থাপন কৰি মহাবিদ্যালয় খনিক ৰাইজৰ ওচৰলৈ লৈ যোৱা হয়।

সাহিত্য সংস্কৃতিৰ জৰিয়তে মানৱীয় অনুসীলন গঢ়ি উঠে মানুহৰ প্ৰয়োজনত। সভ্যতা আৰু সমাজ এক গভীৰ সংকটৰ মাজত উপস্থিত হৈছে। তাৰ কাৰণ আজি অসমৰ চাৰিওফালে হিংসাৰ দাবাগ্নি। দেশৰ অসীম শক্তি, জাতিৰ তথা সমাজৰ ধৰণি স্বৰূপ যুৱ সমাজ হৈ পৰিছে ঘোৰ অন্ধকাৰত নিমজ্জিত। জনসাধাৰণ নিৰাপত্তাহীনতাত ভুগিছে। চাৰিও ফালে সন্ত্ৰাসবাদ, হত্যা গোষ্ঠিগত দ্বন্ধ, সাম্প্ৰদায়িক সংঘৰ্ষ, চুবুৰীয়া ৰাষ্ট্ৰৰ ষড়যন্ত্ৰ এনে দৰেই লাগিছে দেশে দেশে অপ্ৰৰোচিত যুদ্ধ। এনে পৰিস্থিতিয়ে দেশৰ ভৱিষ্যত হৈ পৰিছে অনিশ্চিত।

অতি দুখৰ বিষয়, এনে এটা সময়তে আমাৰ শিক্ষা ব্যৱস্থা পয়া লগা অৱস্থা। শিক্ষা গ্ৰহণ কৰিব পৰা আমাৰ ৰাজ্যত যথেষ্ট সংখ্যক শিক্ষানুষ্ঠান গঢ়ি উঠা স্বত্তেও শিক্ষানুষ্ঠান সমূহৰ পৰা এটা সুস্থ শৈক্ষিক পৰিবেশ ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে, ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত স্থবিৰতাৰ সৃষ্টি হৈছে।

"আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক"। আমাৰ এই ছাত্ৰ সকলৰ পৰাই ওলাব লাগিব বিচক্ষণ ৰাজনীতি বিদ, সুদক্ষ প্ৰশাসক, ন্যায়নিষ্ঠা বিচাৰক, আদৰ্শ-শিক্ষক, নিষ্ঠাবান সমাজকৰ্মী সেয়েহে ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়ণেই মুল লক্ষ্য হোৱা উচিত। "ছাত্ৰানং অধ্যয়ণং তপঃ"। শব্দ অৱস্থাতে শ্ৰমৰ মৰ্য্যদাৰ বিষয়ে সচেতন হৈ ভবিশ্যত জীৱন নিৰ্ব্বাহৰ পথ সুগম কৰিবলৈ চেষ্টা চলালে শিক্ষা অৰ্থ পূৰ্ণ আৰু প্ৰকৃত উদ্দেশ্য ধৰ্মী হব। ছাত্ৰ অবস্থাৰ আন এটি কৰ্তব্য হল চৰিত্ৰ গঠন। চৰিত্ৰই হৈছে মানুহৰ মূল ভুষণ সংযম, ন্যায়, বিনয়, সততা, সত্য-বাদিতা ধৈৰ্য্য আদি বহু মূলীয়া গুণবোৰ ছাত্ৰ অৱস্থাত আয়ত্ব কৰি লব লাগে।

সেয়ে বিবেক আৰু যুক্তিৰ আধাৰত শান্তিৰ লক্ষ্যৰে বাস্তৱ প্ৰয়োজনৰ লগত সংগতি ৰাখি বিজ্ঞান সন্মত ধ্যান ধাৰণাৰে এই শিক্ষা ব্যৱস্থাৰ সংশোধন কৰাৰ সময়, নহলে অচিৰেই জাতিটো ধ্বংসৰ গৰাহত নিমজ্জিত হব।

সম্পাদক
মঃ কাজিমুদ্দিন আহমেদ

# তত্ত্বাৱধায়কৰ এষাৰ

এখন  আলোচনী কোনো এটা অনুস্থানৰ দাপোন স্বৰূপ। এই আলোচনী প্রতিখন শিক্ষানুস্থানৰ বাবে এক অপৰিহাৰ্য্য অংগ। ইয়াৰ জৰিয়তে ছাত্র-ছাত্রী সকলৰ মৌলিক প্রতিভা আৰু বৌদ্ধিক দিশৰ পূর্ণ প্রকাশ ঘটাত সুযোগ পায়। কোনো এখন শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রীৰ বৌদ্ধিক বিকাশৰ ক্ষেত্রত আলোচনীয়ে সদায় গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। একোখন মহাবিদ্যালয় আজি মানৱ সম্পদৰ একোটা প্রধান অনুষ্ঠান। প্রত্যেকজন ছাত্র-ছাত্রীয়েই মানৱ সম্পদৰ একো একোটা উপাদন। এই উপাদন সমূহৰ সুপ্ত প্রতিভাৰ পূর্ণতা বিকাশ আৰু তেওঁলোকৰ সৃষ্টি শীলতা নিজ মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে প্রকাশ কৰাৰ অধিক সুযোগ পায়।

আলোচনী খন প্রত্যেক মহাবিদ্যালয়ৰ অবিচ্ছেদ্ধ্য অংগ স্বৰূপ। কিন্তু খাৰুপেটীয়া মাহবিদ্যালয়খন ১৯৮১ চনতেই স্থাপন হৈছিল, যদিও আজিলৈকে এই মহাবিদ্যলয় খনৰ এখনো আলোচনী প্রকাশ হোৱা নাই। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী সকলে তেওঁলোকৰ প্রতিভা বিকাশৰ সুযোগৰ পৰা ইমান দিনে  বঞ্চিত হৈ আহিছে। ১৯৮১ চনৰ পৰা ১৯৯৮ চনৰ ২৪ মাৰ্চলৈকে খাৰুপেটীয়া মহাবিদ্যালয়খন বেচৰকাৰী অৱস্থাত আছিল আৰু মহাবিদ্যালয় খনে নানা অভাৱ অভিযোগৰ মাজেৰে দিন বোৰ পাৰ কৰি আহিছে। প্রতিষ্ঠাপক অধ্যক্ষ বি. এম. হামিদুৰ ৰহমান মহোদয়ে কেইবাবাৰো খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী প্রকাশ কৰাৰ যো-জা কৰিছিল যদিও আর্থিক অনাটনৰ বাবে সেইটো সম্ভৱপৰ হৈ উঠা নাছিল।

১৯৯৮ চনৰ ২৫ মার্চৰ দিনৰ পৰা খাৰুপেটীয়া মহাবিদ্যালয়খন অসম চৰকাৰে বহু বাধা বিঘিনিৰ মাজেৰে ঘাটী মঞ্চুৰী প্রাপ্ত কৰণ কৰে। ১৯৯৮-৯৯ চনৰ বাবে গঠিত হোৱা খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্র একতা সভাই খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী খন প্রকাশ কৰিব লাগে বুলি বলিষ্ঠ পদক্ষেপ গ্রহণ কৰে আৰু ইয়াৰ প্রকাশৰ গুৰু দায়িত্ব ভাৰ মোৰ ওপৰত অৰ্পন কৰে। আলোচনী এখন প্রকাশ কৰা অতি জটিল কাম। কাৰণ ইয়াৰ লগত জড়িত হৈ থাকে যথেষ্ট পৰিমানৰ অর্থৰ কথা। আমাৰ আচুতিয়া আলোচনী পুঁজি প্রায় নাছিল বুলিয়েই কব পাৰি। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ একাগ্রতা আৰু বর্তমান ভাৰ প্রাপ্ত অধ্যক্ষ মহোদয়ে এখন আলোচনী প্রকাশৰ বাবে যথেষ্ট গুৰুত্ব দিয়ে। আর্থিক অনাটনেই আছিল আমাৰ আলোচনী প্রকাশৰ প্রধান সমস্যা। খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্রী আৰু কর্মচাৰীয়ে আলোচনী প্রকাশ কৰাৰ বাবে এক বুজন পৰিমানৰ আর্থিক সাহার্য্য দিয়ে আৰু ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা (বর্তমান সংখ্যালঘূ কল্যান মন্ত্রী অসম) মহোদয়ে নিজা বৰিয়া ভাবে আর্থিক সাহার্য্য আগবঢ়োৱা বাবে খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্রথমখন আলোচনী প্রকাশৰ পাতনি মেলা হয়। আলোচনী প্রকাশৰ বাবে সম্পাদনা সমিতি, ছাত্র একতা সভাৰ সাধাৰণ সম্পাদক আৰু বিশেষকৈ আলোচনী সম্পাদক জন নানা বাধা বিঘিনি আৰু আর্থিক অভাৱ অভিযোগৰ মাজেদি খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীখন প্রকাশৰ বাবে যথেষ্ট পৰিশ্ৰম কৰিব লগা হৈছে। তাকৰীয়া সময় আৰু সীমিত অর্থৰ মাজেৰে আশানুসাৰে উন্নত মানদণ্ডৰ আলোচনী এখন প্রকাশ কৰিব পৰা নাই। আমাৰ আশা এই প্রথমখন আলোচনীৰ জৰিয়তে খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰো সুপ্ত প্রতিভা আৰু বৌদ্ধিক বিকাশ ঘটাত সহায় হব।

তত্ত্বাৱধায়ক প্রবক্তা
মঃ নুৰুল ইছলাম (এম.এ. বি. এড)
ৰাজনীতি বিজ্ঞান বিভাগ।

# সূচীপত্ৰ

পৃষ্ঠা

## প্রবন্ধ


| | | |
|---|---|---|
| বিদ্রোহী কবি কাঁজী নজৰুল ইছলাম | মঃ আফজাল হুছেইন | ১৭ |
| মানৱতাৰ প্রত্যাহ্বান- সন্ত্রাসবাদ | এম, এন, জামান | ২১ |
| ভাৰতৰ নতুন অর্থনৈতিক আচনি আৰু ইয়াৰ ৰূপায়ন | দীপক কলিতা | ২৩ |
| পুঁথি আৰু প্রাসঙ্গিকতা | শ্রী জীবেন্দ্র মোহনদেৱ শৰ্মা | ২৭ |
| মোৰ দৃষ্টিত "২০০১ চনৰ ভাৰতবর্ষ | মহঃ লুৎফুৰ ৰহমান | ৩০ |
| শিক্ষাৰ্থী, শিক্ষক আৰু সমাজ | আবুল বাসাৰ আহমেদ | ৩৩ |
| Indian History and the World | Abdul Karim | ৩৬ |
| In Search of Behavioural Qualities of a Good Teacher | Abdul Karim | ৩৮ |
| Dowry (An Evil Custom) | Md. Jaber Ahmed | ৪২ |
| National Integration | Md. Habibur Rahman | ৪৪ |
| Private System of Education in English Medium School | Md. Abdul Qusim | ৪৬ |


## কবিতা কৰণী


| | | |
|---|---|---|
| জীয়াই আছোঁ এটি আশাৰ বাবে | আব্দুল মজিদ সৰকাৰ | ৪৯ |
| বিতৃষ্ণা | শ্রী জিৎ সৰকাৰ | ৪৯ |
| পৃথিৱী বেদনা নহয় | মিছ্ ফিৰুজা বেগম | ৪৯ |
| শান্তিৰ সন্ধানত | শ্রী পূর্ণ চন্দ্র ঢুঙ্গেল | ৫০ |
| তোমাৰ মৰমত | আস্কৰ জাফ্রী | ৫০ |
| অনাত্মীয় সময়ৰ | মঃ শ্বৰীফ আলী | ৫১ |
| বেদঁনা | মঃ ছফিকুল ইছলাম | ৫১ |
| প্রকৃতিৰ মানৱ | শ্রী নিৰ বাহাদুৰ ছেত্রী | ৫২ |
| প্রতিক্ষা | শ্রী ৰমেশ চন্দ্র বড়া | ৫২ |
| চিনাকী | মিছ্ মমতাজ বেগম | ৫৩ |
| জ্ঞান মালিনি | মঃ ৰহমত আলী | ৫৩ |
| মিলন | এছ্, এম, ইকবাল হুচেইন | ৫৪ |

| | | |
|---|---|---|
| মহৎ বাণী | এম, কৈছৰ আলী | ৫৪ |
| No Time to Pray | Miss Wahida Begum | ৫৫ |
| Is It Love? | Hussain Md. Erashard Alam | ৫৫ |
| My Yesternight's Dream | Md. Mukut Khan | ৫৬ |
| Yeh Dil Maange More | Prasanta Kumar Das | ৫৬ |
| A Tribute to Prophet Mohammad(S.M.) | Abdur Rahim | ৫৭ |
| Sweet Heart | Abdul Mazid | ৫৮ |
| O' Little Stars | Md. Mofidul Islam Sarkar. | ৫৮ |


## গল্প


| | | |
|---|---|---|
| পলৰীয়া সৈনিকজন আৰু তেওঁৰ প্ৰেমিকা | মঃ মনজুৰ আহমেদ | ৫৯ |
| ধূৰ্ত্ত তিৰোতাৰ জাল | মহঃ শ্বহিদ উল্লাহ হক | ৬৩ |
| সেয়া এটা দুঃ স্বপ্ন | মঃ ছাহাবুদ্দিন আহমেদ | ৬৯ |
| জুৰুলা নৈৰ বান | ৰাজেন্দ্ৰ কুমাৰ ডেকা | ৭১ |
| ভঙা হিয়া | জালাল উদ্দিন আহমেদ | ৭৩ |
| শেষ বিচাৰ | মঃ তৰিক উদ্দিন জিয়াউল হক | ৭৬ |
| Untold Stories | Parimal Kumar Datta | ৭৯ |


## প্ৰতিবেদন


| | |
|---|---|
| উপ-সভাপতিৰ | ৮৮ |
| সাধাৰন সম্পাদকৰ | ৮৯ |
| সহকাৰী সাধাৰণ সম্পাদকৰ | ৯১ |
| সমাজ সেৱা বিভাগ | ৯১ |
| বহিঃ ক্ৰীড়া বিভাগৰ | ৯২ |
| আন্তঃ ক্ৰীড়া বিভাগৰ | ৯৩ |
| আলোচনী সম্পাদকৰ | ৯৪ |
| প্ৰাচীৰ পত্ৰিকা সম্পাদকৰ | ৯৫ |
| তৰ্ক বিভাগৰ | ৯৫ |
| সাংস্কৃতিক বিভাগৰ | ৯৬ |
| ছাত্ৰ জিৰনী কোঠাৰ সম্পাদকৰ | ৯৭ |
| ছাত্ৰী জিৰনী কোঠাৰ সম্পাদকৰ | ৯৭ |
| List of Students Union | ৯৮ |
| List of Teaching & Non Teaching Staff. | ৯৯ |


* * * * * * *

প্ৰবন্ধ

# বিদ্ৰোহী কবি কাঁজী নজৰুল ইছলাম


মঃ আফজাল হুছেইন ( এম. এছ. ছি)
প্ৰৱক্তা, গণিত বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়।


অখণ্ড বঙ্গৰ অগ্নিযুগৰ এজন বিপ্লৱী কবি কাঁজি নজৰুল ইছলাম। অকল বঙ্গ বুলি কলে ভুল কৰা হব তেওঁ হ'ল অখণ্ড ভাৰতৰ হৃদয়ৰ কবি। ভাৰতৰ ধৰ্মনিৰপেক্ষনীতিৰ এক জীৱন্ত প্ৰতীক আছিল তেওঁ। তেওঁৰ এটি কবিতাত লিখিলে—

" ।। মুসলিম আর হিন্দু মোরা দুই সহোদর ভাই
এক বৃন্তে দুটি কুসুম এক ভারতে ঠাই।।"

তেওঁৰ ৰচিত কাবা আৰু কালিৰ গীত সমূহে মানুহৰ মাজত অতি সমাদৰ লাভ কৰিছিল। আনকি এতিয়াও কালি গোসানীৰ উদ্দেশ্যে ৰচিত গীত সমূহ বঙ্গৰ মানুহৰ মুখে মুখে শুনা যায়।

নজৰুলে আমাক বহু কিবা কিবি দি থৈ গ'ল, কিন্তু আমি তাৰ প্ৰতিদান দিব নোৱাৰিলোঁ। নজৰুল আছিল ঘাট মাউৰা। অভাৱ অনাটন আৰু দুখ-কষ্টই তেওঁক কোনোদিনে লগ এৰা নিদিলে। কঠোৰ সংগ্ৰাম কৰি জীৱন অতিবাহিত কৰিব লাগিছিল। আনকি মৃত্যুৰ আগলৈকে দৰিদ্ৰতাৰ সাগৰত ককবকাই আছিল।

ইংৰাজী ১৮৯৯ চনৰ মে মাহৰ ২৪ তাৰিখে বৰ্দ্ধমান জিলাৰ চুৰুলীয়া নামে এখন অখ্যাত গাঁৱত এই জনা মহান কবিৰ জন্ম হৈছিল। পিতাকৰ নাম আছিল কাঁজি ফকিৰ আহমেদ আৰু মাকৰ নাম জাহেদা খাতুন। ফকিৰ আহমেদ এজন ধৰ্ম নিষ্ঠাৱান মানুহ আছিল। তেওঁ মছজিদৰ খেদমত কৰিয়েই দিনটো অতিবাহিত কৰিছিল। ৭ বছৰ বয়সত নজৰুল পিতৃহাৰা হয়। ফকিৰ আহমেদে এৰি যায় তিনিজন পুত্ৰ সন্তান আৰু এজনী কন্যা সন্তান। দ্ৰৰিদ্ৰতাই নজৰুলক এৰা নাছিল। উপায় নাপাই ককায়েক চাহেবজানে এটা কয়লা খনিত সোমায় যদি অকালতে মৃত্যু মুখত পৰে। সংসাৰৰ দায়িত্ব আহি পৰে নজৰুলৰ ওপৰত। ভায়েক হোছেন আৰু ভনীয়েক কুলসুম যেতিয়া ভোকৰ যাতনা সহ্য কৰিব নোৱাৰি কান্দিছিল তেতিয়া নজৰুলে বিকল্প বিচাৰি নাপাই মাত্ৰ পাঁচ টকা দৰ্মহাত এক ৰুটিৱালাৰ দোকানত সোমায়। তাতেই তেওঁৰ ভাগ্যৰ দুৱাৰ খোল খায়। তেওঁক লগ পায় কাঁজি ৰেফিজুল্লাহ নামে এজন দয়ালু পুলিচ বিষয়া তেওঁৰ অনুগ্ৰহতে নজৰুলে এটা মোক্তাবত নাম ভৰ্ক্তি কৰাই লয়। নজৰুলে মোক্তাবত নিজৰ মেধা শক্তিৰ প ৰিচয় দিলে। চকুত লগা চেহেৰা আৰু উজ্জ্বল ব্যক্তিত্বই তেওঁ মৌলবী জনৰ প্ৰিয়-পাত্ৰ হব পাৰিছিল। তেওঁ প্ৰায়েই মিৰ্জা গালিব, আমিৰ খুশ্ৰু আৰু সুব্ৰাবনিয়া, ভাৰতী আদিৰ গীত সমূহ গুণ-গুণাই গাই ফুঁৰিছিল। মৌলবী জনৰ সান্নিধ্যত নাহিলে হয়তো হাবিৰ মাজত ফুলহে

ফুলি তাতেই বিলীন হৈ  গ'লহেঁতেন। তেওঁ শৈশৱতেই উৰ্দ্দু আৰু পাৰ্চী ভাষা শিকিছিল। কোৰাণ শ্বৰিফ অতি সুন্দৰকৈ পাঠ কৰিব পাৰিছিল। ইতিমধ্যে তেওঁ ৰাণীগঞ্জলৈ উঠি আহে আৰু তাত দশম মান শ্ৰেণীত নাম ভৰ্ত্তি কৰায়। ইতিমধ্যে দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হয়। বঙ্গত 'বেঙ্গল ৰেজিমেণ্ট' গঠন কৰা হয়। তাত তেওঁ এজন সৈনিক হিচাপে যোগদান কৰিলে। বেঙ্গল ৰেজিমেণ্টৰ লগত তেওঁ গৈ কৰাচী পালে। কৰাচিতে তেওঁৰ লগত পাৰ্চী সাহিত্যৰ পৰিচয় ঘটে। তেওঁ বহুতো ভাল ভাল পাৰ্চী কিতাপ পঢ়াৰ এটা সুযোগ লাভ কৰে। এনেকৈ বেঙ্গল ৰেজিমেণ্টৰ লগত বহু ঠাই ঘূৰে। ইতিমধ্যে বিশ্বযুদ্ধৰ সমাপ্তি ঘটে আৰু লগে লগে বেঙ্গল ৰেজি মেণ্ট ভাঙি দিয়া হ'ল। নজৰুল ইছলাম নিজৰ ঠাইলৈ ঘূৰি আহে আৰু কবিতাত মনোনিবেশ কৰে। তেওঁ সৰুৰে পৰাই কবিতা লিখা আৰম্ভ কৰিছিল।

ইংৰাজী ১৯২১ চনত তেওঁৰ "বিদ্ৰোহী" নামৰ কবিতাই সমগ্ৰ দেশতে প্ৰৱল জোঁৱাৰৰ সৃষ্টি কৰিলে। একেটা ৰাতিৰ ভিতৰতে তেওঁ কবি হিচাপে বিখ্যাত হৈ পৰিল। তেওঁ স্বীকৃতি পালে এজন বিদ্ৰোহী কবি হিচাপে। তেওঁ যুৱ শক্তিক উদ্দেশ্য কৰি 'বিদ্ৰোহী' কবিতাত লিখিলে....

" বল বীৰ
বল উন্নত মম শিৰ
শিৰ নেহাৰি আসাৰি নতশিৰ এই শিখৰ হিমাদ্ৰীৰ
বল বীৰ..

এটা নতুন যুগৰ সূচনা হ'ল। ইংৰাজৰ ভেটি কঁপাই তুলিলে তেওঁ "চিৰ বিদ্ৰোহী" কবিতাত লিখিলে....

"হাৰ মেনেছ বিদ্ৰোহীকে বাধতে তুমি পাৰবে না
তোমাৰ সৰ্বশক্তি আমায়
বাধতে গিয়ে হাৰ মেনে যায়।
হায়! হাসি পায়, হেৰেও তুমি হাৰবেনা
হেৰে গেলে! বিদ্ৰোীহকে বাধতে তুমি পাৰবেনা।"

যিটো সময়ত কবি নজৰুলৰ আবিৰ্ভাৱ ঘটিছিল তেতিয়া ৰবি ঠাকুৰকে আদি কৰি বহু বিখ্যাত কবি সাহিত্যিকৰ সমাহাৰ আছিল। নজৰুলৰ আবিৰ্ভাবে কবি সাহিত্যিক সকলৰ কিছুমানে প্ৰশংসা কৰিছিল যদিও আন কিছুমানে তেওঁক সহজ ভাবে লব পৰা নাছিল। " বিদ্ৰোহী" কবিতাটোক তাচ্ছিল্য কৰি কবি গোলাম মোস্তাফাই লিখিলে...

"ওগো "বিদ্ৰোহী" বীৰ
সংযত কৰ, সংযত কৰ, উন্নত তব শিৰ।
"বিদ্ৰোহী" ? শুনে হাসি পায়।
'বাধন হাৰাৰ কাঁদন কাঁদিয়া বিদ্ৰোহী
হাতে সাধ যায়—?
সে কি সাজেৰে পাগল, সাজ তোৰ?
আপনাৰ পাশে দাড়াবাৰ মত কতটুকু
তোৰ আছে জোৰ?"





কবি সজনী কান্তইতো এখোপ চৰি গ'ল—

"আমি ব্যাঙ
লম্বা আমাৰ ঠ্যাঙ
ভৈৰব ৰভসে বৰসা আসিলে
ডাকিয়া গ্যাঙোৰ গ্যাঙ।
আমি ব্যাঙ
দুইটা আমাৰ ঠ্যাঙ
আমি সাপ, আমি ব্যাঙেৰে গিলিয়া খাই,
আমি বুক দিয়া হাঁটি
ই দুঁৰ- ছুঁচোৰ গৰ্ত্তে ঢুকিয়া খাই।"

কবি নজৰুল বাংলা সাহিত্য জগতৰ এজন উজ্জ্বল নক্ষত্ৰ। তেওঁ ধ্ৰুৱতৰাৰ দৰেই জিলিকি থাকিব। সুৰ, লয়, ভাব প্ৰকাশৰ বলিষ্ঠ ভাষা, শব্দৰ অলংকাৰ, যোজনাৰ লগত ফেৰ মাৰিব পৰা দ্বিতীয় জন বাংলা কবি সাহিত্যিক আজিলৈকে ওলোৱা নাই। তেওঁৰ লিখনিত পোৱা যায় দেশপ্ৰেম, আবেগ, গণতন্ত্ৰ, সমাজবাদ, সামাজিক অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ আৰু ধৰ্ম নিৰপেক্ষতাৰ ধ্বনি। কবি অচিন্ত কুমাৰ সেন গুপ্তই লিখিলে.....

" বন্ধনেৰে শেষনেৰ শনিত ঠাকুৰ
কে সে যোদ্ধা দ্ৰোহদৃপ্ত চঞ্চল দুবাৰ?
পৰিশেষে স্থিৰ হয়ে বসে যোগাসনে
জীৱনেৰ গভীৰেৰ প্ৰাণনে মননে
বিদ্ৰোহেৰ কৰে প্ৰগাঢ় প্ৰণাম
কে. সে. যোগী। জানে তাৰ নাম?
— নজৰুল ইছলাম"

কবি নজৰুলৰ সপোনক ধ্বনিত কৰি তোলে কবি অন্নদাশংকৰ ৰায়ৰ কবিতাই —

" ভূল হয়ে গেছে বিলকুল
আৰ সবকিছু ভাগ হয়ে গেছে
ভাগ হয়নি কো নজৰুল।।"

নজৰুলে দেশ প্ৰেমমূলক, ভক্তি মূলক, সমদলত গাব পৰা বিপ্লৱী গীত আৰু কবিতা সমূহ দি থৈ গ'ল। তেওঁ এইবোৰ দি থৈ গ'ল বাংলা সাহিত্যক। কিন্তু অতি পৰিতাপৰ কথা যে, ভাৰতৰ আন ভাষাত এই লিখনি সমূহ অনুবাদ হবলৈ বাকী আছে। দৰিদ্ৰ কৰাল গ্ৰাসত পৰি তেওঁৰ বহুখিনি আনক বিক্ৰি কৰি দিব লগা হৈছিল।

আগ্নিযুগৰ বিপ্লৱী কবি নজৰুল ইছলাম আছিল ভাৰতৰ মুক্তিকামী মানুহৰ বাবে এক স্মৰণীয় নাম। তেওঁ অভাৱ অনাটনৰ আগত কেতিয়াও পৰাজয় বৰণ কৰা নাছিল আৰু এজন দেশপ্ৰেমিক হিচাপে। স্বাধীনতা-আন্দোলন, দলিত, শোষিত আৰু নিপীড়িত মানৱ গোষ্ঠীৰ মুক্তিৰ হকে অহৰহ যুজঁ কৰি অহা অপৰাজেয় সংগ্ৰামী নায়কজন শিল্পী হিচাপে পৰিচিত। ইং ১৯২২ চনৰ ২৬ চেপ্তেম্বৰ তাৰিখে "আনন্দময়ীৰ আগমনে" নামৰ কবিতাটি "ধূমকেতু" নামে আলোচনীত প্ৰকাশ পায়। এই

(খ) প্ৰতিপক্ষক সকলো ক্ষেত্ৰতে হেঁচা দিয়া যাতে তেওঁলোকে আইন শৃংখলা ব্যতিৰেকে অন্য কথা চিন্তা কৰিব নোৱাৰে। (গ) যি কোনো উপায়ে সন্ত্ৰাসবাদীহঁতৰ ওচৰত মূৰ দোৱাবলে জনগণক বাধ্য কৰোৱা।

কিছুমান বুদ্ধিজীৱিয়ে ANC, JKLF, ULFA আদি সংগঠনক আদৰ্শগত দিশৰ পৰা উগ্ৰপন্থীৰ শাৰীৰ পৰা বাদ দিব বিচাৰে। কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে তেওঁলোকে আপেক্ষিক ভাৱে কমবেছি পৰিমাণে সন্ত্ৰাসৰ লগত জড়িত। আনহাতে কিছুমান সংগঠনে উগ্ৰপ্ৰকৃতিৰ অপৰাধ কৰি, চৰকাৰ বিৰোধী, কাৰ্য্যত লিপ্ত হৈ বিপ্লবী সংগঠন ৰূপে জাহিৰ কৰি গণসমৰ্থন আদায় কৰা দেখা যায়। এই ক্ষেত্ৰত ANC ৰ কথাকে কব পাৰি। আনহাতে PLO Khemr Rouz সপোন বাস্তৱত পৰিণত হোৱাৰ সময় সমাগত। তদুপৰি বিভিন্ন সময়ত ৰাজকীয় পৃষ্ঠপোষকতাৰ সন্ত্ৰাসবাদ গা-কৰি উঠা দেখা যায়। উদাহৰণ স্বৰূপে ভাৰত বিভাজনৰ সময়ৰ পৰাই কাশ্মীৰ আৰু পাঞ্জাৱৰ বিভিন্ন সন্ত্ৰাসবাদী সংগঠনলৈ পাকিস্তানে দি অহা অহৰহ সমৰ্থনৰ কথা আঙুলিয়াব পাৰি। কিংবদন্তী স্বৰূপ গেৰিলা নায়ক চি গুৱাভাৰ লগত ফিডেল কাষ্ট্ৰোৰ সুমধুৰ সম্পৰ্ক এই ক্ষেত্ৰত প্ৰণিধান যোগ্য। আনহাতে এচাম ধৰ্মীয় নেতাৰ ছত্ৰ ছায়াতো বিশ্বৰ চুকে কোনে বিভিন্ন সন্ত্ৰাসবাদী সংগঠনে গঢ় লৈ উঠিছে, ইয়াৰ ভিতৰত হিজবুল্লাহ হৰকতুল আনচাৰ, মুজাহিদীন উল্লেখযোগ্য ৰাজনৈতিক প্ৰতিশোধ পৰাযণতাৰ বাবে আৰ্মেনিয়ান লিবাৰেছন আৰ্মি, নিউ আৰ্মেনিয়ান ৰেজিষ্ট্ৰেণ্ট, ব্লেক চেপ্তেম্বৰ প্ৰভৃতি বিভিন্ন সময়ত বিভিন্ন সন্ত্ৰাসবাদী সংগঠন চকুত পৰে। ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া, কে, এম, মাথুৰে "Law and order, adminstration with special reference to terrorism" নামৰ গ্ৰন্থত উল্লেখ কৰিছে " দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি, হতাশা, সাৰ্বজনীন শিক্ষা শিক্ষিত নিবনুৱা সমস্যা অৰ্থনৈতিক বিকাশ, ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক চেতনাই আইন শৃঙ্খলাৰ সমস্যাটো অধিক জটিল কৰি তুলিছে। আনহাতে সমাজৰ বিভিন্ন অংশৰ দুৰ্নীতি, সন্ত্ৰাসবাদী দমনত ৰাজনৈতিক হস্তক্ষেপ, অভিযুক্ত লোকৰ বিৰুদ্ধে হেমাহী আদিয়েও সন্ত্ৰাসবাদী কাৰ্য্যকলাপ বৃদ্ধি কৰিছে।

ইপিনে বিংশ শতিকাৰ বিশ্বক জোকাৰি যোৱা জাপানৰ হিৰোশ্বিমা আৰু নাগাচাকিত আমেৰিকাৰ আনৱিক বোমাক্ৰমণ, পুঁজিপতি ৰাষ্ট্ৰৰ ঘৃণা প্ৰতিশোধৰ এক দাৰুন প্ৰকাশ। এই আক্ৰমণত প্ৰায় ডেৰ লক্ষাধিক লোকৰ অকাল মৃত্যু ঘটে। ৩,৫০,০০০ লোক বেমাৰ দ্বাৰা আক্ৰান্ত হয়। বিস্তৰ সম্পদৰ ক্ষতি হয়। ইয়াক বিশ্বৰ সৰ্বপ্ৰথম আৰু সৰ্ববৃহৎ পৰমানৱিক সন্ত্ৰাস ৰূপে গণ্য কৰা হয়। বিশ্বৰ বিভিন্ন ঠাইত সন্ত্ৰাসবাদীৰ হাতত সন্ত্ৰাসৰ বলি হোৱা জনগণতকৈ এই সংখ্যা বহু বেছি। যদিও এসময়ত বৃটেনৰ প্ৰধান মন্ত্ৰী মাৰ্গাৰেট থেছাৰ আৰু ৰাছিয়াই, পাৰমানৱিক সমৰাস্ত্ৰৰ পোষকতা কৰিছিল সম্প্ৰতি এই চিন্তা বহু পৰিমাণে লাঘৱ হৈছে। C.T.B.T. আৰু Nuclearnon Proliferation Treaty যে এই ক্ষেত্ৰত যথেষ্ঠ বৰঙনি যোগাইছে। সম্প্ৰতি ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহে সমগ্ৰ বিশ্বতে এটা ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰা সন্ত্ৰাসবাদ। ই সমাজ, ৰাজনীতি, অৰ্থনীতি আইন শৃংখলা ৰক্ষাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। সম্ভাৱনাময় অলেখ যৌবনক ই অকালতে ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এইবিধ সন্ত্ৰাসবাদৰ আৰম্ভনি হয় ইটালীত আৰু বিশ্বৰ অন্যান্য দেশলৈ বিয়পি পৰে।

সন্ত্ৰাসে সন্ত্ৰাস মাতি আনে। ই সোচৰা ব্যাধি সদৃশ। সুশৃংখল সমাজৰ কাঠামো ধানবান কৰি দিয়ে। প্ৰগতিৰ অন্তৰায় হয়। মানৱীয় প্ৰমূল্যবোধক নিৰ্বাসন দিয়ে। অৱশ্যে এইটো আনন্দৰ কথা যে যোৱা কেইটামান বছৰত বিশ্বৰ বিভিন্ন প্ৰান্তৰ কিছুমান সন্ত্ৰাসবাদী গোটে শান্তি বিচাৰি ক্ষমতাসীন





ৰাজনৈতিক দলৰ লগত চুক্তি কৰিছে। তাৰ ভিতৰত কম্বোডিয়াৰ পেৰিছ চুক্তি, PLO আৰু ইজৰাইলৰ মাজৰ চুক্তি, IRA ৰ সৈতে হোৱা জন মেজৰৰ বুজাবুজি। ইপিনে আমাৰ দেশত পাঞ্জাৱৰ পৰিস্থিতি সাম কটাতো কিছু লক্ষ্য কৰিবলগীয়া লগতে উত্তৰ পূৰ্বাঞ্চলৰ N.S.C.N., U.L.F.A.সংগঠনৰ কিছুমান সদস্য ই আলোচনাৰ মাজেৰে সমস্যা সমাধানৰ গুৰুত্ব আৰোপ কৰিছে। তদুপৰি আত্মসৰ্মপনৰ যোগেদি এই অঞ্চলৰ কিছুমান সদস্য মূলসুঁতিলৈ প্ৰত্যাবিতন কৰিছে। এই সকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাও দেখা গৈছে। এই ক্ষেত্ৰত চৰকাৰ আৰু অধিক নমনীয়া হোৱা প্ৰয়োজন। এনে এটা সন্ধিক্ষণত মানৱাধিকাৰৰ প্ৰশ্নই বিশ্বৰ দৰবাৰত এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত হৈছে। জন্মলদ্ধ এই অধিকাৰক সন্ত্ৰাসেৰে মষিমূৰ কৰাৰ পৰিবৰ্ত্তে মানৱীয় দৃষ্টি ভংগীৰে বিবেচনা কৰা উচিত। শেষত এইটো কব পাৰি যে বিশ্বৰ বুঁকুৰ পৰা এদিনতে সন্ত্ৰাসবাদ নিৰ্মূল কৰাটো সম্ভৱ নহয়। বৰঞ্চ আমি ঐক্যবদ্ধভাৱে ভয়, ঘৃনা, অসূয়া পৰিহাৰ কৰি অধীৰ প্ৰতীক্ষাৰে শান্তিৰ বাবে যুঁজ দিব লাগিব।

# ভাৰতৰ নতুন অৰ্থনৈতিক আঁচনি আৰু ইয়াৰ ৰূপায়ন

*দীপক কলিতা* (এম. এ.)
মুৰব্বী অধ্যাপক অৰ্থনীতি বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়।

ভাৰতৰ নতুন অৰ্থনৈতিক আঁচনিখন ১৯৯১ চনৰ ২৪ জুলাইত আনুষ্ঠানিক ভাবে গ্ৰহণ কৰা হয়। ভাৰতীয় অৰ্থনৈতিক ব্যৱস্থাৰ কিছুমান গাঁঠনিগত সংস্কাৰকে নতুন অৰ্থনৈতিক আঁচনি বুলি কোৱা হয়। এই আঁচনিখনৰ বিষয়ে আলোচনা কৰাৰ আগতে পণ্ডিত জৱাহৰলাল নেহেৰুৱে আগবঢ়োৱা অৰ্থনৈতিক আঁচনি সমূহৰ চমুকৈ আলোচনা কৰি লও—

পণ্ডিত নেহেৰুৰ চিন্তাৰে ভাৰতৰ স্বাধীনোত্তৰ কালৰ অৰ্থনৈতিক আঁচনি সমূহ গঢ়ি উঠিছিল। আধুনিক ভাৰতবৰ্ষৰ সপোনৰ ভেঁটিটো তেওঁৱেই গঢ়িছিল। তেওঁ সমাজবাদৰ আৰ্হিৰে গণতান্ত্ৰিক উপায়েৰে দেশৰ অৰ্থনৈতিক আঁচনি সমূহ প্ৰস্তুত কৰিছিল। ইয়াৰ সুস্পষ্ট প্ৰভাৱ দেখিবলৈ পোৱা যায় ১৯৪৮ চন আৰু ১৯৫৬ চনৰ উদ্যোগিক নীতিবোৰত। নেহেৰুৰ অৰ্থনৈতিক আঁচনি সমূহত দেশৰ উৎপাদন বৃদ্ধিৰ লগতে দেশৰ সম্পদ আৰু আয়ৰ সম বিতৰনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ঔদ্যোগিক পঞ্জীয়ন আৰু অনুজ্ঞাৰ ওপৰত নিয়ন্ত্ৰন ৰাখিব লগা হৈছিল। এই আঁচনি সমূহে দেশৰ প্ৰাথমিক খণ্ডৰ লগতে অন্যান্য খণ্ড ৰাজহুৱা খণ্ডৰ স্থাপন আৰু ইয়াৰ উন্নতি, বিনিয়োগ আৰু ৰপ্তানী আৰু আমদানিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লব লগা হৈছিল এই আঁচনি সমূহৰ আন এটা গুৰুত্বপূৰ্ণ কথা আছিল এই যে দেশীয় উদ্যোগ বোৰক বহু জাতীয় নিগম বোৰৰ পৰা বানিজ্যিক ক্ষেত্ৰত ৰক্ষনাবেক্ষন দিয়া। ১৯৫৭-৫৮ চনত বৈদেশীক বিনিময়ৰ অসুবিধা থকা হেতুকে ভাৰতবৰ্ষই আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি

(IMF) আৰু বিশ্ব বেঙ্কৰ পৰা ঋণ লববৈ ইচ্ছা প্ৰকাশ কৰিছিল। তেওঁলোকে ভাৰতবৰ্ষত ব্যক্তিগত খণ্ডৰ গুৰুত্ব বঢ়াবলৈ পৰামৰ্শ দিয়ে। বৈদেশিক মূলধনৰ প্ৰৱেশৰ লগতে বৈদেশিক উদ্যোগ প্ৰতিষ্ঠান বোৰক ভাৰতবৰ্ষত বানিজ্যত অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰাৰ বাবেও পৰামৰ্শ আগবঢ়ায়। ঠিক একেদৰেই ১৯৭০ চনৰ শেষৰ পিনে ভাৰতে আকৌ IMF ৰ সহায় বিচাৰে। এইবাৰো তেওঁলোকৰ পৰামৰ্শ আৰু চৰ্ত্তবোৰে নেহেৰুৰ আঁচনিৰ বিপৰীত পথৰহে সন্ধান দিয়ে। ভাৰতত ১৯৮০ চন মানৰ পৰাই উদাৰকৰণ নীতিৰ পোষকতা কৰা হৈছিল। আৰু ইয়াৰ উদ্যোগিক ক্ষেত্ৰত ভুল প্ৰয়োগৰ কাৰণে দেশৰ আমদানীৰ হাৰ বাঢ়ি যায়, ফলস্বৰূপে বৃত্তীয় ভাৰসাম্য হেৰুৱায়। বৈদেশিক ঋনৰ বোজা বাঢ়ি যায় ১৯৯০ চনত। ভাৰতবৰ্ষই ইয়াৰ প্ৰতিকাৰ বিচাৰি পুনৰ IMF আৰু বিশ্ববেঙ্কৰ পৰা ঋন বিচাৰোতে IMF আৰু বিশ্ববেঙ্কৰ কিছুমান চৰ্ত্ত আৰোপ কৰে। অৰ্থাৎ চৰ্ত্ত সমূহ পূৰণ হলেহে ঋন পোৱা যাব। এই চৰ্ত্তবোৰেই হৈছে গাঠনিগত সংস্কাৰ। আৰু ১৯৯১ চনত গ্ৰহণ কৰা নতুন অৰ্থনৈতিক আঁচনিয়েই হৈছে এই গাঠনিগত সংস্কাৰ। এতিয়া স্বাভাৱিকতেই প্ৰশ্ন হব পাৰে যে এই গাঠনিগত সংস্কাৰ নো কি? গাঠনিগত সংস্কাৰ হৈছে দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰি মুক্ত বাণিজ্যৰ পথ সুচল কৰা। ভাৰতবৰ্ষত গাঁঠনিগত সংস্কাৰৰ ভিতৰত এনেবোৰ বিষয় সাঙুৰি লোৱা হৈছে। যেনে—

(১) ব্যক্তিগত খণ্ডৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান।

(২) বজাৰৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্ৰনৰ অৱসান ঘটোৱা।

(৩) বৈদেশীক বাণিজ্যৰ ক্ষেত্ৰত থকা বিধিনিষেধ বোৰৰ অৱসান ঘটোৱা।

(৪) ঘৰুৱা বিনিয়োগৰ ক্ষেত্ৰত অনুজ্ঞা পত্ৰৰ প্ৰয়োজনীয়তা নোহোৱা কৰা।

(৫) বৃত্তীয় খণ্ডৰ সংস্কাৰ আৰু কৰ গাঠনিৰ পৰিবৰ্ত্তন কৰা বিশেষকৈ শুল্ক গাঁঠনিৰ পৰিবৰ্ত্তন সাধন কৰা।

(৬) বহিঃ দেশীয় নিগমবোৰৰ ক্ষেত্ৰত থকা বিধি নিষেধ বোৰৰ বিলোপ সাধন কৰা আৰু বৈদেশীক বিনিয়োগৰ ব্যৱস্থা কৰা।

(৭) সেৱা খণ্ডত থকা দেশীয় বাধাবোৰ উঠাই লোৱা।

(৮) ৰাজ সাহাৰ্য্য কৰ্ত্তন, কৃষিত ৰাজসাহাৰ্য কমোৱা ইত্যাদি বোৰেই প্ৰধান।

মুঠৰ ওপৰত নতুন অৰ্থনৈতিক আচনিখনে বিশ্বৰ অৰ্থনৈতিক অৱস্থাৰ লগত নিজকে খাপ খুৱাবৰ কাৰণে প্ৰয়োজনীয় সংস্কাৰ সাধন কৰি লৈছে।

এই আঁচনিখনক লৈ ভাৰতবৰ্ষত বিতৰ্কৰ ঢৌ উঠিছিল। আঁচনি খনৰ প্ৰৱক্তা সকলৰ মতে এনে অৰ্থনৈতিক আঁচনিয়ে দেশখনৰ সামুহিক দিশত আগবঢ়াই নিব। ৰাষ্ট্ৰীয় উন্নয়নৰ হাৰ বৃদ্ধি পাব। দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান বাঢ়িব। তেওঁলোকে এই বুলি যুক্তি দৰ্শায় যে আৰ্থিক ব্যৱস্থাটোৰ সংস্কাৰৰ ফলত দেশীয় অৰ্থনীতিলৈ বহিঃ মূলধনৰ প্ৰবেশ ঘটিব আৰু ইয়াৰ ফলত দেশৰ উৎপাদন বৃদ্ধিত সহায় হব। ৰপ্তানি বৃদ্ধিৰ লগে লগে ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ বৈদেশীক মুদ্ৰাৰ আগমন ঘটিব যিয়ে দেশীয় বাজেটীয় ঘাটি নোহোৱা কৰিব। ইয়াৰ বিপৰীতে আন এচামৰ মতে এই নতুন অৰ্থনৈতিক আঁচনিয়ে ৰাষ্ট্ৰৰ শ্ৰীবৃদ্ধি কৰাতকৈ ৰাষ্ট্ৰৰ অৰ্থনৈতিক কাঠামো ভাঙি পেলায়। এওঁলোকে মত পোষন





কৰে যে এনে আঁচনিয়ে ৰাষ্ট্ৰৰ সম্পদৰাজিক বহিঃ ৰাষ্ট্ৰক লুণ্ঠন কৰিবলৈ সুবিধা কৰি দিব । বহুজাতিক নিগম বোৰক দেশীয় বাণিজ্যত অংশ গ্ৰহণ কৰিবলৈ সুবিধা কৰি দিলে ৰাষ্ট্ৰীয় উদ্যোগ বোৰে প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰিব। ফলস্বৰূপে দেশীয় অৰ্থনৈতিক গাঁঠনিটো ভাঙি পৰিব। ৰাষ্ট্ৰৰ আত্মনিৰ্ভৰশীল অৱস্থাৰ অবনতি ঘটিব আৰু ইয়েই অৱশেষত অৰ্থনৈতিক পৰাধীনতাৰ অবস্থা এটা সৃষ্টি কৰিবগৈ। ইয়াৰোপৰি এওঁলোকে অভিযোগ কৰে যে, নতুন অৰ্থনৈতিক আঁচনিখনৰ নেপথ্যত আছে চুক্তিৰ প্ৰভাৱ।

এনেধৰনৰ বিতৰ্কলৈ আমি এতিয়াই নগৈ নতুন অৰ্থনৈতিক আঁচনিখনৰ প্ৰবৰ্ত্তনৰ পিছত দেশীয় অৰ্থনৈতিক অবস্থাৰ খতিয়ান ললে আলোচনাত কিছু সহায়ক হব।

নতুন অৰ্থনৈতিক আঁচনিখন গ্ৰহণ কৰা প্ৰায় ৬ বছৰোৰ অধিক হলহি। আঁচনিখন গ্ৰহণ কৰাৰ প্ৰথম দুটা বছৰত দেশৰ গড় বৃদ্ধিৰ হাৰতকৈ পিছ পৰি আছিল। ৩য় বছৰটোত অৱশ্যে ইয়াৰ উন্নতি ঘটে। বিনিয়োগৰ ক্ষেত্ৰত যথেষ্ট উন্নতি দেখা যায় বিশেষকৈ বহিঃ মূলধনৰ বিনিয়োগৰ ক্ষেত্ৰত। সেইদৰে ৰপ্তানীৰো কিছু বৃদ্ধি হোৱাত বৈদেশীক মুদ্ৰাৰ পৰিমান কিছু বৃদ্ধি হৈছে। দেশখনৰ অৰ্থনৈতিত বাণিজ্যিক প্ৰতিযোগিতাৰ আৱহাওৱাৰ সৃষ্টি হৈছে। এই আঁচনিখনৰ প্ৰভাৱ ৮ ম পঞ্চবাৰ্ষিক পৰিকল্পনাত সুস্পষ্ট। ১৯৮০ চনৰ পৰা ১৯৯১ চনত জাতীয় আয় আছিল ৫.৬৩ বছৰি। অৰ্থাৎ এইখিনি আছিল আঁচনি গ্ৰহণ কৰাৰ আগৰ সময়চোৱাত। এই বৃদ্ধিৰ হাৰ কমি আহিছিল ১৯৯১ চনত বছৰি ০.৯ কৈ। আকৌ ইয়াৰ বৃদ্ধি হৈছিল বছৰি ৪.৩ কৈ ১৯৯২-৯৩ চনত। এতিয়ালৈকে এই বৃদ্ধিৰ হাৰ ৮ ম পৰিকল্পনাত আগতীয়াকৈ কৰি যোৱা লক্ষ্যতকৈ কম। খণ্ড সমূহৰ উন্নতিৰ বিশ্লেষণ কৰিলে দেখা যায় যে নতুন অৰ্থনৈতিক আঁচনি গ্ৰহণ কৰাৰ আগতে অৰ্থাৎ ১৯৮০ চনৰ পৰা ১৯৯১ চনলৈ মেনুফেকচাৰীং গোটসমূহৰ অৱস্থা উন্নত আছিল। কিন্তু আৰ্থিক সংস্কাৰৰ পিছত ইয়াৰ অৱস্থাৰ উন্নতি ঘটা নাই। আশীৰ দশকত গড় হিচাবে বৃদ্ধিৰ হাৰ আছিল ৭.৬ কিন্তু ১৯৯৫-৯৬ চনলৈকে ইয়াৰ গড় হৈছে ৫.১ খণ্ড সমূহৰ ভিতৰত অৰ্থনৈতিক সংস্কাৰৰ পিছত দূৰসংযোগ খণ্ড আৰু বৃত্তীয় খণ্ডৰ উন্নতি স্পষ্টকৈ ঘটিছে।

ৰপ্তানী খণ্ডৰ হাৰ অৰ্থনৈতিক সংস্কাৰৰ পিছত ১৯৮৫ চনৰ পৰা ১৯৯১ চনৰ তুলনাত কম হোৱা দেখা যায়, কিন্তু ১৯৯৪-৯৫ চনত এই ১৮ লৈ বৃদ্ধি পায়। এই বৃদ্ধিৰ হাৰ যদি পিছৰ কেইবাটৱে বছৰলৈ থাকে তেনেহলে আমদানীয় হাৰতকৈ অধিক হোৱাৰ সম্ভাৱনা, থাকিব আৰু ইয়াৰ ফলত দেশৰ ঋনৰ বোজা কিছু পাতলিব বুলি ধাৰণা কৰিব পাৰি।

এই ক্ষুদ্ৰ পৰিসৰৰ ভিতৰত নতুন অৰ্থনৈতিক আঁচনিৰ সকলো দিশ সামৰি আলোচনা কৰা সম্ভৱ নহয়, মাত্ৰ কেইটিমান দিশৰ ওপৰতহে আলোকপাত কৰা হল।

নতুন অৰ্থনৈতিক আঁচনিখনৰ ৰূপায়নত দেখা দিয়া সমস্যা কেইটিমানৰ ওপৰত আলোকপাত নকৰিলে গোটেই আলোচনাখিনিয়েই বিফল হব।

নতুন অৰ্থনৈতিক আঁচনিখন যিহেতু গেট চুক্তিৰ অবলম্বনত তৈয়াৰ কৰা হৈছে ই কিছুমান নেতিবাচক দিশ ভাৰতীয় অৰ্থনীতিলৈ কঢ়িয়াই আনিছে।

বৌদ্ধিক পেটেণ্ট ব্যৱস্থাটো ভাৰতবৰ্ষৰ অনুকূলে নাযায। যদিও বজাৰ অৰ্থনীতিৰ প্ৰৱক্তা সকলে এই কথা কৰ খোজে যে পেটেণ্ট প্ৰদানে উৎপাদন কুশলতা বৃদ্ধি কৰে। আচলতে কটকটীয়া পেটেণ্ট ব্যৱস্থাই কল্যাণৰ দিশটোক আঘাট হানিছে। বানিজ্য সংক্ৰান্ত বিনিয়োগ ব্যৱস্থাৰ দ্বাৰা বৈদেশীক বিনিয়োগৰ

ওপৰত নিয়ন্ত্ৰন আৰোপ কৰি দেশীয় উদ্যোগিক ৰক্ষনাবেক্ষন দিয়া। কিন্তু সম্প্ৰতি গাঠনিগত সংস্কাৰ সাধনৰ ফলত এই ব্যৱস্থাৰ শিথিল হোৱাত থলুৱা উদ্যোগৰ ক্ষতি হব। এটা উদাহৰণ দিলে কথাটো স্পষ্ট হব। ভাৰতবৰ্ষত প্ৰায় ৭০ বছৰীয়া TOMCO বোলা TATA গ্ৰুপৰ উদ্যোগ এটা প্ৰতিযোগিতাত সেওমানি Hindustan Lever বোলা কোম্পানীটো প্ৰোকটাৰ এণ্ড গেম্বল বোলা বহুজাতিক নিগমৰ সহযোগী হৈছে।

কৃষিৰ ক্ষেত্ৰত কৰা সংস্কাৰ নীতিয়ে ভাৰতীয় অৰ্থনীতিত কিছুমান সমস্যাৰ সৃষ্টি কৰিব। গেট চুক্তিৰ যোগেদি কৃষিজাত দ্ৰব্য উৎপাদন, বিতৰণ আৰু ৰপ্তানীৰ ক্ষেত্ৰত থকা ৰাজসাহৰ্য্য কমাবলৈ হেচাঁ দিয়া হৈছে। আমদানীৰ ওপৰত লগোৱা শুল্ক হ্ৰাস কৰিব বিচৰা হৈছে। এটা বিশেষ পৰিমানৰ কৃষিপন্য আমদানী বাধ্যতামূলক কৰা হৈছে ইয়াৰ ফলত খেতিয়ক সকল বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হব। গাঠনিগত সংস্কাৰৰ নামত কৃষি বিশ্বব্যাপীকৰণৰ যি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে তাৰফলত ঘানা, চিনি, পেৰু, নাইজেৰীয়া, মেক্সিকো আদি দেশৰ কৃষিপন্য ৰপ্তনী বাঢ়ি গৈছে। ক্ষুধাতুৰ মানুহৰ সংখ্যা বঢ়াত পুষ্টিহীনতা বাঢ়িছে। আনকি বিশ্ববেঙ্কৰ এটা সমীক্ষা মতে ২০০০ চনত আমাৰ দেশত এতিয়াতকৈ ৫.৬% বেছি লোক অনাহাৰত দিন কটাব।

ভাৰতৰ নতুন অৰ্থনৈতিক আঁচনিৰ ৰূপায়নত দেখা দিয়া সমস্যা ৰাজিৰ সকলো দিশ সামৰি এই চমু আলোচনা সম্ভৱ নহয় মাত্ৰ কেইটিমান দিশতহে আলোচনা কৰা হ'ল।

প্ৰত্যেকখন দেশে নিজে নিজৰ উন্নতিৰ আঁচনি তৈয়াৰ কৰি লব লাগিব। উদাৰকৰন নীতিয়েই উন্নতিৰ শেষ কথা হব নোৱাৰে। উন্নতি শব্দটোৰ অৰ্থ কেৱল অৰ্থনৈতিক শ্ৰী বৃদ্ধিৰ সূত্ৰ হোৱাটো অনুচিত। উন্নতি শব্দটোৰ অৰ্থ নাই কিয়া হৈ যাব যদি ই সমতা আৰু সামাজিক ন্যায় আৰু কল্যানৰ দিশটোক গুৰুত্ব দিয়া নহয়। কিন্তু দুখৰ বিষয় ভাৰতবৰ্ষত অৰ্থনৈতিক উদাৰকৰণ নীতিয়ে জন-সাধাৰণৰ এনে দিশত গুৰুত্ব আৰোপ কৰা নাই। ভাৰতৰ নতুন অৰ্থনৈতিক আঁচনিয়ে গাঁঠনিগত সংস্কাৰৰ লগতে সামাজিক উন্নয়নৰ লক্ষ্য সমূহক সামৰি লোৱা উচিত। তেতিয়াহে নতুন অৰ্থনৈতিক আঁচনিৰ ৰূপায়নে ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি ঘটাব।

(প্ৰবন্ধটি আকাশবানী গুৱাহাটীৰ দ্বাৰা প্ৰচাৰিত হৈছিল)

> পৃথিৱীত মানুহৰ বাবে আটাইতকৈ সহজ কামটো হ'ল আনক সমালোচনা কৰা আৰু আটাইতকৈ কঠিন কামটো হ'ল নিজে সংশোধন হোৱা।
>
> হেম বৰুৱা





# পুঁথি আৰু প্ৰাসঙ্গিকতা

**শ্ৰী জীবেন্দ্ৰ মোহন দেৱশৰ্মা**, (এম.এ.বি লিব, এছ, চি.)
গ্ৰন্থাগাৰিক
খাৰুপেটীয়া মহাবিদ্যালয়।

মানুহ জ্ঞান পিপাসু জীৱ। অৰ্থাৎ কিবা এটা জনাৰ প্ৰতি, নতুন কিবা এটা শিকাৰ বাবে এটা কৌতুহলী মনৰ অধিকাৰী এই জীৱশ্ৰেষ্ঠ মানৱ। এয়া মানুহৰ সহজাত প্ৰবৃত্তি। এই স্বভাৱসিদ্ধ জিজ্ঞাসা (Inquisitiveness) ই মানুহ নামৰ প্ৰজাতি টোক ক্ৰমে ভাষ-সভ্যতা সংস্কৃতিৰ চালুকীয়া অবস্থাৰ পৰা আজিৰ জ্ঞান-বিজ্ঞানেৰে চহকী আধুনিকতাৰ ফালে গতি কৰাইছে। এই জিজ্ঞাসাই মানুহক নতুন সম্ভোদেৰে ন-সৃষ্টিৰ বাটে আগুৱাই নিছে। আজিৰ মানুহৰ সু-সংস্কৃত (well cultured) অবস্থা আৰু প্ৰযুক্তিৰ বিভিন্ন উন্নতিৰ গুৰিতেই হ'ল 'জিজ্ঞাসা'।

মানুহৰ ভাষাৰ প্ৰচলনৰ পিছত সমাজৰ লৌকিক আচাৰ-বিচাৰ, ধৰ্মীয় কাহিনী, ধৰ্মৰ বাণী, স্তোত্ৰ আদি পৰম্পৰাগতভাৱে মুখে মুখে চলি আহিছিল। ধৰ্মীয় গুৰু বা যাজক সকলে তেওঁলোকৰ নিজগৃহত বা ধৰ্মীয় অনুষ্ঠান সমূহত ধৰ্মৰ স্তোত্ৰ-পদ আদিৰ গূঢ়াৰ্থবোৰ সাধাৰণ মানুহক বুজাই দিছিল। এই ধৰ্মীয় অনুষ্ঠান সমূহেই আছিল মানুহৰ অনানুষ্ঠানিক পঢ়াশালি, জ্ঞান-প্ৰজ্ঞান বিনিময় তথা বিকাশৰ কেন্দ্ৰ। কালক্ৰমত বিজ্ঞানৰ অভূত পূৰ্ব অৱদান ছপাযন্ত্ৰৰ আবিষ্কাৰৰ ফলত মৌখিক ভাবে চলি অহা ধৰ্মীয় কাহিনী, ধৰ্মৰ বানী, অলৌকিক কাহিনী, সামাজিক ৰীতি-নীতিকে ধৰি সমাজৰ প্ৰতিটো দিশৰ ক্ৰমে আলোকপাত হ'ল ছপা আখৰত। ইমানদিনে সুসংৰক্ষিত অৱস্থাত থকা হাতে লিখা পুথিৰ বন্দীত্বৰ শিকলি খোলা খাই গ'ল। ঘৰে ঘৰে মানুহে কিতাপ পঢ়িব পৰাৰ সুবিধা হ'ল। লিখিত সাহিত্যই হিলদ'ল ভাঙি প্লাৱন আনিলে ন- ন জ্ঞানেৰে সুশোভিত ৰম্যৰচনাৰ। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ চহকী সাহিত্যৰ সকলোৰে সোৱাদ লব পৰা হ'ল। কিতাপৰ পাত লুটিয়াই আজি সমস্ত পৃথিৱীৰ খবৰ লব পৰা হ'ল। আমি আজি ভাগ্যবান এই কাৰনেই যে, বিনাকষ্টে ঘৰতে বহি পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্য কৃতীৰ পোনপতীয়াকৈ ৰসাস্বাদন কৰিব পৰা হলো। আমি আকৌ ভাগ্যবান এই কাৰনেই যে ভাৰতবৰ্ষত ইতিমধ্যে পুথিভঁৰাল আন্দোলনে গা কৰি উঠিছে। ফলত অসমতো তাৰ প্ৰাদুৰ্ভাৱ লক্ষনীয়। এই পুথিভঁৰাল আন্দোলনৰ প্ৰভাবতেই চহৰে-নগৰে চুকে কোনে কেতবোৰ ৰাজহুৱা পুথিভঁৰল স্থাপিত হৈছে। আজিকালি প্ৰতিটো ঘাই অনুষ্ঠানে (Parent Organization) ৰে সংশ্লিষ্ট হৈ থকা দেখাযায় একোটাকৈ পুথিভঁৰাল।

আটাইতকৈ সুখৰ কথা এয়ে যে আমাৰ দৰে অনগ্ৰসৰতাৰ গ্ৰাসত থকা জনসাধাৰণে এই পুথিভঁৰাল সমূহলৈ গৈ বিনামূল্যে বিনাকষ্টে পুথি অধ্যয়ন কৰি ফলপ্ৰসূ হব পাৰে। প্ৰতিখন মূল্যবান পুথি ক্ৰয় কৰি

অধ্যয়ন কৰাতো সকলোৰে বাবে সম্ভৱপৰ নহয়। গতিকে প্ৰকৃত জ্ঞান অৰ্জনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে এই পুথিভঁৰাল সমূহৰ পৰা বিভিন্ন ধৰনৰ পুথি বিনামূল্যে পঢ়াৰ সুবিধাকন আদায় কৰি লব লাগে। পাঠ্যপুথিৰ উপৰিও বিভিন্ন বিষয়ক বাহিৰা পুথিৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ পৰিমণ্ডল বঢ়োৱাত নিশ্চয় সহায়ক হব। অধ্যয়নৰ এক বিশাল ক্ষেত্ৰ তথা অধ্যয়নৰ এক সুবিমল পৰিবেশ ৰচনাত পুথিভঁৰাল অগ্ৰণী ভূমিকা অনস্বীকাৰ্য। মুঠতে এয়া জ্ঞান বিস্ফোৰণৰ যুগ। কলেজীয়া জীৱনতে ছাত্ৰ-ছাত্ৰীসকলে পুথি অধ্যয়নৰ দ্বাৰা যিমানপাৰি জ্ঞানৰ পৰিসৰ বঢ়াই লব লাগে। এয়া প্ৰতিযোগিতাৰ যুগ। সেয়ে ছাত্ৰ-ছত্ৰীসকলে প্ৰতিযোগী (Competitive) মনোভঙ্গীৰে অধ্যয়নত ৰত হব লাগে।

কিতাপ বুলিলে আমি ছপা আৰু প্ৰকাশিত (Printed & Published Material) বস্তুক বুজো। কিতাপত তথ্য খবৰ বা information সন্নিবিষ্ট হৈ থাকে। Information দুই প্ৰকাৰ Direct আৰু Indirect মূল বিষয় সন্নিবিষ্ট হৈ থকা গ্ৰন্থক আকৰ গ্ৰন্থ (Primary Source of information বা Origin Book) বুলি কোৱা হয় আৰু যি গ্ৰন্থত মূল বিষয় সম্পৰ্কে আওপকীয়া আলোচনা সন্নিবিষ্ট হৈ থাকে সেয়া হ'ল আনুষঙ্গিক প্ৰসঙ্গ পুথি (Secondary Source of information; Reference Books, Notes আদি)। প্ৰথম বিধ information Direct information আৰু ইয়াত উল্লেখিত দ্বিতীয়বিধ information Indirect Information ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে মূল বিষয়ৰ পুথি খৰচি মাৰি অধ্যয়ন কৰিহে আনুসঙ্গিক প্ৰসঙ্গ পুথিৰ অধ্যয়ন কৰিব লাগে। নহলে পোনে পোনে আনুসঙ্গিক প্ৰসঙ্গ পুথি অধ্যয়নৰ ফলত বহুতে মূল বিষয় নুবুজাকৈ থকা দেখা যায়। মূলবিষয়ৰ সম্যক জ্ঞান আহৰনৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত সুফল পাব পাৰে। পাঠ্য পুঠিৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলে কলেজীয়া জীৱনতে বাহিৰাপুথি, আলোচনী আদি পঢ়াৰ এটা সু-অভ্যাস গঢ়ি তুলিব লাগে। "ছাত্ৰ জীৱনতেই যদি কিছু পৰিমানে পুথি অধ্যয়ন কৰি লব নোৱাৰি তেন্তে পিছৰ জীৱনত আৰু কিতাপ পঢ়াৰ অৱকাশ নাথাকে" বুলি বহুতে আক্ষেপ কৰা শুনা যায়। কিয়নো ছাত্ৰ জীৱনৰ পিছত সাংসাৰিক, সামাজিক নানা দায়িত্ব-আহুকাল, পাৰিবেশিক নানা সমস্যাই এটা জীৱনক ক্ৰমে আৱৰি আনে। আকৌ ছাত্ৰ অৱস্থাতে পঢ়াৰ অভ্যাস নগঢ়িলে পিছলৈ হঠাৎ এই অভ্যাস গঢ়াতো এটা জটিল কথা। সেয়েহে ছাত্ৰ জীৱনৰ পৰাই এই সু অভ্যাসটো গঢ় দিবলৈ অহোপুৰুষাৰ্থ কৰাতো বাঞ্ছনীয়। জ্ঞান আহৰনৰ বাবে ছাত্ৰ জীৱনেই প্ৰশস্ত সময়। অধ্যয়নশীলতাই এজন মানুহক প্ৰকৃত মানুহলৈ উত্তৰন কৰায়। এই অধ্যয়ন শীলতাই মানুহক এটা অচঞ্চল ব্যক্তিত্ব প্ৰদান কৰে। এখন কিতাপ হ'ল এজন লিখকৰ সমগ্ৰ জীৱনৰ ঘাট-প্ৰতিঘাটৰ, কেতবোৰ সমষ্টিগত অভিজ্ঞান স্ফুৰণ। গতিকে এখন কিতাপ অধ্যয়নৰ দ্বাৰা একো একোজন লিখকৰ গোটেই জীৱনটোৰ কষ্টসাধ্য সঞ্চিত অভিজ্ঞতাখিনিক আমি কম সময়ৰ ভিতৰতেই বিনাশ্ৰমে আয়ত্ব কৰি উপকৃত হব পাৰো। গতিকে অধ্যয়নশীলতাক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে গঢ় দিয়াতো নিতান্তই প্ৰয়োজন।

আজিৰ ৰাজনৈতিক অস্থিৰতা, উগ্ৰপন্থী সন্ত্ৰাস হত্যা লুণ্ঠন আদি পৰিস্থিতিয়ে দেশৰ পাৰিবেশিক পৰিকাঠামোক জোকাৰি গৈছে। তাৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক সাংস্কৃতিক মনবোৰো বিকল হৈ পৰিছে। সয়মত এটা সুস্থ পৰিবেশৰ অভাৱত অধ্যয়নৰত ছাত্ৰও থমকি ৰব লগা হৈছে। এনে এটা বিনষ্ট পৰিবেশৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক অধ্যয়ন বিমুখীতাই গা কৰি উঠিছে। অধ্যয়ন বিমুখীতাও এক কৰাল গ্ৰাসী মহামাৰী স্বৰূপ। ছাত্ৰ সকলে তাৰ বিপৰীতে মাৰ বান্ধি থিয় হৈ দেশত এক সুস্থ শৈক্ষিক-সাংস্কৃতিক পৰিবেশ পুনৰ স্থাপন কৰাত অগ্ৰসৰ হব লাগিব। কেবল ছাত্ৰই নহয়, শিক্ষক আৰু অভিভাৱক সকলেও তাত পূৰ্ণসহযোগিতা আগবঢ়োৱাতো বাঞ্ছনীয়। তেহে এটা বাতৃত্ববোধৰ ভাব





আৰু এটা অনুকূল পৰিবেশেৰে দেশলৈ প্ৰকৃত শান্তি ঘূৰি আহিব।

আজি যোগাযোগ প্ৰযুক্তিবিদ্যা (Communication Technology) ৰ অভূত পূৰ্ব সাফল্যৰ চিন স্বৰূপে আমাৰ মাজলৈ এক অভিনৱ communication Media আহিল সি হ'ল কম্পিউটাৰ। এতিয়া উন্নত দেশ সমূহত ঘৰে ঘৰে কম্পিউটাৰৰ জৰিয়তে অত্যাধুনিক জীৱনৰ প্ৰতিটো কামেই সম্ভৱ হৈ উঠিছে। E-mail ৰ জৰিয়তে বা INTER NET ৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইৰ পৰা মুহূৰ্ত্তৰ ভিতৰতে লিখত আকাৰত (Letter type) খবৰ পাব বা পঠাব পাৰি। আমাৰ ইয়াতে কম্পিউটাৰৰ বুটাম টিপি আমেৰিকা বা পৃথিৱীৰ যিকোনো দেশৰ দৈনিক খবৰ কাগজ পঢ়িব পাৰি; যিমান বৃহৎ কলেবৰৰ কিতাপেই নহওক তেনেকুৱা কোটি কোটি কিতাপ কম্পিউটাৰৰ Flopy ত সংৰক্ষন কৰি থব পাৰি, তাক আকৌ কম্পিউটাৰতেই পঢ়িব পাৰি। পৃথিৱীৰ যিকোনো বৃহৎ আকাৰৰ পুথিভঁৰালৰ লগত কম্পিউটাৰেৰে যোগাযোগ কৰি information collect কৰিব পাৰি। computer Flopy ত এতিয়া বৃহৎকায় পুথিভঁৰাল এটাৰ সমগ্ৰ সংৰক্ষন (collection) সুমুৱাই থব পাৰি। মুঠতে এটা বৃহৎ লাইব্ৰেৰীৰ এটা VIP BOX ত লৈ ফুৰাব পৰা হল।

কম্পিউটাৰৰ বহুল জনপ্ৰিয়তাৰ বাবে এচাম পণ্ডিত-বিজ্ঞানী শিক্ষাবিদে সন্দেহ প্ৰকাশ কৰিছে যে যিহেতু এতিয়া কিতাপ পত্ৰ কম্পিউটাৰতেই সংৰক্ষণ কৰি কম্পিউটাৰতেই পঢ়িব পৰা হ'ল, তেন্তে অদূৰ ভৱিষ্যতে এখন "ছপা আখৰ বিহীন সমাজ" (Paperless Society) ৰ আবিৰ্ভাব হবগৈ নেকি? কিন্তু সেয়া ভাৰতবৰ্ষৰ দৰে অনুন্নত আৰু অনগ্ৰসৰ দেশত সম্ভৱ নহয়। তাৰোপৰি সমগ্ৰ বিশ্বতে কিতাপ এতিয়াও 'অমূল্য সম্পদ' হৈয়ে আছে। এইখিনিতে উল্লেখনীয় যে কম্পিউটাৰৰ ব্যৱহাৰে আজিৰ ৰাজহুৱা পুথিভঁৰাল সমূহক অন্য এক মাত্ৰা প্ৰদান কৰিছে। কম্পিউটাৰকে ধৰি communication Media ৰ অত্যাধুনিক অগ্ৰগতিয়ে যি গোলকী কৰণ (Globalization) প্ৰক্ৰিয়া আৰম্ভ কৰিছে তাৰ দ্বাৰা এতিয়া পৃথিৱী এখন সৰু গাওঁ হ'ল। ভাৰতবৰ্ষৰ দৰে অনুন্নত আৰু দুখীয়া দেশৰ বুকুৰ পৰা মূল্যবান কিতাপৰ সমাদৰ কমি যোৱা নাই। ভৱিষ্যতে কিছু কমিলেও তাৰ সমাদৰ বা প্ৰয়োজন নিঃ সেষ হৈ নাযায়। জ্ঞান আহৰনৰ বাবে আজিলৈকে যিমানবোৰ Media ৰ উদ্ভাৱন হ'ল, এইবোৰৰ কোনোটোৱেই কিতাপৰ জনপ্ৰিয়তাক ম্লান কৰিব পৰা নাই। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি; এখন কিতাপ পঢ়াৰ সময়ত পুঢ়ুৱৈ, পুথি আৰু লিখকৰ মাজত যি নেদেখা আত্মীয়তা গঢ়ি উঠে তাক অনুভৱহে কৰিব পাৰি ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। মুঠতে, এখন ভাল কিতাপ পাঠকৰ এজন প্ৰকৃত বন্ধুৰ দৰে। সেয়েহে, ইংৰাজীতে এষাৰ আপ্ত বাক্যৰ প্ৰচলন আছে — " Human friends deceive but book friends never."



# মোৰ দৃষ্টিত, “২০০১ চনৰ ভাৰতবৰ্ষ”

*মহঃ লুৎফুৰ ৰহমান*
টিউটৰ, শিক্ষা বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়।

বৰ্ত্তমান বিশ্বৰ উন্নয়নশীল দেশ সমুহৰ ভিতৰত ভাৰতৰ স্থান অন্যতম। ভাৰত উপমহাদেশ খনে স্বাধীনতা লাভ কৰাৰ পিছত প্ৰায় সকলো ক্ষেত্ৰতে দ্ৰুতগতিত অগ্ৰগতি লাভ কৰা দেখা যায়। যেনে বিজ্ঞান, প্ৰযুক্তি বিদ্যা, কৃষি, নগৰীকৰণ ইত্যাদি। অহা এক বিংশ শতাব্দীৰ চিত্ৰটো ইমানে বিচিত্ৰ হব যে তাক সহজে অংকন কৰা সম্ভৱ নহয়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ লগতে মানুহৰ দ্ৰুত পৰিবৰ্ত্তনৰ প্ৰতি লক্ষ্য কৰি ভাৰতবৰ্ষ অহা শতিকাত কেনে হব ভবিষ্যতবাণী কৰাটো সম্ভৱ নহয়। যদিও ভাৰত বৰ্ষই খোজে প্ৰতি উন্নতিৰ পথত আগুৱাই গৈ আছে তথাপি চাওঁচোন বাৰু ২০০১ চনটোত ভাৰত বৰ্ষই কি ৰূপ লয়।

বৰ্ত্তমান ভাৰতবৰ্ষই এক জটিল সমস্যা জৰ্জৰিত অৱস্থাৰ মাজেৰে পাৰহৈ আহিছে। উদা হৰণ স্বৰূপে ৰাজনৈতিক সমস্যা, সাম্প্ৰদায়িক সমস্যা, আঞ্চলিকতাবাদ ইত্যাদি। যোৱা কিছুদিনৰ ভিতৰত দুবাৰকৈ মধ্যবৰ্ত্তী নিৰ্ব্বাচনৰ পিছতো ভাৰতত এখন স্থায়ী চৰকাৰ আশা কৰিব পৰা নাই। অদুৰ ভবিষ্যতেও যে এখন স্থায়ী চৰকাৰ পোৱা যাব তাৰ উত্তৰ সময়েহে দিব পাৰিব।

সাম্প্ৰদায়িক সমস্যাই ভাৰতৰ বিভিন্ন অংশত বিভিন্ন সয়মত নানা বিভিষিকাৰ সৃষ্টি কৰা দেখা গৈছিল যেনে — অসম, পঞ্জাৱ, উত্তৰ প্ৰদেশ আদি। পঞ্জাৱৰ সমস্যাটো অৱশ্যে সমাধান হৈছে। কিছুমান মহানগৰ যিবোৰত অবাঞ্চিত ধৰ্মীয় সংঘাত হৈ থকা দেখা যায় উদাহৰণ হিচাপে আলিগড় মেৰুট, লক্ষ্ণৌ, কানপুৰ আদি। ৰাম জন্মভুমি বাবৰি মছজিদ এতিয়াও এটা জলন্ত সমস্যা যাৰ ওপৰত ভাৰতৰ ৰাজনীতি বহুলাংশে নিৰ্ভৰ কৰিছে। ১৯৯২ চনৰ অযোধ্যাৰ সেই কলঙ্কিত ঘটনা য'ত শত শত লোকে প্ৰাণ হেৰুৱাইছে তাক কোনে পাহৰিব পাৰিব? মোৰ দৃষ্টিত ২০০১ চনৰ ভাৰতবৰ্ষত আঞ্চলিকতা বাদ আৰু সাম্প্ৰদায়িকতা বাদৰ স্থান নাথাকিব। মানুহৰ চিন্তাধাৰা হব যুক্তিপূৰ্ণ আৰু পৰিপক্ক সকলোৱে প্ৰতিটো ধৰ্মক সমান সন্মান দিবলৈ শিকিব। ভাতৃত্ব ভাব ২০০১ চনৰ এক উল্লেখযোগ্য বৈশিষ্ট হব। প্ৰত্যেজন নাগৰিকে জাতি, ধৰ্ম, ভাষা, বৰ্ণ, সম্প্ৰদায়, অঞ্চল নিৰ্বিশেষে সকলো অধিকাৰ উপভোগ কৰিব পাৰিব।

কিন্তু দুৰ্ভাগ্যবশতঃ ভাৰতৰ ৰাজনীতিৰ চকা ধৰ্মৰ ওপৰতহে চলে। এই ধৰ্ম কেন্দ্ৰীক ৰাজনীতি ভাৰতৰ ভবিষ্যতৰ বাবে ভয়ংকৰ হব পাৰে। নিশ্চয় ধৰ্ম আৰু ৰাজনীতি এটা মুদ্ৰাৰ দুটা পিঠি। কিন্তু সেই বুলি ইয়াৰ অপ প্ৰয়োগ কৰিব নালাগে।





এক বিংশ শতিকাৰ ভাৰতবৰ্ষত অজাতি (untouchable) নামৰ আভিশাপ টো নাথাকিব। প্ৰতিটো কোনত শান্তি আৰু স্থিৰতাৰ পৰিবেশে প্ৰাধান্য পাব। অহা শতিকাত যদিও আমি এক শ্ৰেণীহীন সমাজৰ আশা কৰিব নোৱাৰো কিন্তু ধনী দুখীয়াৰ মাজৰ প্ৰভেদ কমিব। জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৱে ন্যূনতম প্ৰয়োজন যেনে — অন্ন-বস্ত্ৰ, বাসস্থান এই খিনি পাব। প্ৰত্যেক খন গাঁৱতে বিদ্যুত, খোৱা-পানী, ৰাস্তা, বিদ্যালয় আদি থাকিব। মানুহবোৰে সৰু পৰিয়ালৰ সুবিধাৰ বিষয়ে অৱগত হব আৰু পৰিয়াল পৰিকল্পনাত যথেষ্ট গুৰুত্ব দিব। নিবনুৱা সমস্যা নাথাকিব য'ত শিক্ষা কৰ্ম কেন্দ্ৰীক হব। ছাত্ৰই শিক্ষা শেষ কৰি আজিৰ দৰে হাহাঁকাৰ কৰিব লগীয়া নহয়। শ্ৰমিক আৰু নিয়োগ কৰ্ত্তাৰ মাজত এক সুমধুৰ সম্পৰ্ক হব। উদ্যোগ বোৰত কোনো ধৰনৰ আন্দোলন বা ঘেৰাও নাথাকিব।

আমাৰ প্ৰতিৰক্ষা ব্যৱস্থাই বৰ্ত্তমান বিশ্বৰ এক আলোড়নৰ সৃষ্টি কৰিছে। নিউক্লিয়াৰ আৰু মহাকাশ বিদ্যাত ভাৰতৰ স্থান বিশ্বৰ দৰবাৰত উল্লেখনীয় হব। আমাৰ বিজ্ঞানৰ গৱেষনাৰ বাবে থকা গৱেষনাগাৰ বোৰে এক নিশ্চিত উন্নতি লাভ কৰিব। যাৰ ফলত ভাৰতৰ উদ্যোগ ব্যৱস্থাৰ ওপৰত এক সূদূৰ প্ৰসাৰী প্ৰভাব পৰিব। বিশ্বৰ বৃহৎ ঔদ্যোগীক ৰাষ্ট্ৰৰ ভিতৰত ভাৰতবৰ্ষ এখন উল্লেখযোগ্য ৰাষ্ট্ৰ হব আৰু ৰাষ্ট্ৰ সংঘৰ নিৰাপত্তা পৰিষদৰ এক স্থায়ী সদস্য পদ লাভ কৰিব। ভাৰতেই বিশ্বত শান্তি আৰু প্ৰগতি ঘূৰাই অনাত আগভাগ লব। চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ লগতো আমাৰ সম্পৰ্ক ভাল হব। আমি আশাবাদী যে আমাৰ জাতীয় অৰ্থনীতিয়ে অহা শতিকাত এক নিশ্চিত পৰিবৰ্ত্তন আনিব। উদ্যোগ আৰু কৃষিৰ ওপৰত সমানে গুৰুত্ব দিয়া হব। ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডৰ মাজত ভাৰসাম্যতা পৰিলক্ষিত হব। পঞ্চ-বাৰ্ষিক পৰিকল্পনা সমুহৰ সফল ৰূপায়নৰ বাবে সামাজিক মূল্যবোধে ভাৰতীয়ৰ মনত স্থায়ী সাঁচ বহুৱাব। ভাৰতবৰ্ষ আত্ম নিৰ্ভৰশীল হব বিশেষকৈ কৃষি, উদ্যোগ, বিজ্ঞান, প্ৰযুক্তি বিদ্যা ইত্যাদি ক্ষেত্ৰ সমূহত। আৰু উন্নত দেশ সমূহৰ লগত প্ৰতিযোগিতা কৰিব পাৰিব। লগে লগে ভাৰতীয়ৰ জনমূৰী আয় স্থিৰ গতিত বৃদ্ধি পাব।

কৃষিক ভাৰতৰ অৰ্থ ব্যৱস্থাৰ মূল চাবিকাঠি বুলি কোৱা হয়। ভাৰতৰ মুঠ জনসংখ্যা প্ৰায় ৭৫% গাঁৱত বাস কৰে আৰু কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। দুৰ্ভাগ্যক্ৰমে আমাৰ কৃষক সকল দৰিদ্ৰ সীমা ৰেখাৰ তলত জীৱন নিৰ্বাহ কৰে। এইটো আশা কৰিব পাৰি যে, কৃষক সকল দৰিদ্ৰ সীমা ৰেখাৰ প্ৰভাৱৰ পৰা মুক্ত হব আৰু তেওঁলোকৰ উন্নতি হব। খাদ্য শস্য, উৎপাদন বৃদ্ধি পাব। উদাহৰণ হিচাপে ঘেহুঁ আদি শস্য অন্যদেশলৈ ৰপ্তানি কৰিব পৰা হব।

শিক্ষা জাতীয় জীৱনৰ মেৰুদণ্ড। স্বাধীনতাৰ পিছৰ পৰাই শিক্ষাৰ উন্নতিৰ বাবে বহুত ব্যৱস্থা লোৱা হৈছে। বিশেষকৈ গাওঁ অঞ্চলৰ শিক্ষাৰ বাবে। বৰ্ত্তমান ভাৰতৰ গড় হিচাপে শিক্ষিতৰ হাৰ ৫২.১১। এতিয়াও বহুত সংখ্যক গাৱলীয়া জনসাধাৰণ নিৰক্ষৰ। গাওঁ অঞ্চলত শিক্ষিতৰ সংখ্যা বাঢ়িলেহে তেওঁলোকৰ চিন্তাধাৰা বহুল হব আৰু জনসংখ্যা সমস্যাৰ দৰে জলন্ত সমস্যাৰ সমাধান হব। নাৰীশিক্ষাৰ প্ৰসাৰ হলে জন্ম নিয়ন্ত্ৰনৰ প্ৰতি থকা ভূল ধাৰণা নাইকিয়া হব। গাঁৱৰ মহিলা সকলক সৰু পৰিয়ালৰ সুবিধা সমূহ বুজাবৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰেও এই ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা হাতত হৈছে। প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰিছে। ছোৱালি বোৰক মহাবিদ্যালয়ৰ পৰ্য্যায়লৈ বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰাপ্ত বয়স্ক সকলৰ বাবেও নৈশ বিদ্যালয়ৰ ব্যৱস্থা কৰি দিছে। অহা শতিকাত ভাৰতে পূৰ্ণ

স্বাক্ষৰতা পাব। জনসংখ্যা বিস্ফোৰণৰ কোনো সমস্যা নাথাকিব।

গাওঁ বিলাকৰ আধুনিকীকৰণ কৰি ইয়াৰ বাট-পথ বোৰৰ লগত ঘাই পথ বা ৰাষ্ট্ৰীয় পথ সমূহৰ লগত সংযোগ কৰাৰ ব্যৱস্থা লোৱা দেখা যায়। ব্যক্তিগত খণ্ডৰ বেংক সমূহে গাওঁ অঞ্চলত ইয়াৰ শাখা স্থাপন কৰি কৃষক সকলক গৰু, মহ, গাড়ী আদি কিনাত সহায় কৰা দেখা যায়। ইয়াৰ পৰা আশা কৰিব পাৰি যে, ২০০১ চনত খেতিয়ক সকলৰ বৰ্ত্তমান চিত্ৰৰ সম্পূৰ্ণ পৰিবৰ্ত্তন হব। তেতিয়া আৰু গাঁৱৰ মানুহ নগৰ মুখী নহ'ব। গাঁৱতে তেওঁলোক আত্ম-নিৰ্ভৰশীল হব।

চৰকাৰে দৰিদ্ৰতা দূৰ কৰা আৰু নিয়োগ ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ বাবে বিভিন্ন আঁচনি-ৰোজগাৰ যোজনা, প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা ইত্যাদি। এইবোৰে সমাজত ন্যায় প্ৰদান আৰু অৰ্থনৈতিক বিভেদ নাইকীয়া কৰিব।

এই খিনিও আশা কৰিব পাৰি যে আমাৰ দেশৰ ৰাজনীতি বিদ সকলে নতুন শতিকাত এক প্ৰায়োগিক পাঠ লাভ কৰিব। যিকোনো উপায়ে গাদী দখল কৰা ধৰণৰ ৰাজনীতিক জনগনে প্ৰশ্ৰয় নিদিয়ে। দূনীতি, একনায়কত্ববাদৰ বিপৰীতে মাত্ৰ দুটা ভাগত হে ৰাজনৈতিক দল সমূহ ভাগ হব। এটা হব বাওঁপন্থী আৰু আনটো হব সোঁপন্থী। ইয়াত ধন আৰু বাহুবলৰ প্ৰভাৱ নাথাকিব। দুই দলৰ মাজত মূল্যবোধৰহে পাৰ্থক্য থাকিব। লোক সভাত মাত্ৰ ২৭০ খনৰ পৰা ২৮০ খন আসন হে যিকোনো দলে লাভ কৰিব। তেতিয়া চৰকাৰ খনক কাৰো পৈতৃিক সম্পত্তি হিচাপে ব্যৱহাৰ কৰিব পৰা নহব। বৰ্ত্তমানৰ তথাকথিত গনতন্ত্ৰৰ ঠাইত জনপ্ৰতিনিধিত্বৰ এক প্ৰকৃত গণতন্ত্ৰৰ প্ৰচলন হব।

২০০১ চনৰ ভাৰতবৰ্ষ বিগত বছৰবোৰৰ তুলনাত যথেষ্ঠ উজ্বল আৰু আনন্দময় হব। নৈতিক, সামাজিক, শৈক্ষিক আদি মূল্য বোধৰ এক নতুন উন্নত মান ৰচিত হব। আৰু এই মূল্যবোধ সকলোৰে উৰ্দ্ধত থাকিব। ভাৰতবৰ্ষত বিশ্বৰ অন্য দেশতকৈ শান্তি, উৎপাদন, অগ্ৰগতি আদি অধিক পৰিলক্ষিত হব, যিয়ে ভাৰতৰ বাবে সুনাম কঢ়িয়াই আনিব। উচ্চ শিক্ষাৰ বিভিন্ন দিশত উন্নতি হব যাৰ ফলত কৰ্মক্ষেত্ৰত সংখ্যাও বাঢ়িব। জনসংযোগ মাধ্যমৰ উন্নতি যেনে টি, ভি, ৰেডিঅ' আদিয়ে ভাৰতক তৃতীয় বিশ্বৰ দেশ সমূহৰ এক শক্তিশালী দেশ হিচাপে পৰিচয় দিব। আমাৰ এই সপোন বোৰ বাস্তৱ তেতিয়াহে হব যেতিয়া আমি ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰচেষ্টাক একাগ্ৰতাৰে চলাই যাম।

আহক আমি সকলোৰে হাতত হাত মিলাই সৃষ্টি কৰ্ত্তাৰ নামলৈ কাম কৰি যাওঁ যাতে ভাৰতবৰ্ষক শান্তি আৰু উন্নিতিৰ গৃহভূমি হিচপে গঢ় দিব পাৰো। ভাৰত সচাঁ অৰ্থত কল্যান-কামী ৰাষ্ট্ৰ হওঁক।

"তাই মোৰ ফালে গভীৰ প্ৰত্যয়েৰে চাইছিল।"





"তাই তৃপ্তিৰ হাঁহি মুখত লৈ ওলাই গৈছিল।"

"মই অপলক দৃষ্টিৰে তাইক চাইছিলোঁ।"

হেনৰিয়ে তেওঁৰ জীৱনৰ সকলো কাহিনী তাইক বিবৰি কৈছিল। ইহ সংসাৰত আপোন বুলিবলৈ তেওঁৰ আজি আৰু কোনো নাই। এটি অতি দুখীয়া পৰিয়ালত তেওঁৰ জন্ম। মাক দেউতাক আৰু এটি ভণ্টিৰ বাহিৰে পৰিয়াল খনত আন মানুহ নাছিল। পৰিয়ালৰ শোচনীয় অৱস্থাৰ বাবে তেওঁ এদিন সেনা বাহিনীত যোগ দিব লগা হৈছিল। অৱশ্যে এই চাকৰি তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেহে আছিল। হঠাৎ এদিনাখন মহামাৰীত তেওঁৰ বাহিৰে আন তিনিটি প্ৰাণীৰে অকাল মৃৰ্ত্যু হৈছিল। তেওঁৰ নিসংগজীৱনৰ কৰুণ কাহিনী শুনি কেথৰিনে আৰু বেছিকৈ অনুৰক্ত হৈ পৰিছিল হেনৰিৰ প্ৰতি। সহানুভূতিত তাইৰ দুগালেদি চকুলোঁ বৈ আহিছিল তেতিয়া। তেওঁৰ সৈতে পলাই যাবলৈয়ো তাই স্থিৰ কৰিলে। সচাঁকৈয়ে এদিন হস্পিটেলৰ পৰা দুয়ো পলায়ন কৰিলে।

জোনাক নিশা। দুয়ো চুইজাৰলেণ্ডৰ এখনি নৈৰ সিপাৰে থকা পাহাৰখনলৈ পলাই গৈ আত্ম গোপন কৰিব বুলি যাত্ৰা কৰিলে। ইতিমধ্যে পুলিচ বাহিনীয়ে সিহঁতৰ পিছ লৈছিল। সিহঁতে যেতিয়া নৈৰ মাজ ভাগত আহি পাইছিল, ঠিক সেই খিনি সময়ত পুলিচে আহি নৈৰ পাৰ পাইছিল।

"তুমি বঠা নামাৰিবা কেথৰিন। কাৰণ তোমাৰ পেটত আঘাত লাগিব পাৰে।" নাৱঁৰ বঠা মাৰিবলৈ বাধা দি হেনৰিয়ে ক'লে। গৰ্ভাবস্থাৰ বাবে ইতিমধ্যে তাইৰ দেহটো আগতকৈ আৰু অধিক শকত হৈ পৰিছিল। পাহাৰখনত কেইদিনমান থকাৰ পিছত এদিনাখন হঠাৎ কেথৰিনে তাইৰ গৰ্ভত এটি বেদনা অনুভৱ কৰিলে। সেয়া তাইৰ প্ৰসৱ বেদনাহে আছিল। "বেদনাত তাই ছটফটাবলৈ ধৰিলে। লোকালয়ৰ পৰা দূৰৈত থকাৰ বাবে স্বাভাবিকতে এটি নিশ্চিত বিপদৰ সন্মূখীন হব লগা হ'ল সিহঁতে। তাই লৰচৰ কৰিব নোৱাৰি মাটিত বহি পৰিল। উপায় নাপাই হেনৰিয়ে তেওঁৰ প্ৰেয়সীক কোলাত লৈ অগ্ৰসৰ হ'ল।

"আ!" মই আৰু নোৱাৰোঁ হেনৰি, মোক মৰিবলৈ দিয়া।" অসহ্য বেদনাত ৰব নোৱাৰি তাই কেকাই উঠিল।

প্ৰায় দুঘণ্টাৰ বাট অতিক্ৰম কৰাৰ পিছত চুইজাৰ লেণ্ডৰ এখনি সৰু চহৰৰ নাৰ্চিং হোমত তাইক ভৰ্ত্তি কৰোৱা হৈছিল। অপাৰেচন চলা সময়ত তেওঁ অধীৰ হৈ বাহিৰত অপেক্ষা কৰিবলৈ ধৰিলে। ভগবানক প্ৰাৰ্থনা আৰু অনুৰোধ জনাবলৈ ধৰিলে তাইৰ জীৱন ভীক্ষা দিবলৈ। প্ৰায় আঢ়ৈ ঘণ্টা সময় অতিবাহিত হৈ গৈছিল এইদৰে। অপেক্ষাৰ এই ক্ষণবোৰ যমৰ যাতনা যেন লাগিছিল তেওঁৰ! তাইৰ মৃত্যুৰ আশংকাত তেওঁ আৰু অধিক ব্যাকুল হৈ পৰিছিল। তেওঁৰ অন্তৰাত্মাই যেন কৈ উঠিছিল—

"তাই আৰু নাবাচে।" তেওঁ বাৰে বাৰে ভগবানক প্ৰাৰ্থনা জনাইছিল এই বুলি,—

"শিশুটোক লৈ যোৱা, কিন্তু, মোৰ কেথৰিনক থৈ যোৱা ভগৱান।" ভগবানক উদ্দেশ্যি অনুৰোধ কৰি তেওঁ কৈছিল,—

" Don't let her die
Oh, God, Please don't let her die
I'll do anything for you if you won't let her die
Please, Please, Please, dear God, don't let her die!"

এনেতে হঠাৎ এজনী নাৰ্চে দৰ্জাখন খুলি মোক (হেনৰি) আহিবলৈ ইংগিত দিছিল। মই তাইক অনুসৰণ কৰি ভিতৰলৈ সোমাই গৈছিলোঁ। কেথৰিনে মোলৈ চোৱা নাছিল, মই অহা সময়ত। মই তাইৰ বিছনাৰ কাষলৈ

গৈছিলোঁ। বিছনা খনৰ আনফালে ডক্তৰজন থিয় হৈ আছিল। কেথৰিনে মোলৈ চাই ছিল আৰু মিচিকিয়াই হাঁহি দিছিল। মই বিছনাখনলৈ হাউলি গৈছিলোঁ আৰু তাইৰ অৱস্থা দেখি কাঁন্দিবলৈ আৰম্ভ কৰিছিলোঁ। মোক কান্দিবলৈ তাই মানা কৰিছিল। ময়ো কাঁন্দিবলৈ এৰি তাইৰ হাতত ধৰিছিলোঁ আৰু শান্তনা দি কৈছিলোঁ,

"তুমি ভাল হৈ উঠিবা, কেথৰিণ।" "চিন্তা নকৰিবা।"

" মোক কথা দিয়া, মই মৰি গলেওঁ তুমি মোৰ বাহিৰে আন কোনো ছোৱালীকেই ভাল নাপাবা।"— তাই অতি কষ্টেৰে কৈছিল। "মই তোমাক কথা দিলোঁ, কেথৰিন, তোমাৰ বাহিৰে আনকোনো ছোৱালীকেই মই ভাল নাপাওঁ।

"বেছিকৈ কথা নকবা।" ডক্তৰজনে কৈছিল।

"মই ভালহৈ উঠিম হেনৰি, আৰু তোমাৰ সৈতে জীৱনৰ মধুৰ সময়বোৰ কটাম।" তাই পুনৰ কৈছিল।

ডক্তৰে ৰুমৰ বাহিৰলৈ ওলাই যাবলৈ মোক অনুৰোধ কৰিছিল। মই ওলাই আহিছিলোঁ। আৰু বহু সময় মই বাহিৰত অপেক্ষা কৰিছিলোঁ।

নাৰ্চজনী দৰ্জাখন ঠেলি বাহিৰলৈ ওলাই আহিছিল। মই অতি উৎকণ্ঠৰে তেওঁক সুধিছিলোঁ, "তাই মৰিলনে?"

"নহয়, তাই এতিয়া অচেতন অৱস্থাত আছে।" — নাৰ্চজনীয়ে উত্তৰত কৈছিল।

এটাৰ পিছত এটাকৈ হেমৰিজে আক্ৰান্ত কৰিছে। কোনোমতেই তাৰই ৰক্তস্ৰাৱ বন্ধ হোৱা নাই। মই ৰুমলৈ সোমাই গৈছিলোঁ আৰু তাই নমৰালৈকে তাইৰ সৈতে আছিলোঁ।

মোৰ কোলাত মুৰটো থৈ তাই জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিছিল। সেই সময়ত হেনৰিৰ দুচুয়েদি অশ্ৰু নিগৰি আহিছিল।

তেতিয়া মাথো মই উপলব্ধি কৰিছিলোঁ, " এই পৃথিৱীৰ সকলো অসাৰ। এই মৰম, এই ভালপোৱা, সকলো মিছা। ব্যৰ্থ এই মানৱ জীৱন।

তেতিয়া বাহিৰত প্ৰচণ্ড ধুমুহা বৰষুন। ব্যৰ্থতাৰ বোজা কঢ়িয়াই হেনৰিয়ে ধীৰ গতিৰে হস্পিটেল খন এৰি বাহিৰলৈ খোজ লৈছিল।

আৰু সেই কাল ধুমুহা বৰষুনৰ মাজতেই হেৰাই গৈছিল হেনৰি সঙ্গী হিচাপে লগত আছিল হু হু শূন্যতা আৰু দুচকুৰ এ আকাশ উদাসীনতা।







# 'ধূৰ্ত্ত তিৰোতাৰ জাল'

*মহঃ শ্বহিদউল্লাহ হক* (বি. এ)
কাৰ্য্যালয় সহায়ক
খাৰুপেটীয়া মহাবিদ্যালয়



'শ্বীৰাক' হোটেলৰ কনফেছ ৰুম। ভদ্ৰমহিলা বাদে মাত্ৰ চল্লিছ জন যুৱক-যুৱতী আছিল। বিছ জন যুৱক আৰু বিছ জনী যুৱতী। কনফেছ টেবুলৰ এচুকত ৪৪ বছৰীয়া এগৰাকী ভদ্ৰমহিলা উপস্থিত আছিল। বিছ জন যুৱক সোঁফালে বিছ জনী যুৱতী বাওঁফালে। সকলোৰে সন্মূখত 'এপল জুইছ'ৰ গিলাচ আৰু ধীৰ গম্ভীৰ সুৰেৰে ভদ্ৰ মহিলা গৰাকীয়ে অলপ আগতেই কৈছিল, আপোনালোকক 'ৰিটেন টেষ্ট'ৰ পিছত 'ইনটাৰভিউ'ত উত্তীৰ্ণ কৰা হৈছে আৰু এতিয়া 'প্ৰেকটিকেল' টেষ্ট হব। আচলতে, 'প্ৰেকটিকেল' আমাৰ বিভাগত সবাতোকৈ কঠিন পৰীক্ষা আৰু অধিকাংশ আবেদনকাৰীয়েই এই পৰীক্ষাত বিফল হয়। আপোনা সকল চল্লিছ জন, কিন্তু আমাৰ ইয়াত খালী পদৰ সংখ্যা মাত্ৰ দহটা। ইয়াতেই স্পষ্ট যে, আপোনালোকৰ পৰা কেৱল মাত্ৰ দহ জনকহে চাকৰি দিয়া হ ব আৰু সেই দহ জনক যি দহজনে এই 'প্ৰেকটিকেল' অত সবাতকৈ ভাল নম্বৰ পাব। কিন্তু বাকী ত্ৰিছ জন নিৰাশা নহব কাৰণ, আগন্তক খালী পদত আপোনালোকেওঁ নিযুক্তি পাব। সকলোৱে নীৰৱ সকলোকে 'আইডেণ্টীটি' কাৰ্ড দিয়া হৈছে। এতিয়া আমি 'প্ৰেকটিকেল' মানে, 'ৰেড' কৰিবলৈ যাম। যাত্ৰা কৰাৰ আগতে কোনোবাই যদি কবলগীয়া বা জানিবলগীয়া কথা থাকে, এতিয়াও প্ৰশ্ন কৰিব পাৰে। কোনো এজনেও লগে লগে কোনো প্ৰশ্ন নোসোধিলে, এই আশাতেই ইজনে সিজনৰ মুখলৈ অৱশ্যেই চাই আছিল যে, আগতে কোনো এজনে সুধি লওঁক। এনেতে সাহস কৰি এজন প্ৰত্যাশীয়ে হাত ওপৰলৈ উঠাই দিলে। "হা হা কোৱা বিনোদ" ভদ্ৰ মহিলাই ক'লে, কি জানিব বিচাৰিছা? চকিখনৰ পৰা থিয় হৈ বিনোদ নামৰ যুৱক জনে ক'লৈ, মই এইটো জানিব বিচাৰিছো যে, ' ৰেড' ক'ত কৰা হ'ব? 'ননচেঞ্জ, ভদ্ৰ মহিলাই বেয়া ধৰণৰ মুখৰ আকৃতি ধাৰণ কৰি কলে— 'ৰেড স্পট অ'ত উপস্থিত হোৱাৰ আগত এই ৰহস্য কাকো কোৱা নহয় বা জানিবলৈ দিয়া নহয়। — "চ, চৰী, 'মেডাম' বিনোদ তৎক্ষনাত বহিল। মূল দৰজাৰ কাষত হোটেলৰ বাছ থিয়হৈ আছে। আপোনালোক সেই বাছেৰে যাত্ৰা আৰম্ভ কৰিব লাগিব। ভদ্ৰ মহিলাই কলে, মই হোটেলৰ 'মৰসী ডোজ' অ'ত গৈ থাকিম। বাছৰ চালকক নিৰ্দ্দেশ দিয়া আছে যে, তেওঁ "মৰসী ডোজ' অ'ক অনুসন্ধান কৰি আহি থাকিব। খন্তেক নিৰবতাই চলি থাকিল, এতিয়াও কাৰো কোনো প্ৰশ্ন কৰাৰ সাহস নহ'ল।

অকস্মাত ভদ্ৰ মহিলাই, এজন যুৱকলৈ দৃষ্টি নিক্ষেপ কৰি কলে, তুমি কোৱা ৰাজেশ— 'ৰেড় স্পট' অ'ত উপস্থিত হৈয়েই তুমি কি কৰিব লাগিব?

"মোৰ সহকৰ্মী চাৰিজনক লৈ 'ৰেড স্পট' অ'ত থকা গোটেই কাগজ পত্ৰ মোৰ হাতলৈ অনা "ৰাজেশ নামৰ যুৱক জনে স্পষ্টকৈ কৈ দিলে।

'ভেৰিগুড'— ভদ্ৰ মহিলাই কলে। "তুমি কোৱা, অশোক" মই 'স্পট' অ'ত থকা ' ৰেজিষ্টাৰ' চেক কৰি থাকিম, 'মেডাম'। অশোকে আৰু কলে, মই সেই তালিকা বোৰ লিষ্ট প্ৰস্তুত কৰিম যিবোৰৰ ৰেজিষ্টাৰ বহীত অন্তভূক্ত নাই। "আৰু তুমি"? ভদ্ৰ মহিলাই এজনী যুৱতীৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি কলে, যুৱতী জনীয়ে উত্তৰ দিলে, মই 'লেজাৰ চেক' কৰিব লাগিব।

ভদ্ৰ মহিলাই এই ধৰণে নিজৰ নিজৰ দায়িত্বৰ কামবোৰৰ বিষয়ে সুধিলে আৰু লক্ষ্যত উপনিত হোৱাত আগবাঢ়িল।

ভদ্ৰ মহিলাই ঘোষনা কৰিলে, এতিয়া আমি আমাৰ লক্ষ্যস্থানলৈ আগবাঢ়ি যাওঁ।

সকলোৱে একেলগে থিয় হৈ গ'ল। যি দৰে এটা ফোনৰ ৰিং বাজি উঠিলে মানুহ তৎক্ষনাত তালৈ মনোযোগী হয়।

থানাৰ আগত থিয়হৈ এজন চকীদাৰৰ হতুৱাই এখন 'ভিজিটিং কাৰ্ড ' থানা ইনিচপেক্টৰ "অশোক চক্ৰৱৰ্ত্তী" ক দিলে। ইনিচঃ চক্ৰৱৰ্ত্তী বহা চকীৰ পৰা ওপৰলৈ মুখ তুলি চোৱাৰ লগে লগে চকিদাৰে কাৰ্ড খন আগবঢ়াই দি কলে, এজনী ভদ্ৰ মহিলাই এতিয়াই আপোনাক লগ কৰিব খুজিছে ছাৰ।

দিয়া, মাতি দিয়া, ইনিচপেক্টৰ চক্ৰৱৰ্ত্তীয়ে চকিদাৰৰ হতোৱাই ভদ্ৰ মহিলা গৰাকীক ভিতৰলৈ আহিবলৈ অনুমতি দিলে। অফিছৰ কোঠাত সোমায়েই তাই ইনিচঃ চক্ৰৱৰ্ত্তীৰ সতে হাত মিলাই কলে, — মই, 'শ্ৰীমতি অনিতা সুৱানা' "এছিচটেণ্ট কমিচনাৰ অফ ইনকাম টেক্স" ইনিচঃ চক্ৰবৰ্ত্তয়ে ক'লে, ধন্যবাদ বহক। ভদ্ৰ মহিলাই লাহেকৈ চকিখনত বহিললে।

কওক, চক্ৰৱৰ্ত্তীয়ে ক'ল, — কওকচোন, শ্ৰীমতি সুৰনা, মই আপোনাৰ বাবে কেনেকুৱা ধৰণৰ সেৱা আগবঢ়াব পাৰো?

মই আপোনাৰ এলেকাত 'ৰেড' কৰিব লাগে, মহিলা গৰাকীয়ে কলে। ইনিচঃ চক্ৰবৰ্ত্তীয়ে কলে, কেতিয়া? জোৰ পূৰ্ব্বক শব্দেৰে ভদ্ৰ মহিলা গৰাকীয়ে ইনিঃ চক্ৰবৰ্ত্তীক কলে, এতিয়া এতিয়াই। ষ্টাফ থানাৰ বাহিৰত বাছত মজুত আছে। পুলিচ, মানে, আপোনাৰ সহায় এই বাবেই লাগে যে, 'ৰেড' স্থানত হুলুস্থূল হোৱাৰ আশংকা আছে।

ইনিচঃ চক্ৰৱৰ্ত্তীয়ে কলে, — কোন স্থানত 'ৰেড' কৰিব বিচাৰিছে আপুনি? চ-চৰী, ভদ্ৰ মহিলাই ক'লে, "ৰেড স্পটত উপস্থিত হোৱাৰ আগত এই কথা কব নোৱাৰি।

অ, কে, — কোৱাৰ লগত চক্ৰৱৰ্ত্তীয়ে কলে, — আপোনাক কিমান 'কুমুদ' লাগে? মহিলা গৰাকীয়ে কলে, যিমান এতিয়া থানাত উপস্থিত আছে।

ইনিচঃ চক্ৰবৰ্ত্তীয়ে কলে, এতিয়াই মই মোৰে সৈতে, এজন সাব-ইনিচপেক্টৰ এজন হাৱালদাৰ আৰু চাৰিজন 'চিপাহী' হে দিব পাৰিম।

'এয়েই বহুত'— ভদ্ৰ মহিলাই এই তালিকালৈ লক্ষ্য কৰি কলে,— আপুনি জানেনে? যে, 'ৰেড্' অ'ত পুলিচৰ বল প্ৰয়োগ কৰাৰ দৰ্কাৰ নাই আপোনাৰ উপস্থিতিয়ে, তাত কোনো ক্ষেত্ৰতেই হুলুস্থুল বা বেমেজালি হব নিদিয়ে। আৰু বাকী কামবোৰ আমাৰ 'ষ্টাফে' নিজে স্বম্ভালিবই।

অঃ কে, ইনিচপেক্টৰ চক্ৰবৰ্ত্তীয়ে কলে।

ত্ৰিছ মিনিটৰ ভিতৰতেই চল্লিছ জন যুৱক-যুৱতী এজন, দুজন, তিনি জনকৈ শ্ৰীৰাক হোটেলৰ ভিতৰলৈ সোমাই গ'ল। শ্বোৰুমৰ মালিক, কৰ্মচাৰী আনকি 'সিকিউৰিটি' গাৰ্ডেও কল্পনা কৰিব নোৱাৰিলে যে, গ্ৰাহকৰ ছদ্মভেশত ইনিচপেক্টৰৰে সৈতে চল্লিছ জন ব্যক্তি কেৱল শ্বোৰুমত সোমাইছে, আনকি বিভিন্ন কাউণ্টাৰত





নিজৰ নিজৰ দায়িত্বতো আগবঢ়িছে। ভদ্ৰ মহিলা 'মৰসী ডোজ' অৰ পৰা তেতিয়াহে বাহিৰ হল, যেতিয়া 'শ্ৰীৰাক' হোটেলৰ বাছত অহা সকলো ব্যক্তি শ্বোৰুত সোমায়। দূৰত থিয় হৈ থকা পুলিচৰ জীপ দ্ৰুতগতিৰে ভদ্ৰ মহিলাৰ ওচৰ চপাত, ভদ্ৰ মহিলা নিজৰ গাড়ীৰ পৰা নামি আহিল, ইনিঃ চক্ৰৱৰ্ত্তীৰ সৈতে। পুলিচ বাহিনীয়ে ভদ্ৰ মহিলাৰ লগত আগবাঢ়ি আহিব ধৰিলে, 'মালহোত্ৰা এণ্ড আম্বানী'ৰ শ্বোৰুমত হুলুস্থুল তেতিয়াহে আৰম্ভ হল, যেতিয়া চক্ৰৱৰ্ত্তীয়ে উচ্চ আৱাজেৰে ঘোষনা কৰিলে যে, শ্বোৰুমত ইনকাম টেক্সৰ 'ৰেড্' কৰা হৈছে। চাৰিওফালে এক ধৰণৰ হুলুস্থুলৰ সৃষ্টি হৈ গল। মালিকে চকখাই উঠিল, কৰ্মচাৰী সকল চমকি উঠিল আৰু সিকিউৰিটি গাৰ্ডবোৰে অবাক হৈ থিয়হৈ ৰল, কোনোও নিজৰ স্থানৰ পৰা লৰচৰ নকৰে যেন, —'পেমেণ্ট' কাউণ্টাৰ ৰ ওচৰত থিয় হৈ ইনিচঃ চক্ৰৱৰ্ত্তীয়ে পুনৰ উচ্চ স্বৰেৰে কবলৈ ধৰিলে "ইনকাম টেক্স বিভাগৰ কৰ্মচাৰী সকলৰ লগত যি কোনো ধৰণৰ অপ-ব্যৱহাৰৰ প্ৰত্তোত্বৰ দিবলৈ আমি ইয়াত উপস্থিত আছো।" সকলোৱে চকখাই থমকি ৰ'ল। গ্ৰাহক সকলে হায়ৰান হৈ ৰৈ থাকিল। 'পেমেণ্ট কাউণ্টাৰ অ'ত উপস্থিত 'মালহোত্ৰা এণ্ড আম্বানীৰ ডাঙৰ পুতেক 'সুৰেশ' আম্বানীয়ে দুই নম্বৰী মালৰ তালিকা ইফাল সিফাল কৰিব খোঁজাত ভদ্ৰ মহিলাই আগুৱাই আহি নিজৰ 'আইডেণ্টীটি কাৰ্ড' তেওঁৰ চকুৰ আগত দেখুৱাই কলে,—

"মই আই, এম, এচিছ্টেণ্ট কমিচনাৰ অফ্ ইনকাম টেক্স"। কেতিয়াবা কাৰ্ডলৈ আৰু কেতিয়াবা ভদ্ৰ মহিলালৈ চাবলৈ ধৰিলে।

ভদ্ৰ মহিলাই স্পষ্ট সূৰত কলে, — মিষ্টাৰ, "আপোনি কোনো বস্তুত হাত নলগাব, যি বস্তু য'ত আছে, তাতেই থাকিব দিয়ক।"

শ্বোৰুমৰ কোনো ব্যক্তিয়ে বা কৰ্মচাৰিয়ে নিজকে বচাবলৈ 'চান্স' নাপালে। দুজন চিপাহী মূল দৰজাৰ ওচৰত মজুত থাকিল। সম্পূৰ্ণ পৰিকল্পিত ভাবেই মালৱস্তু ও নথিপত্ৰ সমূহ হস্তগত কৰি লোৱা হল। কোনেও নিজকে চম্ভালিবলৈ অৱসৰ নাপালে। পাছত 'ৰেড'ৰ কাম-কাজ চলিবলৈ ধৰিলে। সকলো কৰ্মচাৰিক ৰুমৰ এ চুকত থিয় কৰোৱা হ'ল। গ্ৰাহক সকল এজন এজনকৈ বাহিৰলৈ যাব ধৰিলে। 'ইনকাম টেক্স' বিভাগৰ ব্যক্তি সকলে অতি উৎসাহেৰে এওঁলোকৰ দায়িত্বৰ কাম কৰিবলৈ ধৰিলে, যিবোৰ সেই ভদ্ৰ মহিলাই পূৰ্ব্বেই দায়িত্বৰে সৈতে বুজাই দিছিল।

প্ৰত্যেক কাউণ্টাৰত থকা একো একোটা অলংকাৰ 'ষ্টক' ৰেজিষ্টাৰৰ লগত মিলাব ধৰিলে আৰু সেইবোৰ অলংকাৰ বেলেগকৈ ৰখা হ'ল, যি বোৰৰ তালিকা ৰেজিষ্টাৰ বহীত নাই। এটা অন্য দলে 'লেজাৰ' চেক কৰিব ধৰিলে, কামবোৰ শান্তিপূৰ্ণ ভাবে চলি থাকিব ধৰিলে। মালিকে জানি বুজি চুপচাপ থিয় হৈ থাকিল। "যদিও, তেওঁৰ কুটি, টকাৰ লোকচান হৈ আছে।"

'মালহোত্ৰা এণ্ড আম্বানী'ৰ শ্বেৰুমত 'ৰেড' কৰা খবৰ গোটেই বজাৰত বিয়পি হুলুস্থুল লাগি গ'ল। অন্যান্য বেপাৰী সকলে দুই নম্বৰী কাগজ পত্ৰ ইফাল সিফাল কৰি ফালি ছিঙিব ধৰিলে, যিবোৰৰ ষ্টকআৰু ৰেজিষ্টাৰ যত বেছি ধৰণে বেমিল আছিল যে, কম সময়ত মিলাব নোৱাৰে। সেইবোৰ দোকানৰ দৰজা খিৰকী বন্ধ কৰি তলা লগাব ধৰিলে। শ্বোৰুমৰ বাহিৰত ভীৰ হবলৈ ধৰিলে। ভিতৰত দুই নম্বৰী বস্তুৰ নাম তালিকা বানাই থাকিল। আম্বানী আৰু তেওঁৰ পুতেকে কেইবাবাৰো ভদ্ৰ মহিলাৰ পৰা তেওঁৰ ইনকাম টেক্সৰ উকিলৰ লগত কথা কবৰ অনুমতি বিচাঁৰিলে যদিও, ভদ্ৰ মহিলাই প্ৰত্যেকবাৰ এটাই উত্তৰ দিলে যে, 'ৰেড' কাম পূৰ্ণ নোহোৱালৈকে ফোন কৰিব নোৱাৰে। 'ৰেড' ৰ কাম এঘণ্টা সময় চলিল। 'ষ্টক ৰেজিষ্টাৰ দুই নম্বৰী কাগজ পত্ৰ আৰু অলংকাৰ এটা মোনাৰ মুখত 'লা' সৈতে থকা বগা কাগজত আম্বানী আৰু তেওঁৰ পুতেকৰ চহী কৰাই লোৱা হল। উপস্থিত সাৱ ইনিচপেক্টৰেও চীলত চহী কৰিলে, স্বাক্ষী স্বৰূপে। চীল বন্ধ মোনা হাতত লৈ দোকানৰ বাহিৰত থকা 'মৰসী ডোজ' ত থোৱা হল। ভদ্ৰ মহিলাই উচ্চস্বৰৰে যুৱক-যুৱতীক কলে, 'ৰেড' আশাকাৰাতকৈ অধিক ফলদায়ক হৈছে। আপোনালোক বাছেৰে হোটেললৈ যাওঁক, এক ঘণ্টা পাছত কনফেচ হ'লৰ ৰুমত আৰু এখন মিটিং হব। ভদ্ৰ মহিলাই নিচেই ওচৰত থিয় হৈ থকা ইনিচঃ চক্ৰবৰ্ত্তীৰ ফালে হাত

আগুৱাই কলে, —"ধন্যবাদ, ইনিচপেক্টৰ চক্ৰৱৰ্ত্তী। বাৰু, "এয়াতো মোৰ কৰ্ত্তব্য আছিল মেডাম" এই বুলি কৈ দুয়োৱে হাত মিলালে।

অ, কে, সী, ইউ বুলি কৈ অনিতা সুৰানা গৰিমাযুক্ত গৌৰৱময় খোঁজেৰে মূল দৰ্জাৰে বাহিৰলৈ ওলাই গল। শ্বোৰুমৰ বাহিৰত বহুত ভীৰ জমা হৈছিল। যদিও, 'মৰসী ডোজ'ৰ কাষলৈ যাবলৈ সুৰানাৰ কোনো অসুবিধা নহল।

আম্বানীয়ে ইনিচঃ চক্ৰবৰ্ত্তীক সুধিলে, এতিয়া আমি আমাৰ উকিলৰ লগত কথা কব পাৰোনে?

আৰামেৰে, বিনাদ্ধিধাই কথা কব পাৰে, হাঁহি মুখেৰে চক্ৰৱৰ্ত্তীয়ে কলে। আম্বানীয়ে এনেদৰে ফোনত হাত দিলে যিদৰে চিলনীয়ে পাৰ চৰাই খাপ মাৰি ধৰিব খোজে। ইফালে তেওঁ নম্বৰ ডায়েল কৰিব ধৰিলে আৰু সিফালে ইনকাম টেক্স বিভাগৰ ব্যক্তি সকলৰ সৈতে পুলিচ বাহিনীৰ লগত ইনিচঃ চক্ৰবৰ্ত্তীয়েওঁ শ্বোৰুমৰ পৰা বাহিৰলৈ ওলাই যায়। নম্বৰ যথাস্থানত স্থাপিত হোৱাৰ লগে লগে আম্বানী চিঞৰি উঠিল। আৰু কলে, এ, পি, জৈনে কৈছেনে?

পাছত এ, পি, জৈনে, ধীৰ গম্ভীৰ সুৰেৰে কলে, "কওঁক, 'আম্বানী চাহাব"। ম-ম-মই এইটো জানিব বিচাৰো উকিল চাহাব যে, "প্ৰত্যেক মাহতেই টেক্স দিয়াৰ পাছতো মোৰ শ্বোৰুমত 'ইনকাম টেক্স' অৰ ৰেড কিয় পৰিল?

এ, পি, জৈনে, আৰে! ৰেড! আপোনাৰ শ্বোৰুমত 'ৰেড'। কেতিয়া? কোনে কৰিলে? আম্বানীয়ে কলে, মুটা মুটি পোন্ধাৰ মিনিট আগত, ইনকাম টেক্স ৱালীয়ে।

মই আপোনাক অফিচাৰৰ হে নাম শুধিছো? এ, পি, জৈনে আম্বানীয়ে সুৰ এৰি উত্তপ্ত সুৰত কলে, 'ৰেড' কোন অফিচাৰৰ নেতৃত্বত কৰিছে?

আম্বানীয়ে কলে, কোনোবা এচিচ্‌টেণ্ট কমিচনাৰ। নাম 'অনিতা সুৰনা'। এ, পি, জৈনে ক'লে— 'অনিতা সুৰানা, এচিচ্‌টেণ্ট কমিচনাৰ। কিন্তু ইনকাম টেক্স বিভাগততো কোনো অনিতা সুৰানা নামৰ অফিচাৰেই নাই। এচিচ্‌টেণ্ট কমিচনাৰ মিঃ এম, ও পাটোৱাৰীহে।

যেতিয়া উকিলে জনালে যে ইনকাম টেক্সৰ নামত তেওঁৰ 'কুটি' টকাৰ লোট হৈ গল। তেওঁ দৌৰি গৈ শ্বোৰুমৰ বাহিৰত ভীৰ জনতাক চিঞৰি চিঞৰি কবলৈ ধৰিলে, যি সকলে তেওঁৰ মালবস্তু লৈ গল তেওঁলোক 'ইনকাম টেক্স'ৰ মানুহ নহয়। লুটেৰাহে!

প্ৰথমতে কেনেওঁ বিশ্বাস নকৰিলে। মানুহবোৰে ভাবিলে 'ৰেড'ত হোৱা লোকচানৰ বাবে তেওঁৰ মস্তিস্কৰ বিভ্ৰান্ত ঘটিছে। তৎক্ষণাত কিন্তু এই চৰ্চাই গোটেই চহৰতে বিয়পি পৰিলগৈ। বাতৰি কাকতত এই লুটমাৰৰ খবৰে প্ৰথম পৃষ্টাৰ একেবাৰে ওপৰত ঠাই পালে। বাতৰিৰ সবাতকৈ বেছি হুলুস্থূলীয়াশীৰ্ষক 'অৰ্জুন টাইমচ'এ দিলে। তাৰ প্ৰথম শীৰ্ষত আছিল....

" স্থানীয় পুলিচৰ সহায়-সহযোগত হাজাৰ মানুহৰ উপস্থিতিত, দিন-দুপৰতে কুটি টকাৰ আ-অলংকাৰ লুট"।

"অৰ্জন টাইমচ'ৰ বিশেষ সংবাদ দাতাৰ প্ৰথম প্ৰশ্ন "ইনিচপেক্টৰ অশোক চক্ৰৱৰ্ত্তীলৈ এয়েই আছিল... সাধাৰণ মানুহে কোৱা মতে, লুটি নিয়া লুটেৰা হতৰ লগত আপুনি মিলিত আছে, এইয়া সঁচা নে?

সম্পূৰ্ণ ভুল ধাৰণাৰ কথা এইটো। ইনিচঃ চক্ৰৱৰ্ত্তীয়ে প্ৰত্তোত্বৰত যেনে কৈছিল তেনেই ছপা হ'ল। এই দৰে কোৱা মানুহ বিলাকৰ মগজুৰ চিকিৎসা লোৱা দৰকাৰ। যদি মই তেওঁলোকৰ লগত মিলিতই আছো, তেন্তে এই দৰে খোলাখোলিকৈ কিয় সহায় কৰিম।

তেন্তে কিয়, আপুনি তেওঁলোকৰ লগত আছিল?





তেওঁলোক থানাত আছিল। নিজৰ আইডেণ্টীটি কাৰ্ড দেখৱাইছিল আৰু কৈছিল যে, মোৰ এলেকাত 'ৰেড' কৰিবলৈ আহিছে। হুলুস্থুল হোৱাৰ আশংকা আছে, গতিকেই পুলিচৰ সহায় লাগে।

আৰু আপুনি সহায় কৰিলে?

কোনো সোধ-পোছ ৱা বিতং পৰিচয় কিবা লৈছিল নে?

তাই এচিচ্‌টেণ্ট কমিচনাৰ হয় নে নহয়? কিয় নললে?

ইনিচঃ চক্ৰৱৰ্ত্তীয়ে কলে, সেই অৱস্থাত, সেই সময়ত কোনো অ-স্বাভাৱিকতা নাছিল। যি সময়ত সহায় বিচাৰিছিল আৰু ঘটনাটো ঘটিছিল। মহিলা গৰাকীৰ ওপৰত সন্দেহ কৰাৰ কোনো স্থল নাছিল। ইনকাম টেক্সাৰ সকল যেতিয়া 'ৰেড' কৰিব আহে আৰু তেওঁলোকক পুলিচৰ সহায় ঠিক তেনেদৰেই লব লগা হয়।

এতিয়া আপুনি স্বীকাৰ কৰে নে? এই লুটমাৰ টো আপোনাৰ চকুৰ আগত, আপোনাৰ সহায়ৰ বলতেই হৈছে।

মোৰ আৰু মোৰ ষ্টাফৰ বুজা মতে এইটো ইনকামটেক্সৰেই 'ৰেড' আছিল এতিয়াহে ভাবি ভাবি মই ব্যতিব্যস্ত হৈছো, বাস্তৱত এইটো আচৰিত ধৰণৰ লুটমাৰহে হল।

হায়-হায়,কি আচৰিত! বিশ্বাস কৰক, বিশ্বাস কৰক মোৰ কথা "মই নিৰ্দোষী, কিন্তু মূৰ্খ বণী গলো।"

ইনিচঃ চক্ৰৱৰ্ত্তীয়ে কবলৈ ধৰিলে, মোৰ ষ্টাফৰ লগত আম্বানীৰ শ্বোৰুমৰ পৰা মই পোনে-পোনে চিধা থানাৰ ফালে গৈ থাকিলো, ৰাস্তাত 'পেট্ৰলিং' গাড়ী নম্বৰ 'পাঁচ' জীপ গাড়ী খনে মোক ৰখালে। গাড়ীৰ পৰা নামি এছ্ পি মহোদয়ে নিজৰ ৰিভলবাৰেৰে আমাক জব্দ কৰি ললে। মই আৰু মোৰ ষ্টাফ চক খাই ৰৈ গলো। সেই সময়ত আমি বুজি পোৱা নাছিল, ঘটনা কি?

এছ্ পি মহোদয়ে আমাক জব্দ কৰি কলে, আপোনালোকে আম্বানীৰ শ্বোৰুম লুটি নিয়া লুটেৰা হতক সহায় কৰিছিল?

এছ্ পি, মহোদয়ৰ কথাত মই ভ্ৰূক্ষেপ নকৰি কলো, তেওঁলোক লুটেৰা নহয়, ইনকাম টেক্স বিভাগৰ কৰ্মচাৰীহে আছিল।

এছ্ পি মহোদয়ে খঙত গৰজী কলে, — যি হল, সেইটো ইনকাম টেক্সৰ 'ৰেড' নাছিল, মাত্ৰ ইনকাম টেক্সৰ নামত লুটহে আছিল।

তাৰ পিছত কি হল.......?

আমি তেওঁৰ লগত শ্বীৰাক হোটেললৈ গলো, কনফেচ হলত সেই চল্লিছ জন যুৱক-যুৱতি গৈ উপস্থিত হৈছিল। যি সকলে অনিতা সুৰানাৰ নেতৃত্বত কথিত 'ৰেড' কৰিছিল। কনফেচ হলক ঘেৰাওঁ কৰি যেতিয়া এই ঘোষনা কৰা হল যে, আপোনাসকলক আম্বানীৰ শ্বোৰুম লুট/ ডকাইতি কৰাৰ অপৰাধত জব্দ কৰা হল।

সেই চল্লিছ জনে সপোনতো ভাবিব পৰা নাছিল যে, তেওঁলোক কোনো লুটমাৰত বা ডকাইতিত স্বামীল হৈ আছিল। তেওঁ লোকৰ কথামতে তেওঁলোক 'ইনকাম টেক্স' বিভাগত চাকৰি পাবৰ আশাত 'প্ৰেকটিকেল' কৰিবহৈ গৈছিল, মানে.....? 'তেওঁলোক নিৰ্দ্দোষী হৈয়ো মূৰ্খ হৈ গল।'

সকলোৰে স্বীকাৰোক্তি একেদৰেই আছিল। কোনোবায়তো, ছমাহৰ আগৰ বাতৰি কাকতৰ কাৰ্টুন দেখুৱালে। এই কাৰ্টুত এটা বিজ্ঞাপন আছিল। বিজ্ঞাপনটো 'ইনকাম টেক্স' বিভাগৰ তৰফৰ পৰা আছিল, আৰু তাৰ দ্বাৰা শিক্ষিত যুৱক-যুৱতীক 'ইনকাম টেক্স' বিভাগত চাকৰিৰ বাবে আমন্ত্ৰন জনোৱা হৈছিল। বিজ্ঞাপনৰ দ্বাৰা ইচ্ছুক প্ৰাৰ্থীক হোটেল 'শ্বীৰাক' অ'ত 'ইনটাৰভিউ' কক্ষত মতা হৈছিল। বিজ্ঞাপন পঢ়ি তেওঁলোক হোটেল 'শ্বীৰাক' অ'ত উপস্থিত হয়। তাঁত তেওঁলোকৰ পৰিচয় অনিতা সুৰানাৰ লগত হয়। 'ৰিটেইন টেষ্ট লোৱা হয় আৰু 'ৰিটেইন টেষ্টৰ পাছত সকলো পৰীক্ষাৰ্থীক এই কথা কৈ পঠিয়াই দিয়া হৈছিল যে, ফলাফল

তেওঁলোকৰ নিজ নিজ ঠিকনা মতে পঠিয়াই দিয়া হব। এসপ্তাহ পাছত তেওঁলোকক ইনটাৰভিউৰ কাৰণে মতা হ'ল। ইনটাৰভিউত পাছ কৰা বিলাকক দহ দিনৰ পাছত পুনৰ মতা হল, আৰু 'প্ৰেকটিকেলৰ' ৰূপৰেখা আৰম্ভ হল।

মানে,... " এই 'ৰেড'ৰ 'প্ৰেকটিকেল' টেষ্টটো পাছ কৰিব পাৰিলেই তেওঁলোকৰ 'চাকৰি'টো নিশ্চিত হব।"

এই চল্লিছ জন যুৱক-যুৱতীয়ে কোৱা মতে, 'ৰিটেইন' টেষ্ট' অৰ দিনা বিজ্ঞাপনৰ দ্বাৰা তিনিশ বিছ জন প্ৰাৰ্থী আহিছিল। যাৰ পৰা 'মেডাম'য়ে এশ চাৰি জনকহে 'ইনটাভিউৰ' কাৰণে নিৰ্ব্বাচন কৰিছিল, আৰু তাৰ পৰা মাত্ৰ এই চল্লিছ জনেই সফলতা লাভ কৰিব পাৰিছিল।

আপোনাৰ মতে এই সকলোৱেই নিদ্দোৰ্য নে? এছ্ পি মহোদয়ে, চক্ৰৱৰ্ত্তীক সুধিলে।

ইনচঃ চক্ৰৱৰ্ত্তীয়ে ক'লে, — নিৰ্দ্দোষী আৰু সত্যও। এওঁলোক সকলেৱেই সহানুভূতিৰ পাত্ৰ। কিয়নো লিখাপঢ়া শিকি যুৱক-যুৱতী সতে শিক্ষিত নিবনুৱা হয়, এওঁলোক চাকৰিৰ আশাত চক্ৰান্তত পৰি সৰযন্ত্ৰৰ শিকাৰ হব লগা হয়, সৰযন্ত্ৰওঁ এনেকুৱা যাৰ শিকাৰ যিকোনো উচ্চ পদস্ত বিষয়া-কৰ্মচাৰী, শিক্ষিত নিবনুৱা অথবা সাধাৰণ মানুহেওঁ হব পাৰিছিল।

মই সেইজনী তিৰোতাৰ বুদ্ধি-মত্তাৰ বিষয়ে ভাবি ভাবি আচৰিত হৈছো। কেনে মাথা পাইছিল তাই বাঃ বাঃ। লুটমাৰৰ কেনে পৰিকল্পনা, কেনেকুৱা ধৰ্য্য ও সাহসিকতা বাঃ বাঃ। মাত্ৰ তায়েই জানিছিল যে, তাই অকলে পৰিকল্পিত ভাবে "আম্বানীৰ শ্বোৰুম" লুটিব। যিটো নেকি। নিজৰ বাহীৰে সকলোকে ইনকামটেক্সৰ ভ্ৰমত ৰাখি থৈছিল।

এছ্ পি মহোদয়ে ইনচ- চক্ৰৱৰ্ত্তীক কলে।

আপুনি লুটমাৰৰ লগত জৰিত থকা যুৱক-যুৱতীক এইটো সুধিছিল নে। যে, 'ৰিটেইন টেষ্ট' 'ইনটাৰভিউ' আৰু 'প্ৰেকটিকেল' আদিৰ কাৰণে তেওঁলোক হোটেল 'শ্বীৰাক' অ'ত কিয় আহিছিল? "ইনকাম টেক্স' অফিচত কিয় অহা নাছিল?

ইনিচঃ চক্ৰৱৰ্ত্তীয়ে কলে, আপুনি সেই বিষয়ত অনভিজ্ঞ নেকি? যে, আজিকালি ডাঙৰ ডাঙৰ বিভাগত নতুন পদ পূৰণৰ সময়ত 'ফাইভ-ষ্টাৰ' হোটেলত মাতি অনাটো ফেচনত পৰিণত হৈছে? তাৰ মানে 'ইনকাম টেক্স' বিভাগত নিযুক্তি দিয়া প্ৰাৰ্থী সকলক হোটেল 'শ্বীৰাক' অ'ত মাতি অনাটো কোনো অসম্ভৱ কথা নাছিল?

তিৰোতাজনী অতিশয় ধূৰ্ত্ত চালাক আছিল। সেয়ে তাই বিজ্ঞাপনটো 'হিন্দী' ভাষাৰ বাতৰি কাকতত দিছিল। সাধাৰণতে অফিচাৰ সকলে ইংৰাজী বাতৰি কাকতহে বেছি পঢ়া দেখা যায়। আকৌ বিজ্ঞাপনৰ পৃষ্ঠাটো শিক্ষিত নিৱনুৱা সকলে যি কোনো ভাষাৰ বাতৰি পঢ়িবলৈ চেষ্টা কৰে। নিযুক্তি প্ৰাপ্ত ব্যক্তি সকলে দেশৰ নানা সমস্যাৰাজিৰ খবৰবোৰ পঢ়াতেই সময় নাপায় আৰু খালী পদ বা 'ভেকেঞ্চিচ'ৰ ফালে ধ্যানেই বা দিয়ে ক'ত?

এছ্ পি, মহোদয়ে ইনিচঃ চক্ৰৱৰ্ত্তীক সুধিলে যে, 'শ্বীৰাক' হোটেলৰ মালিক তথা কৰ্মচাৰী সকলে 'অনিতা সুৰানাৰ বিষয়ে কি কয়?

ইনিচঃ চক্ৰৱৰ্ত্তীয়ে কলে, কিনো কব, তেখেত সকলেওঁ তাইক 'ইনকামটেক্স' অ'ৰ মানে,.... 'ইনকাম টেক্স' বিভাগৰ 'এছিচটেণ্ট' কমিচনাৰ বুলিয়েই ভাবিছিল। "শ্বীৰাক' হোটেলৰ ৰুম নম্বৰ ১০৫ (একশ পাঁচ) অত তেখেত মানে তাই বিগত পঞ্চল্লিছ দিনৰ পৰা থাকি আহিছে। 'শ্বীৰাক' অৰ সেই ব্লকৰ ষ্টাফ্ সকলেও এই দৰেই কয় যে, তেওঁলোকেওঁ ভাবিছিল তেখেত নিজৰ বিভাগৰ নতুন প্ৰাৰ্থী নিযুক্তিৰ কামত ব্যস্ত হৈ আছে।

মোৰ ধাৰণাত পুলিচ বাহিনী, সেই চল্লিছ জন যুৱক-যুৱতী, "শ্বীৰাক' হোটেলৰ মালিক, অথবা ষ্টাফেও এতিয়ালৈ তাইৰ প্ৰকৃত আকৃতি ছবিৰ লগত পৰিচিত নহয় কিজানি? যি, ছবিত মানুহে দেখিছে?

সেয়েহে, নিশ্চিত ভাবেই কব পৰা যায় যে, সেয়া তাইৰ আচল ছবি নাছিল. ছদ্ম ছবিহে....। ধন্যবাদ।





# সেয়া এটা দুঃস্বপ্ন

মঃ ছাহাবুদ্দিন আহমেদ (প্ৰাক্তন ছাত্ৰ)
খাৰুপেটীয়া মহাবিদ্যালয়

বসন্ত কালৰ কোনো এটা ৰাতি খিড়িকীৰে এজাক মৃদু বতাহ সোমাই টেবুলত থকা কাকত বোৰ ছেদেলি-ভেদেলি কৰি পেলালে। বতাহৰ প্ৰতি যেন খং উঠিল কিবা এটা ভাৱত। খং উঠিলেনো কি হব। এই পৃথিৱীখন স্বাধীন, নিজ গতিত ঘূৰি আছে কাৰো প্ৰতি লক্ষ্য কৰিবৰ প্ৰয়োজন অনুভৱ কৰা নাই। কিন্তু মানুহে স্বাধীন ভাৱে কিবা কাম কৰিবলৈ গলে তাত চাৰিওফালৰ পৰা বাধা আহে কিয়? ভাল পোৱা আৰু প্ৰেমেৰে এই পৃতিৱীখন অবিৰাম গতিত চলি আছে। এই ক্ষেত্ৰত চন্দ্ৰ আৰু মনিৰ ভাল পোৱাই সমাজত প্ৰকৃত মৰ্য্যদা নাপালে কিয়? ভাল পোৱাত কিবা পাপ আছে নেকি? আজি চন্দ্ৰৰ মনত এনে বহু কথা জাগি উঠিছে, মনত পৰিছে মণিক প্ৰথম দেখাৰ দিনৰ কথা। চিনেমাৰ ৰিলৰ দৰে এটাৰ পাছত এটাকৈ ঘটনা চন্দ্ৰৰ দৃশ্যপটত ভাঁহি উঠিল।

চন্দ্ৰ আৰু মণি একেখন গাঁওৰে ইমুৰে সিমুৰে বাস কৰা দুজন প্ৰভাৱশালী ব্যক্তিৰ নয়ন মণি। হাইস্কুল শিক্ষাৰ আৰম্ভনিৰ পৰা মহাবিদ্যালয়ৰ চৌহদলৈ দুয়োজনে ভৰি দিব পাৰিছে। মণি মালা ছোৱালীজনী মাক-বাপেকৰ একমাত্ৰ সন্তান। অতি আদৰত ডাঙৰ দীঘল হোৱা ছোৱালী। আন হাতে চন্দ্ৰও মাক-বাপেকৰ দুচকুৰ মণি।

চন্দ্ৰ আৰু মণি প্ৰায় একে লগে কলেজলৈ যায়। ঘৰুৱা মাত কথাৰ বাহিৰে সিহঁতৰ মাজত দুই এটা বাহিৰা কথাও আলোচনা হয়। কিন্তু কোনেওঁ কাৰো আগত নিজৰ মনৰ কথা ভাঙি নকয়। দুয়োজনে কিন্তু মনে প্ৰাণে ইজনে সিজনক ভাল পায়

এদিনাখন দুপৰীয়া জিৰনিৰ সময়ত কেইজন মান ল'ৰাৰ সৈতে চন্দ্ৰই কলেজৰ সন্মুখতে ক্ৰিকেট খেলি আছিল। এনেতে, চন্দ্ৰই দেখা পালে যে মণি মালা কোনো নথকা শ্ৰেণী কোঁঠালী এটাত বহি আছিল সময়ৰ সুবিধা লৈ চন্দ্ৰই মণি বহি থকা অকলশৰীয়া কোঠাত গৈ মণিৰ নিচেই কাষত বহিল। বহিলে ঠিকেই কিন্তু কি কব, সকলো কথা যেন সি পাহৰি গৈছে। প্ৰায় পাছ মিনিট সময় কাৰো মুখত মাত নাই। এনেতে নিস্তব্ধতা ভঙ্গ কৰি চন্দ্ৰই মাত লগালে। মণি, আজি logic ৰ ছাৰ আছেনে নাই? মণিয়ে দীঘল হুমনিয়াহ এটা কাঢ়ি কলে

আজি ছাবক দেখা নাই।

"মণি বহুদিনৰ পৰা তোমাক কিবা এটা কথা কম ক'ম বুলি বাট চাই আছো, কিন্তু কবলৈ সাহস নহয়। ভয়ো লাগে লাজো লাগে"— বুলি চন্দ্ৰই চেপা চেপা মাতেৰে কলে।

ভয় আৰু লাজ কৰিবলৈ আমাৰ মাজত কি আছে। কওক চোন কি কব বিচাৰে। ভঙা ভঙা মাতেৰে মণিয়ে কলে।

মই তোমাক ভাল পাওঁ মণি, তোমাৰ অবিহনে মই জীয়াই থাকিব নোৱাৰিম মণি, তোমাৰ অবিহনে মই জীয়াই থাকিব নোৱাৰিম মণি, সচাঁকৈয়ে মোৰ প্ৰেম যদি সঁচা হয় তেন্তে তুমি মোৰ প্ৰেমত প্ৰকৃত মৰ্য্যদা দিবা।

ভাল পোৱা আৰু প্ৰেম সকলোৰে ভাগ্যত নহয়। নিশ্চয় ভগৱানে আমাৰ মাজত নিজেই প্ৰেমৰ বীজ অঙ্কুৰিত কৰি দিছে! কিয়নো মইয়ো আপোনাক মোৰ জীৱনতকৈ অধিক ভাল পাওঁ।

এনেতে কেইজনমান ল'ৰা শ্ৰেণীত সোমোৱাৰ লগে লগে সিহঁত দুজনৰ আলোচনাৰ সিমানতে সামৰণি পৰিল।

আন এদিনৰ ঘটনা মণিয়ে কলেজ চুটি হোৱাৰ আগতেই ঘৰলৈ গুছি গল, চন্দ্ৰ কলেজ ছুটিৰ পিছত মনক বান্ধিব নোৱাৰি মণি হতঁৰ ঘৰৰ ফালে যাত্ৰা কৰিলে, চন্দ্ৰৰ এটাই কথা মণি আজি কিয় ইমান সোনকালে ঘৰলৈ গল। সেয়ে সি মণিক লগ পাব লাগে। চন্দ্ৰই মণিহতৰ ঘৰৰ কাষেদি যেন কৰবালৈ গৈ আছে তেনে সময়ত মণিও ঘৰৰ পৰা ওলাই অহাত দুয়ো মুখা মুখিহৈ হাহিঁলে। সেই হাঁহিৰ মাজত যেন কিবা ৰহস্য আছে। পিছে চন্দ্ৰই কৰবালৈ যোৱাৰ অজুহাত দেখৱাই অলপ কথা বতৰা পাতিয়েই আগবাঢ়িল।

চন্দ্ৰ যিমান সময় কলেজত থাকে তাৰ মনত সিমান আনন্দ, যেতিয়া কলেজ ছুটি হয় তেতিয়াই তাৰ মনত যেন গভীৰ চিন্তাই হেচি ধৰে। সেয়ে সি নানান চলৰে সন্ধিয়া সময়ত মণিহতঁৰ ঘৰৰ ফালে যোৱা কৰিলে। এনে কুৱা ভাল পোৱাৰ লুকাভাকু আৰু কিমান দিন! সময়ৰ সোঁতত দিনে দিনে চন্দ্ৰৰ চকুৰ পৰা মণি আঁতৰ হবলৈ ধৰিলে। কাৰণ মণিৰ মাক বাপেকে মণিৰ চঞ্চলতা দেখা পাই এজন উপযুক্ত দৰা বিচাৰি বিয়াৰ সকলো বন্ধবস্ত ঠিক কৰি পেলাইছে।

চন্দ্ৰ আজি নিৰুপায়, সি আজি চকুয়ে অন্ধকাৰ দেখিছে এই পৃথিৱীৰ প্ৰতিও তাৰ বিশ্বাস হেৰাই গ'ল। চন্দ্ৰৰ মনত খং উঠি গল। মণিয়ে তাইৰ মাক দেউতাকক তাইৰ ভালপোৱাৰ কথা নকলে কিয়? ইমান দিনে মণিয়ে মোৰ লগত চলনা কৰি আছিল নেকি? মনৰ দুখত চন্দ্ৰই মণিমালাক যখিনী, শাখিনী, প্ৰতাৰিনী বুলি গালি পাৰিলে। কিয়নো তাই এনেকৈ চন্দ্ৰৰ সুন্দৰ জীৱনটো ধ্বংস কৰিলে কিয়?

আজিওঁ চন্দ্ৰই অনুভৱ কৰে, কিছু দিনৰ পূৰ্বে তাৰ সপোন কি আছিল আৰু এতিয়া কি। গভীৰ দুখত চন্দ্ৰৰ হৃদয় চুৰ্ণ-বিচূৰ্ণ হৈ গল। খিড়িকীৰ ওচৰত বহি অতীতৰ স্মৃতি বোৰ মনৰ পটত ভাঁহি উঠাত পানীৰে উপচি পৰিল তাৰ দুচকু। চন্দ্ৰই স্বাভাৱিক অৱস্থালৈ ফিৰি অহাৰ সময়ত পূৰ্ব আকাশে পুনৰ হিৰন কিৰন জ্যোতিৰে গোটেই পৃথিৱীলৈ এক অপৰূপ পোহৰ মেলিছে। ▣





# জুৰুলা নৈৰ বান

*ৰাজেন্দ্ৰ কুমাৰ ডেকা (ৰাজু)*
স্নাতক তৃতীয় বৰ্ষ
খাৰুপেটীয়া মহাবিদ্যালয়

খবৰ কাগজ খন হাতত লোৱা মাত্ৰকে 'নিকিৰ' চকুহাল ক্ৰমাৎ ডাঙৰ হৈ আহিল। তাই আজি নিজৰ চকুহালকে বিশ্বাস নকৰাৰ অৱস্থা।

"সঁচানে বাৰু আজি তাইৰ আপোন জনৰ মৃত্যু হোৱাটো? কি, এয়া সপোন নে বাস্তৱ? দেউতাই বাৰু গম পাইছেনে অপুদাৰ মৃত্যুৰ কথা! হে ভগৱাণ অপুদাক কিয় লৈ গ'লা, মই কাৰ সতে জীয়াই থাকিম বাৰু?" — কথাবোৰ নিকিয়ে মনতে উনুকিয়ালে।

সন্ধিয়া প্ৰায়বোৰ বান্ধৱী ওলাই গল যদিও নিকিৰ আজি যোৱা নহল। তাইক কিন্তু নিৰ্মালীয়ে আজি পাৰ্কলৈ যাবলৈ বৰ জোৰ কৰিছিল; কিন্তু আজিৰ বাতৰি কাকত নোচোৱাৰ বাবে তাইৰ অপুদাৰ বিষয়ে নিৰ্মালীয়ে অকনমানো গম পোৱা নাছিল। নিকিৰ যে, অপুৰ লগত সম্পৰ্ক আছে নিৰ্মালীয়ে ভালদৰে জানে। অৱশেষত আন ছোৱালীবোৰে কথাটো কোৱাত তাইৰো বৰ বেয়া লাগিল।

নিকিয়ে অপুৰ বিষয়ে ভাবোতে ভাবোতে মগজুৱে কাম নকৰা হল। তাই বাৰে বাৰে কান্দি উঠে। এৰা, তাইৰ কান্দোতে কান্দোতে চকুৰ পানী নোহোৱাৰ অৱস্থা। নিকিয়ে একান্ত মনে চিলিং ফেন খনলৈ চাই থাকিল মনত কিছু ভাৱলৈ।

অপুৰ আচল নাম অবিনাশ ভট্টাচাৰ্য্য। সৰুৰ পৰাই অপু বুলি সকলোৰে পৰিচিত। সি পুলিচ বিভাগত সোমোৱা আজি তিনিবছৰো পূৰা হোৱা নাই। বিভাগটোত সোমায়েই বুধিয়ক অপুৱে থানা খনৰ বিশেষজ্ঞ মিঃ সমৰেন্দ্ৰ কাকতিক নিজৰ কৰি লৈছিল। এতিয়া অপুৰ মিঃ কাকতিৰ লগত বেচ ঘনিষ্ঠ। এদিন মিঃ কাকতিয়ে গাঁৱৰ ঘৰলৈ অপুকো লৈ গল। আচলতে মিঃ কাকতিয়ে অপুক বৰ ভাল পাইছিল। কিয়নো সি কাকতিৰ কোনো কথা নেপেলায়। মিঃ কাকতিৰ ঘৰতেই অপুৱে গম পাইছিল কাকতিৰ একমাত্ৰ ছোৱালী নিকিক। প্ৰথম দেখাতেই অপুৰ নিকিৰ প্ৰতি কিবা এটা শিহৰণ অনুভৱ হল। হবই দিয়াচোন সফল ডেকা, যৌৱনে অনবৰতে হাতবাউলি মাতি থাকে। তাতে আকৌ নিকি বেচ মৰমীয়াল। অপুৱে নিকিৰ ওপৰত প্ৰথম চকু পেলাওতে কেইবা মুহূৰ্ত্তত সি তাইৰ চকুৰ পৰা তাৰ চকু আঁতৰাই আনিব পৰা নাছিল। খুৱ সম্ভৱ এয়াই......

নিকি দৰং মহাবিদ্যালয়ৰ ছাত্ৰী হোষ্টেলত থাকে। তিনিদিন হল ঘৰলৈ অহা। ঘৰলৈ আহোঁতেই তাই অপুৰ লগত চিনাকি। প্ৰথম দেখাতেই তাইৰো অপুৰ প্ৰতি আপোন ভাব জন্মিছিল। সেই দিনা দুয়োৰো কথাবতৰা হল, কথাৰ মাজতেই আপুই নিকিৰ কলেজৰ ঠিকানাটো ললে।

ক্ৰমে দিন বাগৰিল। অপু আৰু নিকিৰ মাজত চিঠি পত্ৰৰ আদান-প্ৰদান হৈ থাকিল। সময়ত দুয়োৰে

চিঠিৰ ভাষাই অন্য ৰূপ ললে। এবা, এয় চাগৈ প্ৰেম। এনেতে এদিন নিকিয়ে অপুলৈ আৰু দেউতাকলৈ দুখন সুকীয়া সুকীয়া চিঠি লিখিলে; কিন্তু দুৰ্ভাগ্যৰ বিষয় অপুলৈ লিখা চিঠি খনৰ খামৰ ওপৰত দেউতাকৰ ঠিকনাটো ভুল ক্ৰমে লিখিলে। তাই চিঠিত লিখিছিল

মৰমৰ

অপুদা,

সেৱা গ্ৰহণ কৰিব। বৰ্ত্তমান মোৰ গতানুগতিক। মোৰ আশা আপোনাৰো ভাল হোৱাটো। অপুদা, মোৰ পৰীক্ষালৈ আৰু দুমাহ বাকী, পৰীক্ষাৰ পিছত আমাৰ বিষয়ে ভাবিব। আপুনি পাৰে যদি প্ৰমোচন লওঁক। আমাৰ দেউতাইতো অনায়াসে প্ৰমোচন দিব পাৰে, আপুনি তেওঁক ক'ব। ময়ো কিবা প্ৰসংগত পাৰিলে কবলৈ চেষ্টা কৰিম। বিশেষ নাই।

ইতি

'নিকি'

চিঠিখন হাতত লৈ মিঃ কাকতি আচৰিত হ'ল। তাৰমানে অপু আৰু নিকি দুয়োৰে ঘনিষ্ঠতা আছে। হয়তো ভূলক্ৰমে চিঠিখন তেওঁৰ ঠিকনাত লিখি দি পঠিয়ালে বুলি তেওঁ নিশ্চিত হ'ল। কাকতিয়েও অপুক কোনোদিন বেয়া দেখা নাই। সি বৰ নিৰ্জু। কাকতিয়ে কম দিনৰ ভিতৰতে অপুক প্ৰমোচন দিলে।

সেই দিনা অপুৰ নেতৃত্বত পুলিচৰ দলটি এখন গাৱঁলৈ গ'ল। গাওঁখন নৌ পাওঁতেই এটা সৰু জুৰি পায়। ওচৰতে সামান্য বাঁহনী। সিহঁতৰ গাড়ীখন বাঁহনী দৰাৰ ওচৰ পাইছে মাত্ৰ এনেতে হঠাতে ধাৰাসাৰে আন্ধাৰৰ মাজৰ পৰা গুলি বৰ্ষন আৰম্ভ হল। গুলিৰে পুলিচৰ দলটিয়ে প্ৰত্যুত্তৰ দিলে যদিও বিপ্লৱীৰ এই অত্যাধুনিক অস্ত্ৰ-সস্ত্ৰই কেইবাজনো পুলিচ বিষয়াক মৃৰ্ত্যুক আকোৱালি লবলৈ বাধ্য কৰালে। অৱশেষত বাকীবোৰ যেনি তেনি পলাবলৈ বাধ্য হল। বিপ্লৱীৰ গুলিয়ে অপুকো থকা সৰকা কৰিলে।

হ'কাৰ জনে বাতৰি কাকত খন দি যোৱাৰ পিছতে নিকিৰ চকুহাল ডাঙৰ হৈ গল। নিকিয়ে বাতৰিৰ ডাঙৰ ডাঙৰ আখৰেৰে লিখা হেড্‌লাইনটোত চকু পৰাৰ লগে লগে দুচকুৰে শৰ শৰকৈ চকুলো বৈ আহিল। চাই একো ভাবিব নোৱাৰা হল, মাথো বাতৰিৰ হেড্‌লাইনটোলৈ একে থৰে চাই থাকিল।







(সামাজিক গল্প)



# ভঙা হিয়া

*জালাল উদ্দিন আহমেদ*
প্ৰৱক্তা, বুৰঞ্জী বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়

মদনে মনৰ বেজাৰত নিজৰ কোঠাত বহি এটি গান গাই আছিল। হঠাতে কবিতাই মদনৰ কোঠাত সোমাই আহিল। কবিতা নিজৰ কোঠাত সোমোৱা দেখি মদনে অলপ আঁচৰিত হৈ কলে, "কিহে কবিতা তুমি! ইয়ালৈ কেনেকৈ আহিলা? তোমাৰ কি খবৰ, তোমাৰ মানুহজন কেনে আছে? তোমাৰ শহুৰ-শাহু কেনে আছে? তোমাৰ দেৱৰ ও ননদ আছেনে ইত্যাদি।" কবিতাই মদনৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি হুকহুকাই কান্দিবলৈ ধৰিলে। মদনে কবিতাৰ কান্দোনত বহুত কথা বুজি পালে। কবিতাই নিজকে চম্ভালি মদনৰ পিনে চাই কব ধৰিলে, " তুমি কাৰোবাক বিয়া কৰোৱা। সংসাৰিক জীৱন আৰম্ভ কৰা যেনেকৈ মই এজনক বিয়া কৰাইছো"।

এনেতে মদনে নিজকে ধিক্কাৰ দি কলে, "বিয়া! মই বিয়া কৰামনে? মই কিয় বিয়া কৰাম। মোৰ ধন-সম্পত্তি, ঘৰ-বাৰী নথকাৰ কাৰণে তোমাক বিয়া কৰাব নোৱাৰিলোঁ। মই এতিয়া বিয়া কৰোৱাৰ কোনো প্ৰয়োজন বোধ কাৰ নাই।"

এদিনাখন সৰুবাপু কবিতাহঁতৰ ঘৰলৈ আহিল। কবিতাৰ বিধবা মাক, প্ৰতিমাক খুৰি খুৰি বুলি মাতি ভিতৰত সোমাল। কবিতাৰ দেউতাক 'পৰমেশ্বৰৰ' মৃত্যুৰ সময়ত কবিতা আৰু তাইৰ মাকক সৰুবাপুৰ হাতত দায়িত্ব অৰ্পন কৰি গৈছিল। তেতিয়া সিহঁতক চোৱা চিতা কৰাৰ বাবে কোনো নাছিল। সেয়ে কবিতাৰ মাকৰ সৰুবাপুৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ আছিল।

কবিতাৰ বিয়া হোৱাৰ পিছত মাত্ৰ তিনিমাহহে স্বামীৰ ঘৰত কটাইছিল। কবিতাই স্বামীৰ ঘৰত এতিয়া আৰু নাযায়। কবিতা আৰু মদনৰ মাজত গভীৰ ভালপোৱা আছিল। কবিতাৰ মাকে সেই কথা জানিও চাৰি কিলোমিটাৰ দূৰৈত ধন-সোণ, আট্টালিকা থকা নপুংসক ব্যক্তি এজনলৈ কবিতাক বিয়া দিছিল। কবিতাই মাকৰ ঘৰলৈ অহাৰ পিছত কবিতাৰ শাহুৱেকে তাইক নিবলৈ কেইবাবাৰো মানুহ পঠাইছিল। কিন্তু কবিতা নাযায়। কবিতাই সেইজনৰ লগত সংসাৰ নকৰে বুলি মনে মনে শপত খাইছিল।

তেতিয়াৰ পৰা আকৌ মদনে কবিতা হঁতৰ ঘৰলৈ সঘনাই অহাযোৱা কৰিবলৈ ধৰিলে। দুয়ো নীৰৱে কথা পাতে। কবিতাই কেতিয়াবা মদনক কয়, "মদন তুমি মোক দূৰৈৰ কোনোবা অজান ঠাইলৈ লৈ যাবানে? বলানা আমি দুয়ো এখন সুখৰ ঠাই বিচাৰি কৰবাত আশ্ৰয় লওঁগৈ।

এদিনাখন সৰুবাপুয়ে কবিতাৰ মাকক সুধিলে, "সঁচানে খুৰী, তুমি বোলে কবিতাক তাইৰ স্বামীৰ ঘৰলৈ

যাব নিদিয়া। সিদিনা মোক বজাৰত লগপাই কবিতাৰ শাহুৰেকে সকলো কলে। এইটোতো ঠিক হোৱা নাই।
বিয়া দিছা যদি স্বামীৰ ঘৰলৈ যাবই লাগিব। লাগিলে আমি জোৰ কৰি তাইক পঠাই দিম"। কবিতাৰ মাকে
কলে, "মইতো তাইক বহুবাৰ বুজাইছোঁ। তাই হেনো সেই ঘৰলৈ নাযায়। মই এতিয়া কি কৰো বাপু? তাইতো
গৰু-ছাগলী নহয় যে, জোৰ কৰি পঠাই দিম।"

সৰুবাপু এজন প্ৰতি পত্তিশীল লোক। আনকি তেওঁ গাঁৱৰ মুখিয়াল মানুহ। তেওঁৰ চকুলৈ চাই কোনেও
কথা কবলৈ সাহস নকৰে। সৰুবাপুৰ কবিতাৰ ধুনীয়া চেহেৰা আৰু সুন্দৰ মুখ খনি দেখি লোভ লাগি গৈছিল।
সৰুবাপুৰেও সময়ৰ শত ব্যৱহাৰ কৰাৰ সুবিধা বিচাৰি আছিল।

সিদিনা আছিল কোনোবা শনিবাৰৰ এটা আবেলি। কবিতাই মদনৰ ঘৰলৈ গৈ আছিল। আধা বাটত
সৰুবাপু আৰু কবিতাৰ মুখামুখি হৈছিল। সৰুবাপুৰে কবিতাক থিয় হবলৈ কয়। সৰুবাপুয়ে কবিতাৰ একেবাৰে
ওচৰত থিয় হয়। কবিতাক এটা কথা কবলৈ আছে বুলি সৰুবাপুয়ে কবিতাৰ হাতত ধৰিলে কবিতাই কয়, "
কি কথা কওঁক। মোৰ সময় নাই।" সৰুবাপুয়ে নিজৰ মনৰ বাসনাৰ কথা কবিতাক জনালে। কবিতাই তাৰ
হাতখন জোৰে টানি দি এৰাই আহিবৰ চেষ্টা কৰিলে। কিন্তু সৰুবাপুৰে তাইৰ হাত এৰি নিদিযাত কবিতাই
জোৰে চিএওৰি দিব খুজিলে। এনেতে সৰুবাপুৰে কথা বিষম দেখি হাতখন এৰি দিলে। কিন্তু সৰুবাপুৰে
প্ৰতিশোধ পৰায়নতাৰে তেওঁ কবিতাক কৈ উঠিল, "তোক মোৰ পিঞ্জৰাত এদিন বন্দী কৰিমেই" মনত ৰাখিবি।

সৰুবাপুৰে কবিতাক এশিকনি দিয়াৰ বাবে গাওঁৰ ৰাইজ গোটখুৱাই পঞ্চায়ত মাতিলে। মেলৰ সৰু-
ডাঙৰ বহুত মানুহ আছিল। সৰুবাপুৰে তাত মুখ্য আসন লাভ কৰিলে। মেলত উপস্থিত থকা সকলে সৰুবাপুৰ
ওপৰতেই গুৰু দায়িত্ব অৰ্পন কৰিলে। দায়িত্ব পাই সৰুবাপুৰে যি কোনো প্ৰকাৰে কবিতাক তাইৰ গিৰীয়েকৰ
ঘৰলৈ পঠাই দিব বুলি ৰাইজৰ লগত সিদ্ধান্ত ললে। এনেতে মদন ৰাইজৰ মেল বহা ঠাইখনলৈ আগবাঢ়ি
আহিল। মদনে আহিয়েই কব ধৰিলে, " আপোনালোকে যি সিদ্ধান্ত ললে, তাত কবিতাৰ মত লোৱা হৈছে নে
নাই? " মদনৰ কথা খিনি শেষ নৌহওঁতেই সৰুবাপুৰে ৰাইজক ইঙ্গিত দি তাচ্ছিল্যৰ সুৰত কব ধৰিলে, "
এওঁনো আকৌ কোন? ৰাইজ কথাটো বুজিছেই নহয়। কবিতাৰ হৈ এওঁ ওকালতি কৰিব আহিছে। ভূতটো
ইয়াতেই লম্ভিছে। বেটা মানুহ চিনি পোৱা নাই বাপেকে।" মদনে লাজপাই মনে মনে বহি থাকিল সৰুবাপুৰ
সিদ্ধান্তই ৰাইজে মানি লৈ আটায়ে ঘৰাঘৰি হ'ল।

পিছদিনা সৰুবাপুৰে কবিতাক লগ ধৰি নিজৰ দুৰ্ব্বলতাৰ কথা পুনৰবাৰ প্ৰকাশ কৰিলে। কবিতাই সৰুবাপুক
প্ৰশ্ন কৰিলে। "আপুনি দেখোন ৰাইজৰ আগত কৈছিল, মোক হেনো গিৰীয়েকৰ ঘৰত জোৰ কৰি পঠাই দিব।
আকৌ এতিয়া আপুনি....। সৰুবাপুৰে দোমোজাত পৰি কৈ উঠিল," মেলত ৰাইজৰ আগত মই সেইখিনি
কবই লাগিব। সেইবোৰ বাদ দিয়া। মোৰ কথাত মান্তি হৈ যোৱা।" কবিতাই খঙেৰে আঁতৰি গল।

ইফালে সৰুবাপুৰে মদনক লাজ দিয়াৰ উপৰিও ভাবুকিও দিছিল। মদনেও আগন্তক বিপদৰ গোন্ধ পাই
চিন্তিত হৈছিল। মদনে কথাটো কবিতাক স্পষ্টকৈ জনাই দিবলৈ বাধ্য হল।

সিফালে কবিতাৰ মাক প্ৰতিমা চিন্তাত ক্লান্ত হৈ পৰিছে। নিজৰ নামত থকা ৭ (সাত) কঠা মাটিৰ
ভিতৰত ৪ (চাৰি) কঠা বিক্ৰি কৰি কবিতাৰ বিয়াৰ বাবে হোৱা ধাৰ মাৰিছিল। মাকে ভাবিছিল, " কবিতাৰ
বিয়াৰ পিছত ঘৰখনত তেৱেঁই মাত্ৰ থাকিব। ৩ (তিনি) কঠা মাটিৰ দ্বাৰা যেনেতেনে চলি যাব এটা অকলশৰীয়া
জীৱন।" কিন্তু ফটা কঁপাল, খেতি খিনিও খৰাং বতৰে নষ্ট কৰিলে। কবিতাই পৰৰ ঘৰৰ পৰা আকৌ নিজ ঘৰলৈ
উভতি আহিল। পাহাৰ এখন খহি প্ৰতিমাই মুৰত পৰা যেন পালে।

কবিতাৰ মাকে দুবেলা দুমুঠি ডোগাৰৰ কাৰণে অইন কাৰোবাৰ চোতালত ভৰি দিব লগাত পৰে। এই
লৈ মাক জীয়েকৰ মাজত কথা কটা-কটি লাগে। ঠিক এনে সময়ত সৰু বাপু আহি চোতাল পাইছিল দুয়োদজনৰ
কথা বতৰা শুনি, সৰুবাপুৰে কবিতাৰ মাকক কৈছিল, " অ খুৰী ভগৱানে মোক বহুত ধন সম্পত্তি দিছে। এতিয়া





সেইবোৰ চোৱা চিতা কৰাৰ বাবে বহুত মানুহ ৰাখিছোঁ। কিন্তু তথাপি আৰু মানুহৰ দৰকাৰ। যদি বেয়া
নোপোৱা তেন্তে কবিতাক আমাৰ ঘৰলৈ পঠিয়াই দিবা।" কবিতাৰ মাকে অলপ ৰৈ যায় আৰু কব ধৰিলে,
"বোপা আজি কালি দিনবোৰ বৰ জটিল আৰু আওপকীয়া। সেয়ে লাগিলে মই নিজেই যাম। কিন্তু কবিতাক
বাহৰলৈ নপঠাওঁ।"

কবিতাই ঘৰৰ ভিতৰৰ পৰা সৰুবাপুৰ কথা শুনি আছিল। তাই ভিতৰৰ পৰা কৈ উঠিল, "মা মই
সৰুবাপুৰ ঘৰলৈ কাম কৰিবলৈ যাম। তই চিন্তা কৰিব নালাগে। সৰুবাপুক উদ্দেশ্য কৰি কয়, "টকা কিমান দিব?
দিনত কেই সাজ খাবলৈ দিব? সৰুবাপুৰে কবিতাৰ প্ৰশ্নৰ উত্তৰ হাঁহি হাঁহি দিছিল। কৈছিল, "দিনত দুসাজ
খাব পাৰিবি। লগতে টকাও পাবি। আনকি তোক বনাচো দিম। কিন্তু তই আমাৰ ঘৰত ৰাতিও থাকিব লাগিব,
ঘৰখন চোৱাচিতা কৰিব লাগিব, আগলৈ বাৰু।"

কবিতাই নিজৰ মন দৃঢ় কৰিলে। মাকৰ কথা অমান্য কৰি সৰুবাপুৰ ঘৰত কাম কৰাৰ সিদ্ধান্ত ললে।
তেতিয়াৰ পৰা কবিতাই নিয়মিত কামলৈ যোৱা আৰম্ভ কৰিছিল। কিন্তু সৰুবাপুৰ পৰিকল্পনা ধৰিব পৰা নাছিল।
সৰুবাপুৰে নিজৰ চৰিতাৰ্থ পূৰণ কৰাৰ চেষ্টা এৰা নাছিল। কবিতাই সৰুবাপুৰ চক্ৰান্তত নিজকে নিঃসহায় নাৰী
বুলি ভৰি আগবঢ়াই দিবলৈ বাধ্য হৈছিল।

সৰুবাপু বৰ টেঙৰ স্বভাৱৰ মানুহ আছিল। কবিতাক সৰুবাপুৰ এজন গৰুৰখীয়া আধাবয়সীয়া আৰু
পগলা মানুহৰ লগত বিয়াৰ বন্দোবস্ত কৰিলে কবিতাই কোনো উপায় নাপাই বিয়াত সৈমান হৈছিল। দুয়োৰে
বিয়া পাতি দিলে। সৰুবাপুৰে দুয়োকে নিজৰ চোতালত থকা খেৰি জুপুৰি ঘৰটোত ঠাই দিলে। কবিতাই
নিজকে সৰুবাপুৰ ভোগৰ বস্তু হিচাবে দিন কটাব ধৰিলে।

কবিতাই তাইৰ গিৰীয়কেৰ লগত কথা প্ৰসঙ্গত কৈ পেলায়, "আমি দুয়োৰে সৰুবাপুৰ ভোগ বিলাসৰ
সামগ্ৰী হিচাপে জীৱন নিৰ্ব্বাহ কৰিব লাগিব। কিন্তু গিৰীয়েকে কবিতাৰ কথাখিনি বুজি নাপায় মাত্ৰ হাঁহে আৰু
সৰুবাপুক প্ৰশংসা কৰে।"

এনেকৈ দিনবোৰ পাৰ হব ধৰিলে। এদিনাখন কবিতাই প্ৰসৱ বেদনাত চটফটাব ধৰিলে। কবিতাৰ এনে
অৱস্থা দেখি গিৰিয়েকে গাঁৱৰ কোনোবা বেজৰ পৰা এটি গছৰ শিপা আনি হাতত বান্ধি দিলে। সৰুবাপুৰে
এজনক পঠিয়াই দি কবিতাৰ মাকক মাতি আনিলে। কবিতাই এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। ভগবানৰ মহিমাত
কেচুৱাটি নিখুত সৰুবাপুৰ নিচিনাই হৈছে। সৰুবাপুৰে মনে মনে আনন্দিত হৈছিল যদিও বিপদৰ গোন্ধও
পাইছে। কিন্তু একো প্ৰকাশ কৰিব নোৱাৰিলে।

এদিনাখন সৰুবাপুৰে কবিতাৰ সন্তানটি কোলাত লৈ কয়, "তোৰ কেচুৱাটিয়ে মোৰ পিনে একেথৰে চাই
হাঁহিছে।" কবিতাই কোনো সংকোচ নকৰি কৈ পেলালে, "কেচুৱাটিয়ে আপোনাৰ মান-সন্মান, ধন সম্পদলৈ
চাই হাঁহিছে।" সৰুবাপুৰে কবিতাৰ কথা খিনি বুজি পাইছিল। তেওঁ ককাঁলৰ পৰা ১০০০.০০ টকা কবিতাক
দি লাহেকৈ কয়, "ঘটনাটো গোপনে ৰাখিবি, কোনেও যাতে গম নাপায়। মোৰ মান-সন্মানৰ কথা আছে।"

ইফালে গাওঁখনত প্ৰত্যেকৰ মুখত কিবা যেন গুণ-গুণাই আৰম্ভ হৈছে। কবিতা যে সৰুবাপুৰ নিচিনা
এজন পাষণ্ডৰ কু-কাৰ্য্যৰ বলি হৈছে, সেইটো বহুতে আগতেই জানিছিল। কিন্তু কোনেও প্ৰকাশ কৰিবলৈ সাহস
পোৱা নাছিল। লাহে লাহে সৰুবাপু চিন্তাত পৰিল। কিবা উপায়ে ঘটনাটো লুকাই ৰখাৰ চেষ্টা কৰিলে।
সৰুবাপুৰে এটি উপায় উদ্ভাৱন কৰিলে।

সিদিনা কবিতা মাকৰ ঘৰত গৈছিল। বহুদিন মাকৰ ঘৰলৈ যোৱা নাছিল। কবিতাৰ গিৰীয়েকো পথাৰলৈ
গৰু চৰাবলৈ গৈছিল। সেই সুযোগতে সৰুবাপুৰে ঘৈনীয়েকৰ অলংকাৰৰ বাকচটো কবিতাহঁতৰ থকা ঘৰটোত
লুকাই ৰাখিলে। কবিতাৰ গিৰীয়েকে বিয়লি পথাৰৰ পৰা গৰুবোৰ চপাই আনি চোতালত বান্ধি আছিল। এনেতে

সৰুবাপুৰ ইঙ্গিতত এজনে ৰচীৰে তেওঁক বান্ধিবলৈ ধৰিলে। কবিতাৰ গিৰীয়েকে তেওঁৰ লগত ধেমালি কৰা বুলি ভাবিছিল। আনকি তেওঁ আচৰিতো হৈছিল। কৈছিল," এতিয়া মোক কামৰ সময়ত দিগদাৰ নকৰিবা। গৰু-ম'হক পানী খুৱাব লাগিব।" কিন্তু সঁচাকৈ তেওঁক বান্ধিলে আৰু ক'লে, তেওঁ হেনো সৰুবাপুৰ ঘৈনীয়েকৰ অলংকাৰৰ বাকচ চুৰি কৰি নিজৰ ঘৰত ৰাখিছে। সৰুবাপুৰ নিৰ্দ্দেশত কবিতাৰ গিৰীয়েকক পুলিচ থানাত লৈ গ'ল। তেওঁ মাত্ৰ চিএঁৰিলে, "মোৰ লৰা আৰু ঘৈনীজনীৰ অৱস্থা কি হব? মই একো বুজি পোৱা নাই।"

কবিতা মাকৰ ঘৰৰ পৰা আহোঁতে অলপ পলম হৈছিল। তাৰ পৰা উভতি আহিয়েই সকলো কথ গম পালে। সৰুবাপুৰে নিজৰ বদনাম ঢাকিবৰ বাবে কবিতাকো মাকৰ ঘৰলৈ গুচি যাবলৈ হুকুম দিলে তাতেই তাইক চোৱা চিতা কৰিব পাৰিব বুলি কলে। কবিতাই সোনকালে সৰুবাপুৰ চক্ৰান্তটো বুজি মনত প্ৰতিশোধৰ জুই জ্বলি উঠিল। কবিতা অলপ মনে মনে থাকিল। তাৰ পাছত কলে, "মোৰ স্বামী পুলিচ হাজোতত আছে যদি ময়ো ইয়াৰ পৰা যাবই লাগিব।" কবিতাই মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে কবিতাই মাত্ৰ সিদিনা ৰাতিটো সেই জুপুৰিটোত কটাই যাব বিচাৰিলে। সৰুবাপুৰেও সন্মতি দিলে। কবিতাৰ ৰাতি টোপনি নাহিল। তাইৰ জীৱনৰ ঘটি যোৱা ঘটনাবোৰ স্মৃতি ৰোমন্থন কৰিছিল। ৰাতি ক্ৰমে নিৰৱ আৰু গভীৰ হোৱাত কবিতাই অতি গোপনে সৰুবাপুৰ ঘৰত জুই জ্বলাই দিলে। জুইয়ে আকাশ চানি পেলাইছে। চাৰিওফালেৰ পৰা মানুহে জুই জুই বুলি দৌৰি আহিল। তাই পাগলীৰ নিচিনাকৈ খিলখিলাই হাঁহিব ধৰিলে।

জ্বলি থকা ঘৰৰ আকাশচুম্বী জুইৰ লেলিহান শিখা যেন কবিতাৰ হৃদয়ৰ বিক্ষোভ আৰু প্ৰতিশোধৰ এক বাহ্যিক প্ৰকাশ। এই জুইৰ ৰং হৃদয়ৰ ৰঙতকৈ, কলিজাৰ কেঁচা তেজতকৈয়ো আৰু বেছি ৰঙা।

# শেষ বিচাৰ

মঃ তৰিক উদ্দিন জিয়াউল হক
স্নাতক ৩য় বাৰ্ষিক
খাৰুপেটীয়া মহাবিদ্যালয়

সোমবাৰ। চকিদাৰ জনে কাৰ্য্যালয়ৰ দুৱাৰ খিৰিকী খুলি, কোঠাটো বাঢ়নীৰে সাৰি সাৰি বাৰাণ্ডলৈ আগুৱাই অহা সময়তে, খট্‌খটিত দেখা পালে এজন যুবকক। দুয়োৰে দৃষ্টি বিনিময় ঘটাত যুবকে মাত লগালে—

ককাই, ছাৰ নাই নেকি!

আছে! মানে ঘৰত আছে। বাৰাণ্ডা সাৰি সাৰিয়েই চকিদাৰজনে ক'লে। এতিয়ালৈকে অহা নাই। এঘাৰ বাজিল। তেখেততো দহ বজাত ইয়ালৈ আহিব লাগে। যুৱকে কলে।

এঃ! টাইম টেবুলৰ কথা নকবা বোপাই! অফিচাৰ মানুহ, যেতিয়া ইচ্ছা যায় তেতিয়া আহে। মানে কেতিয়া আহিব......??





অফিচাৰৰ অপেক্ষাত যুবকজন বাৰাণ্ডাৰ আৰাম চকীতে বহিল। আন দুজনমান কৰ্মচাৰী ইতিমধ্যে অফিচলৈ আহিল যদিও মুৰব্বী জনৰ সৈতেহে যুৱকৰ কাম। ঘড়ীটোলৈ চালে ১২.৩০ বাজিছে। ইমান সময় হল তেখেত অহাই নাই। আন দুই এজনো অফিচাৰজনক লগ কৰাৰ উদ্দেশ্যে আহিছিল যদিও, বিমুখ হৈ গুচি গল। ঘুৰি যোৱা প্ৰতিজনৰে স্পষ্ট-অস্পষ্ট ভোৰভোৰণি — "ছেঃ আজিও নাই!" নহাহ'লেই ভাল আছিল।"

ময়ো যাওঁগেহে ককাই। কাইলৈহে আহিম।

মঙ্গলবাৰ। সময় পুৱা ১০.০০ বজা। যুৱকজন পুনৰ উক্ত অফিচৰ বাৰাণ্ডাত বিশেষ ব্যস্ততাৰে ইফালৰ পৰা সিফাললৈ ঘুৰা ফুৰা দেখা গল। চাওঁতে চাওঁতে এঘাৰ বাজিল। ভিতৰত কোনোবা এজনে টাইপ মেচিন চলাই আছে।

ককাই! আজিও সময় নষ্ট হব যেন পাইছো। এতিয়ালৈকে ছাৰ' অহাই নাই! মোক কলেনো কি হব! ডাঙৰ মানুহৰ কামো বহুত! নহয়। এই কথাই কথা নহয়। আজি তোমাৰ "ছাৰ" আহিলে কবা "বিশেষ দৰকাৰত ল'ৰা এজন আহিছিল। কাইলৈ কিন্তু লগ পাবই লাগিব।"



বুধবাৰ। পুৱা ১০ বজাত উক্ত যুৱক পুনৰ তৃতীয় দিনাৰ বাবে অফিচত উপস্থিত হল। মুৰব্বীজনক নেদেখি বেঞ্চখনত তেওঁ বহি পৰিল। অস্তস্তিৰে বহু সময় পাৰ হোৱাৰ পাছত ১১ বাজি ৫ মিনিট যোৱাত, গেটৰ মুখেদি গহীন-গম্ভীৰ খোজেৰে এজন লোক সোমাই অহা তেওঁৰ চকুত পৰিল।

ছাৰ আহিছে। চকিদাৰৰ মুখেদি বিষয়াজন বুলি জানিব পাৰি যুৱকে তেওঁৰফালে লক্ষ্য কৰিলে। বাহ্যিক দৃষ্টিত মানুহজনক দায়িত্বশীল আৰু কৰ্ত্তব্যৰ গাফিলতি নকৰাযেন লাগে। বিষয়াজন পোনে পোনে তেখেতৰ নিৰ্দ্দিষ্ট আসন খনৰ ফালে আগবাঢ়িল। চকীত বহি ড্ৰয়াৰৰ পৰা ফাইল এটা উলিয়ালে। এনেতে দেখা গল তেখেত এক অত্যন্ত জৰুৰী কামত ব্যস্ত।

ছাৰ! সোমাব পাৰোনে?

আহক! যুবকজন বিষয়াজনৰ সন্মুখত উপস্থিত হল। খাম এটা খুলি আবেদন জাতীয় এখন কাকত তেওঁ অফিচাৰজনলৈ আগবঢ়াই দিলে। যুৱকে আগবঢ়োৱা কাকতখনত বিষয়াজনে দৃষ্টি বুলালে।

'চৰি'! লাষ্ট ডেট কাহানিবাই পাৰ হল! আপুনি বেলেগ ব্যৱস্থা কৰিব লাগিব। আমি নোৱাৰিম।"

কিন্তু ছাৰ! মইতো পৰহিও আহিছিলো, কালিও। আপুনিহে......

মিছাকৈ কিয় কয়? মইতো অফিচতে আছো।

আচলতে ছাৰ। মোৰ অহা-যোৱা কৰাৰ বাহু-তাহৰ বৰ অসুবিধা।

সেয়ে চাৰে এঘাৰ বা বাৰমান বজালৈ মই বৈ থাকি গুচি যাবগৈ লাগে।

যেনেতেনে কৰি দিয়ক আৰু ছাৰ। নহলে।

আস্! পাৰিলে জানো কৰি নিদিলোহেঁতেন। আমাৰতো ওপৰৱালা এজন আছে। এটা কাম কৰক। আমাৰ হেড্ অফিচৰ লগত আপুনি এটা, যোগাযোগ এটা চলাই চাওঁক। নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত হোৱা হলে কোনো কথাই নাছিল। এতিয়া.......!

আপুনিহে ছাৰ সময়ৰ মূল্য ৰখা নাই আবেদনখন হাতত লৈ যুৱকজনে খঙতে কলে। দহ বজাত অফিচ খোলাৰ সময়, কিন্তু আপুনি আহে বাৰ-এক বজাত।

হেৰি, সময়ৰজ্ঞান মোক দিব নালাগে বুইছে। কামো কৰিম আপোনালোকৰ বাবে, গালিও খাব লাগে আপোনালোকৰ পৰাই।

মই গালি দিয়া নাই! হক কথাহে কৈছো।

অফিচ্ টাইমত মই অফিচ ডিউটি কৰিছো, আপোনাৰ বৰ বৰ কথাৰে কাম নিদিয়ে। আপোনাৰ কামটো সিদ্ধি হোৱাৰ ইচ্ছা কৰিছে যদি বেলেগ ব্যৱস্থা গ্ৰহণ কৰাটোৱেই বুদ্ধিমানৰ কাম হব।

ছাৰ! কামটো কৰি নিদিব তেন্তে। যুৱকৰ মৃদু কণ্ঠৰ কথাষাৰলৈ কেৰেপ্ নকৰি অফিচাৰজনে ফাইলটোত চকুফুৰাই থাকিল। পিছত যুৱকজন অফিচাৰৰ কক্ষ ত্যাগ কৰি গুচি গল।

শুক্ৰবাৰ। সময় দিনৰ ডেৰ বজা। উক্ত অফিচাৰ জনে তেখেতৰ আসন শুৱনি কৰি বহি আছিল।

ছাৰ! টেলিগ্ৰাম! পিয়নজন টেলিগ্ৰামখন অফিচাৰজলৈ আগবঢ়াই দিলে আৰু ওলাই গল। টেলিগ্ৰামৰ কথা কেইটাত চকুফুৰাই অফিচাৰ জনে.......।

শনিবাৰ। পুৱা ৯ বজাত অফিচাৰজনক দেখা গল তেখেতৰ বিভাগীয় প্ৰধান কাৰ্য্যলয়ত। সেই কাৰ্য্যালয়তে তেওঁৰ বন্ধু এজনে চাকৰী কৰে। হঠাৎ বন্ধুজনে দেখা পাই তেওঁক মাত লগালে।

আৰে তই! হঠাৎ! ইমান পুৱাই!

অ, এইখন চা! সেই অফিচৰ পৰা যোৱা টেলিগ্ৰামখন আগুৱাই দিলে। “ তৎকালীন ভাবে নিলম্বিত কৰণৰ নিৰ্দ্দেশ.......

কি কৰিবি! ‘হেডৰ অৰ্ডাৰ’! তোৰ বহুত ৰিপোৰ্ট পাইছে। আনকি নতুনকৈ জইন কৰা হেডেও তোৰ কাৰ্য্যকলাপৰ প্ৰমান বোলে স্বচক্ষে পাইছে। কি ? হেডে স্বচক্ষে প্ৰমান পাইছে? এতিয়া হেড আছেনে নাই! আছে। যা লগ কৰি যদি কিবা কৰিব পাৰ কৰি ল’........।

বন্ধুজনৰ কথা শেষ হবলৈ নিদি সেই অফিচাৰজন, তেওঁৰ বিভাগীয় প্ৰধান কাৰ্য্যালয়ৰ মুৰব্বীজনাৰ কোঠাৰ ফালে আগবাঢ়িল। পৰ্দাখন ফাঁক কৰি মাত লগালে— ছাৰ!

ইয়েচ্ আহক। সোমাই আহক।

দুৱাৰ মুখৰ পৰা এখাজ আগুৱাই তেওঁ আৰু ভিতৰলৈ নোযোৱা হল। হঠাৎ তেওঁ বৈ গল । সিদিনা ওভতাই পঠোৱা যুৱকজনেই তেওঁৰ বিভাগীয় মুৰব্বীৰ আসনখন অধিকাৰ কৰি “হেড্ অৱ দি ডিপাৰ্টেমেণ্ট” হৈ বহি থাকিব পাৰে বুলি তেখেতে সপোনতো ভবা নাছিল। সন্মুখত বাঘ থকা যেন দেখা পাই বিষয়াজনৰ গাটো কঁপিব ধৰিলে। ▥





# Untold Stories

**Parimal Kumar Datta**
[M.A.(Double), M.Ed.]
Department of Sanskit



Readers may believe these untold stories or not. But these are the real stories of a Hindu Saint who became a Muslim Fakir. He was Popularly known as Lalbaba. He was a symbol of Hindu Muslim unity.

My first meeting with Lalbaba is still mysterious. Then I was a teacher in Sailabala High School One day I was going to school I was in a hurry to cross the main road. At that right moment I heard a shrill voice, " Stop, Stop, my child. Don't go so fast Please wait a bit."

I Halted and looked back. A Muslim Fakir was standing there. He raised his arm as a signal for me to follow him. His magnetic signal made me start. I followed.

" He is a stranger. Why should I follow him? Well let me see what he does." I said to myself.

The Fakir stopped after a few minutes. He Stood under a tree near the town field.

" Be careful, my boy. You will fall in danger", he forecast.

" Who is he? Why does he warn me? Probably he wants to see some pieces of stone and to earn some money ... You can't fool me with that old trick!" I thought.

" Sala (Brother-in-law).. Sala... Mag bhatar (husband and wife) ..... I am Lalbaba ... I don't believe in so called stones... In don't want any money. .. Fool!.. Remember what I forecast", so saying he galloped.

That happened exactly what Lalbaba foretold.

Two months rolled on. I was in search of him. I wanted to know about my future. But I could not get any information about Lalbaba.

One night I was meditatively busy with the writing of a historical and patriotic drama for the cultural function in the School. Then There was a sharp knocking at the door. I opened the door. My eyes were wide and staring as though I saw a vision. Lalbaba was smiling.

" Welcome.... welcome, Baba", I earnestly invited.

He glanced quickly aside and stepped in.

" I have just come to see you.. Are you well now? ....Prepare yourself for the ensnaring examination... Don't be so much busy with the function..... I shall come again... Good bye... Allah Ho Akbar (Allah is great)... Jai Ma Kali ( Glory to Goddess Kali)", Lalbaba left me rather hurriedly in a very confused state of mind.

Curiosity grew in me more and more. His frequent visits to me helped me to know his life history. He began to open the secret window of his mind.

One day I said to him, " Why don't you take your meals in the day time?"

" It is an interesting episode," he started. " I was born in the district of Kamrup (Undivided India) in Assam. My father dealt in arms and ammunition. One day my mother punished me severely".

" Why?" I interrupted.

" It will be disclosed later on," he answered instantly.

" Please continue", I urged.

" I ran away from home. Then a great fair was going on in the kamakhya temple on the occasion of the Maha Ambubuchi Festival. A divine Saint camped there with a large number of discipled. His name was Kestobaba. He hailed from Dhaka. As soon as I reached there, he called me and patted me on the head. He took me away to his temple in Dhaka."

" Next?" I asked.

" I was looked after, nursed and educated by him. We visited all the holy places of India including Hinglaz and Karabir (Now in Pakistan). After ten years my Guruji Came to Assam again."

" Don't you come with him?" I asked.

" Yes. I was also with him. One day my Guruji told me to pay a visit to my mother and bring a handful of rice from my mother", he continued.

" Why?" I questioned.





" It is a sacred monastic rule. We have to follow it. I reached home. Then many changes occurred in our village. But I had no troubles in finding out my house. Standing in front of the gate, I shouted, " Bhikshang Dehi, bhikshang dehi, Ambe (Mother, Give me alms)"

" Did your mother come out?" I whispered eagerly.

" Yes", Lalbaba sighed.

" Could she recognize you?" I enquired.

" No", he said mournfully, " but she gave me a handful of rice."

" Please come to the point. Why don't you take your meals in the day time?" I reminded.

" I am just telling. It is connected with your question." He choked with motion.

" Sorry. Pardon me, please. Go on", I appealed.

" I was returning from my house that I had left emotionally in my childhood. The sun was over my head. I became very thirsty and hungry. Suddenly I noticed a temple on the foot of a hill. I entered the temple to take a rest. The Nitya Puja (Daily worship) was just over. The priest saw me. He requested me to wait for the Prasad. There was a flat rock beside the gate of the temple. I sat on it and waited. The Priest came with the Prasad. I told him to give me some water first."

"Why?" I asked.

